● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক
# অগ্ৰদূত
সামাজিক দায়বদ্ধতাত অবিচল


**দিগ্‌দৰ্শন**

যিয়ে ভাবে যে সবি পৰা গছৰ পাতবোৰ মৰি গৈছে, তেওঁ কেতিয়াও সেই পাতবোৰক বতাহত নাচি ফুৰা দেখা নাই।

শিৰা টামিৰ
*ইজৰাইলী প্ৰযুক্তিবিদ*




www.dainikagradoot.in



৫ দেৱীৰ ৰঙৰ প্ৰলেপ
১৫ লন বলত অসমৰ চাৰিটা পদক
৪ বেদনাৰ নিজা ৰং নাই ঃ কঠিন পথটো সুদৃঢ় ভিত্তিৰ ওপৰত সুগমভাৱে থিয় হৈ থাকে



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৫২ তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১৫ আহিন ১৪২৯ ভাস্কৰাব্দ ২ অক্টোবৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 2 October 2022 মূল্য ঃ ৯.০০ টকা




■ গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত তিনিটা সোণসহ অসমৰ সাতটা পদক অৰ্জন ■ পদক নাপালে হিমাই ঃ ব্ৰঞ্জতে সন্তুষ্ট থাকিল নয়নমণি

## ১০০ মিটাৰত স্বৰ্ণ জয়েৰে দেশৰ দ্ৰুত মানৱ হ'ল অম্লান বৰগোহাঁই

■ **নিউজ ব্যুৰ'/ষ্টাফ ৰিপ'ৰ্টাৰ**

**গান্ধীনগৰ/গুৱাহাটী, ১ অক্টোবৰ ঃ** মহাষষ্ঠীৰ দিনা দুৰ্গাপূজা আৰু ভাৰত-দক্ষিণ আফ্ৰিকা ক্ৰিকেট মেচৰ উন্মাদনাৰ মাজতে অসমবাসীলৈ অধিক আনন্দৰ বতৰা কঢ়িয়ালে প্ৰতিভাৱান দৌৰবিদ অম্লান বৰগোহাঁয়ে। চলিত ৩৬সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি অসমক প্ৰথমটো সোণৰ পদক দি ৰাজ্যবাসীক আপ্লুত কৰিলে ভাৰতীয় এথলেটিকছৰ নৱাগত চাঞ্চল্য অম্লানে। গান্ধীনগৰৰ আইআইটি ক্ৰীড়া প্ৰকল্পত আজি অনুষ্ঠিত হোৱা পুৰুষৰ ১০০ মিটাৰ দৌৰৰ ফাইনেলত অসম সন্তান অম্লানে ১০.৩৮ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। জীৱনৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াতে সোণ অৰ্জন কৰি দেশৰ দ্ৰুত মানৱ হোৱাৰ অনন্য সফলতা অৰ্জন কৰিলে অম্লানে। উল্লেখ্য যে ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি অসমে চমকপ্ৰদ প্ৰদৰ্শন কৰি তিনিটা সোণ, তিনিটা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ সাতটা পদক লাভ কৰিছে। সম্প্ৰতি দেশৰ সম্ভাৱনাময় দৌৰবিদৰূপে পৰিচয়

*১০ পৃষ্ঠাত চাওক*



■ আজি মহানগৰীত ভাৰত-দক্ষিণ আফ্ৰিকাৰ টি-২০ মেচ ■ উইকেট পছন্দ হ'লেও প্ৰচণ্ড গৰমৰ কথা ক'লে ভাৰতৰ প্ৰশিক্ষক দ্ৰাৱিড়ে

## দক্ষিণ আফ্ৰিকাৰ বিপক্ষে ব্যৰ্থতাৰ ছাঁ দূৰ কৰাৰ লক্ষ্য টীম ইণ্ডিয়াৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ অক্টোবৰ ঃ** দক্ষিণ আফ্ৰিকাৰ বিপক্ষে স্বদেশত ব্যৰ্থতাৰ ধাৰাবাহিকতা ৰোধৰ লক্ষ্যৰে কাইলৈ মহানগৰীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অৱতীৰ্ণ হ'ব ভাৰতীয় দল। শাৰদীয় দুৰ্গাপূজাৰ সমান্তৰালকৈ আন্তৰ্জাতিক মেচৰ বাবে উখল-মাখল পৰিৱেশে বিৰাজ



কৰা গুৱাহাটীতে কাইলৈ অনুষ্ঠিত হ'ব ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত তিনিখনীয়া ট-২০ শৃংখলাৰ দ্বিতীয়খন মেচ। তিৰুঅনন্তপুমত অনুষ্ঠিত প্ৰথম মেচত ভাৰতে সহজে আঠ উইকেটৰ বিজয় অৰ্জন কৰিছিল। কাইলৈ জয়ী হ'ব পাৰিলেই ৰোহিত শৰ্মাৰ দলে শৃংখলা নিজৰ

*১০ পৃষ্ঠাত চাওক*

## মাধ্যম বিতৰ্কৰ মাজতে দ্বাদশ শ্ৰেণীলৈ বড়ো মাধ্যম নিশ্চিত কৰিলে ৰাজ্য চৰকাৰে

### তৎকালে কাৰ্যকৰী হোৱাকৈ জাননী জাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ অক্টোবৰ ঃ** শিক্ষাৰ মাধ্যমক লৈ ৰাজ্যত চলি থকা বিতৰ্কৰ মাজতে অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে বড়ো আৰু বড়ো মাধ্যম থকা 'মিক্সড মিডিয়াম'ৰ

*১০ পৃষ্ঠাত চাওক*

■ ফিনলেণ্ডৰ পৰা নাইজেৰিয়ালৈ দেৱী দুৰ্গাৰ স্তুতি ■ হুগলিত কামাখ্যা ধামৰ আৰ্হিত মণ্ডপ

# দেশে দেশে দুৰ্গোৎসৱৰ উলহ-মালহ

আজি মহাসপ্তমী ঃ মহানগৰীত আধ্যাত্মিকতাৰ পৰা চমক

## আৰ্থিক জটিলতাৰ মাজতে পূজাথলীত আনন্দৰ লহৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ অক্টোবৰ ঃ** উৎকট গৰমে দহিলেও ফৰকাল বতৰত আজিৰ পৰা আৰম্ভ হোৱা দুৰ্গা পূজাৰ কাইলৈ মহা সপ্তমী। আজি সন্ধিয়া ষষ্ঠীৰ বেদীত দেৱীক প্ৰতিষ্ঠাৰ লগে লগে কাৰ্যতঃ তিনি বছৰীয়া প্ৰতীক্ষাৰ অন্তত

*১০ পৃষ্ঠাত চাওক*



■ অসমৰ পুৰোহিত আমন্ত্ৰণ কৰি নি ঢাকাত সাৰ্বজনীন পূজা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ অক্টোবৰ ঃ** দেশে-বিদেশে প্ৰসাৰিত হ'বলৈ ধৰিছে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাৰ আৱাহন পূজা-অৰ্চনা। সাত সাগৰ তেৰ নদীৰ সিপাৰেও পুৰোহিতৰ মন্ত্ৰোচ্চাৰণেৰে আজি ষষ্ঠীৰ বেদীত প্ৰাণ প্ৰতিষ্ঠা কৰা হ'ল দেৱী দুৰ্গাৰ। ফিনলেণ্ডৰ পৰা কলম্বিয়া-নাইজেৰিয়ালৈকে বহু দেশত আৰম্ভ হৈছে শাৰদীয় দুৰ্গোৎসৱৰ উখল-মাখল পৰিৱেশ। আমেৰিকাৰ নিউ য়ৰ্ক চহৰত পশ্চিমবংগৰ পৰা ঢাক বজোৱা শিল্পীক আমন্ত্ৰণ কৰি দেৱীৰ বোধন কৰিবলৈ যিদৰে ব্যৱস্থা কৰা হৈছে ঠিক তেনেদৰেই চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ ৰাজধানী ঢাকা চহৰত আকৌ এইবাৰ দুৰ্গা পূজা কৰিবলৈ আমন্ত্ৰণ কৰি নিয়া হৈছে অসমৰ পুৰোহিতক।

*১০ পৃষ্ঠাত চাওক*

ইন্ধনৰ ওপৰত ভেট পুনৰ আৰোপ ৰাজ্য চৰকাৰৰ

## প্ৰতি লিটাৰ ডিজেলৰ মূল্য দুটকাকৈ বৃদ্ধি অসমত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ অক্টোবৰ ঃ** আশংকা কৰা ধৰণে ইন্ধনৰ ওপৰত পুনৰ ভেট আৰোপ কৰিলে ৰাজ্য চৰকাৰে। যিসময়ত খাৰুৱা তেলৰ আন্তৰ্জাতিক বজাৰমূল্য নিম্নগামী হৈ ৰৈছে সেই সময়তে ৰাজ্যত আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ প্ৰতি লিটাৰ

*১০ পৃষ্ঠাত চাওক*

■ আঠ অক্টোবৰত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে অৰ্পণ কৰিব বিলাসী বাহনসমূহ ■ ৩৫ কোটিটকীয়া কাৰ্যালয় নিৰ্মাণৰ পাছত ছয় কোটি টকাৰে জিলা কমিটীলৈ বিলাসী বাহন ক্ৰয় বিজেপিৰ

## নেতাৰ বাবে ৪৮খন বলেৰ'-স্কৰপিঅ' ক্ৰয়

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ অক্টোবৰ ঃ** প্ৰায় ৩৫ কোটিটকীয়া ব্যয় সাপেক্ষে মহানগৰীৰ বশিষ্ঠত অত্যাধুনিক ৰাজ্যিক মুখ্য কাৰ্যালয় নিৰ্মাণ কৰি উলিওৱা শাসকীয় বিজেপিয়ে পূজাৰ বতৰতে ৰাজ্যৰ প্ৰতিখন সাংগঠনিক জিলাৰে বিষয়ববীয়াক উপহাৰ দিব এখনকৈ বলেৰ' গাড়ী। একেদৰে দলৰ আঠটাকৈ মৰ্চাৰ সভাপতিসকলৰ বাবেও ৰাজ্যিক বিজেপিয়ে ক্ৰয় কৰিছে আঠখন বিলাসী স্কৰপিঅ' গাড়ী। পৰৱৰ্তী লোকসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ সৰ্বত্ৰ বিজেপিৰ সাংগঠনিক দিশ টনকিয়াল কৰি তোলাৰ ক্ষেত্ৰত যাতে দলৰ প্ৰতিখন সাংগঠনিক জিলাৰ বিষয়ববীয়াসকলে ভ্ৰমণ কৰিব পাৰে সেয়া নিশ্চিত কৰিবলৈ জিলা কমিটীসমূহক এই বিলাসী বাহনকেইখন প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। উল্লেখ্য যে মুঠতে ৪৮ খন বলেৰ' আৰু স্কৰপিঅ' গাড়ী প্ৰায় ছয় কোটি টকা ব্যয়ৰে ক্ৰয় কৰি আজি বশিষ্ঠৰ নৱনিৰ্মিত দলীয় কাৰ্যালয় চৌহদত শাৰী পাতি ৰখাই থোৱা হৈছে। ৰাজ্যিক বিজেপিৰ নৱনিৰ্মিত কাৰ্যালয়টো অহা আঠ অক্টোবৰত কেন্দ্ৰীয়

*১০ পৃষ্ঠাত চাওক*

■ ক'লা চশমা পিন্ধি ৫-জি সেৱা উদ্বোধন ■ দেশৰ ১৩খন চহৰত শীঘ্ৰে উপলব্ধ হ'ব ৫-জি সেৱা ■ উপেক্ষিত হৈ ৰ'ল উত্তৰ-পূৱৰ চহৰ

## দিল্লীত ষ্টিয়েৰিং ঘূৰাই ছুইডেনত গাড়ী চলালে প্ৰধানমন্ত্ৰী মোদীয়ে

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১ অক্টোবৰ ঃ** 'পঞ্চম প্ৰজন্মৰ এই ম'বাইল ইণ্টাৰনেট সেৱাৰ বিদ্যুৎ গতিৰ মাজেৰে দেশৰ যোগাযোগ ব্যৱস্থাত নব্য যুগৰ সূচনা হ'ব। য'ত হাতৰ মুঠিতে থাকিব এক অপাৰ সম্ভাৱনাৰ সমুদ্ৰ।' আজি দেশত ৫-জি প্ৰযুক্তিৰ সূচনা কৰি এই মন্তব্য কৰিলে প্ৰধানমন্ত্ৰী

*১০ পৃষ্ঠাত চাওক*

হাতৰ মুঠিতে থাকিব সম্ভাৱনাৰ সমুদ্ৰ ঃ আৰম্ভ হ'ল দ্ৰুতবেগী ইণ্টাৰনেট সেৱা








৫০ শতাংশ ৰাজসাহায্য প্ৰদানেৰে ১১০টা গুদাম-১৫০ টা ধান বনা মিল স্থাপনৰ কাম

## প্ৰতি কুইণ্টলত ২০৪০ টকাকৈ ধান ক্ৰয় কৰিব ৰাজ্য চৰকাৰে ঃ মন্ত্ৰী দাস

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ অক্টোবৰ ঃ** প্ৰতি কুইণ্টলত ২০৪০ টকাকৈ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মুঠতে ছটাকৈ সংস্থাই চলিত শালি খেতিৰ সময়ত অসমৰ খেতিয়কৰ পৰা ক্ৰয় কৰিব ১০ লাখ মেট্ৰিকটন ধান। চলিত ২০২২-২৩ 'খাৰিফ মাৰ্কেটিং ছিজন'ত এই বৃহৎ পৰিমাণৰ ধান ক্ৰয় কৰিবলৈ সিদ্ধান্ত লোৱাৰ কথা সদৰী কৰিছে ৰাজ্যৰ যোগান

*১০ পৃষ্ঠাত চাওক*

## জিএছটিৰ কেলেংকাৰি পোহৰলৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১ অক্টোবৰ ঃ** দেশৰ কৰ ব্যৱস্থাত বৃহৎ সংশোধনী আনিবলৈ চৰকাৰে জিএছটি প্ৰৱৰ্তন

*১০ পৃষ্ঠাত চাওক*







দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ১৫আহিন ১৪২৯ ভাস্কৰাব্দ ২ অক্টোবৰ ২০২২



# দুৰ্গোৎসৱ



**দেশৰ** বিভিন্ন অঞ্চলৰ লগতে অসমতো দুৰ্গা পূজাৰ উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছে। ক'ভিড মহামাৰীৰ বাবে যোৱা দুটা বছৰে মুকলিকৈ দুৰ্গা পূজাকে ধৰি অন্যান্য উৎসৱসমূহ উদ্‌যাপনৰ পৰা ৰাইজ বিৰত থাকিবলগীয়া হৈছিল। মুখত মাস্ক পৰিধান কৰি, সামাজিক দূৰত্ব ৰক্ষা কৰি আৰু অন্যান্য ক'ভিড স্বাস্থ্যবিধি মানি সতৰ্কতাৰে দুৰ্গোৎসৱৰ আয়োজন কৰা হৈছিল। এইবাৰ ৰাইজে মাস্ক পৰিধান নকৰাকৈয়ে মুকলিকৈ উৎসৱ উদ্‌যাপন কৰিবলৈ পোৱাত উৎসৱৰ আনন্দ বৃদ্ধি পাইছে। পূজা মণ্ডপবিলাকত জিলিকিছে জাকজমক পৰিৱেশ, প্ৰতিমাসমূহৰ নতুনত্ব আৰু কাৰু শিল্পীসকলৰ চমৎকাৰী কাৰু-কাৰ্য। স্থানীয় কাৰু শিল্পীসকলৰ উপৰি বহিঃৰাজ্যৰ কাৰু শিল্পীয়ে আন বছৰৰ দৰেই এইবাৰো পূজাৰ মণ্ডপসমূহ সজাইছে ন ন ৰূপত; কিন্তু শাৰদীয় উৎসৱৰ এই আনন্দমুখৰ পৰিৱেশ সকলোৱে সমানে উপভোগ কৰিব পৰা নাই। খাদ্য সামগ্ৰীৰ পৰা সকলো ধৰণৰ পোছাক তথা ইলেক্ট্ৰনিক পুতলা সামগ্ৰীলৈকে সকলো বস্তুৰে দাম বৃদ্ধিৰ মাধমাৰ পৰিছে ৰাইজৰ ওপৰত। শেহতীয়াকৈ প্ৰকাশিত তথ্য অনুসৰি দেশৰ মধ্যবিত্ত শ্ৰেণীৰ সঞ্চয় ক্ষমতা হ্ৰাস পাইছে। দৈনন্দিন জীৱন-যাত্ৰাও ব্যয়বহুল হৈ পৰাত মধ্যবিত্ত শ্ৰেণীৰ হাততো ধনৰ অভাৱ। তেন্তে আৰ্থিকভাৱে দুৰ্বল বা অনগ্ৰসৰ আৰু দৰিদ্ৰ, নিম্নবিত্তসকলৰ অৱস্থা কেনে হৈছে— সেয়া সহজে অনুমান কৰিব পাৰি। দৰিদ্ৰ শ্ৰেণীৰ লোকসকলে পেটত গামোচা বান্ধি পূজা চোৱাৰ বাহিৰে আন উপায় নাই। নিম্নবিত্ত তথা দৰিদ্ৰ শ্ৰেণীৰ পৰিয়ালে হেজাৰ টকাৰ বিল দি ৰেস্তোৰাঁত খাদ্য গ্ৰহণৰ কথা ভাবিব নোৱাৰে। অৱশ্যে সকলো ধৰণৰ সমস্যাৰ মাজতে সাৰ্বজনীন বাৰোৱাৰী পূজাৰ সংখ্যা তথা প্ৰসাৰ বৃদ্ধি পাইছে। পূজা উৎসৱ এতিয়া শ শ কোটিটকীয়া উৎসৱত পৰিণত হৈছে। দুৰ্গোৎসৱক কেন্দ্ৰ কৰি শ শ কোটিটকীয়া ব্যৱসায় গঢ়ি উঠিছে নগৰ-মহানগৰবোৰত। ব্যৱসায়ীৰ পৰা চান্দা লৈ পূজা অনুষ্ঠিত কৰিব নালাগে বুলি মুখ্যমন্ত্ৰীয়ে আহ্বান জনোৱাত ব্যৱসায়ীসকলে সন্তুষ্টি প্ৰকাশ কৰিছে; কিন্তু ইতিমধ্যে পূজা কমিটীসমূহে লাখ লাখ টকা ব্যয়ৰে পূজা মণ্ডপ নিৰ্মাণ কৰিলেই। চৰকাৰে দাম বৃদ্ধি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ব্যৱসায়ীসকলৰ প্ৰতি আহ্বান জনোৱা দেখা নগ'ল। ৰাইজৰ ওপৰত দাম বৃদ্ধিৰ মাধমাৰ দেখিও চৰকাৰে ব্যৱসায়-বাণিজ্যৰ বিষয়ত হস্তক্ষেপ নকৰে বুলি কৈ নব্য উদাৰপন্থাৰ যজমানৰ ভূমিকা লোৱাটো তাৎপৰ্যপূৰ্ণ। উল্লেখ্য যে চুবুৰীয়া পশ্চিমবংগৰ দৰেই অসমতো দুৰ্গা পূজা এক সাৰ্বজনীন জনপ্ৰিয় ধৰ্মীয় উৎসৱত পৰিণত হ'বলৈ ধৰিছে। ঠায়ে ঠায়ে বলি প্ৰথা চলি আছে যদিও বৃহত্তৰ অসমীয়া সমাজ-সংস্কৃতিত ইয়াৰ প্ৰভাৱ কম। ইয়াৰ বিপৰীতে সাৰ্বজনীন বাৰোৱাৰী পূজা উৎসৱ সমাজত অধিক জনপ্ৰিয় হোৱা দেখা যায়। অৱশ্যে পশ্চিমবংগত যিদৰে বাঙালী জাতীয় জীৱন আৰু সংস্কৃতিত দুৰ্গোৎসৱে মূলসুঁতিৰ ৰূপ পাইছে— সেইদৰে অসমত পোৱা নাই। ইয়াৰ বিপৰীতে ভোগালী বা ৰঙালী বিহুহে অসমৰ জাতীয় উৎসৱ তথা সংস্কৃতি। অসমে ইয়াৰ ৰঙালী বিহুক বিশ্বৰ সাংস্কৃতিক ঐতিহ্যৰ স্বীকৃতিৰ বাবে ইউনেস্ক'ক নিশ্চয় দাবী জনাব পাৰে। কলকাতাৰ দুৰ্গোৎসৱে বিশ্ব সাংস্কৃতিক ঐতিহ্য হিচাপে এই বছৰ স্বীকৃতি লাভ কৰিছে। ইউনেস্ক'ৰ এনে স্বীকৃতিয়ে বাঙালীসকলক গৌৰৱান্বিত আৰু আনন্দিত কৰিছে। কলকাতাৰ দুৰ্গা পূজাই পোৱা এনে স্বীকৃতিৰ বাবে কলকাতাবাসীয়ে ৰাজপথত আনন্দ প্ৰকাশ কৰি সমদল উলিয়াইছে, য'ত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ লগতে ইউনেস্ক'ৰ প্ৰতিনিধিসকলেও অংশগ্ৰহণ কৰিছে। দুৰ্গোৎসৱ সামান্য কোনো পূজা হৈ থকা নাই, এই পূজাই ধৰ্মীয় গণ্ডীৰ ভিতৰতে আৱদ্ধ হৈও থকা নাই। ই বাঙালীসকলৰ জাতীয় জীৱন আৰু সংস্কৃতিৰ মূলসুঁতিৰ অংগ হিচাপে পৰিগণিত হৈ আহিছে। নানান নৃত্য, গীত, খাদ্য সংস্কৃতি, লোকাচাৰ-পৰম্পৰা জীয়াই ৰাখিছে কলকাতাৰ দুৰ্গা পূজাই। সেয়ে ইউনেস্ক'ৰ বিশ্ব সাংস্কৃতিক ঐতিহ্যৰ স্বীকৃতি উচিত বিবেচিত হৈছে। অসমে এনে দাবী কৰিব নোৱাৰিলেও অসমতো বৰ্তমান দুৰ্গোৎসৱৰ জনপ্ৰিয়তা কম নহয়। অসমতো দুৰ্গাপূজা অথবা দুৰ্গোৎসৱ সংস্কৃতিত আৰু ঐতিহ্যৰ অংগ হৈ পৰা দেখা গৈছে। অৱশ্যে বহুতে ইয়াক অনুকাৰী সংস্কৃতি হিচাপে দেখুৱাব বিচাৰে। সেয়ে দুৰ্গা পূজা কিমানখিনি থলুৱা আৰু কিমানখিনি বংগীয় প্ৰভাৱেৰে প্ৰভাৱান্বিত সেয়া বিশেষজ্ঞসকলৰ মত নাইবা সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিব; কিন্তু এই কথা সত্য যে অসমত প্ৰাচীন কালৰে পৰা শক্তি পূজা চলি আহিছে। দুৰ্গাৰ প্ৰাচীন প্ৰস্তৰ মূৰ্তিও অসমত পোৱা গৈছে। অৱশ্যে সাৰ্বজনীন বাৰোৱাৰী পূজাৰ জনপ্ৰিয়তাই আজিৰ দুৰ্গা পূজা নাইবা দুৰ্গোৎসৱক অধিক গ্ৰহণযোগ্য কৰিছে বুলি ক'ব পাৰি। দুৰ্গা পূজাৰ এই আধুনিক ৰূপ বা পৰম্পৰাটো ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সকলোৱে গ্ৰহণ কৰিছে। দুৰ্গা পূজা অথবা দুৰ্গোৎসৱ কোনো নিৰ্দিষ্ট ধৰ্ম-সম্প্ৰদায়ৰ চাৰিবেৰৰ ভিতৰতে সীমাৱদ্ধ হৈ থকা নাই। বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ লোকৰ মাজতো ইয়াৰ প্ৰভাৱ আৰু জনপ্ৰিয়তা পৰিলক্ষিত হয়। কোনো ধৰ্মীয় গোড়ামী বা কঠোৰ নীতি-নিয়মে এই উৎসৱক বান্ধি ৰখা নাই। এই উৎসৱৰ আনন্দত সকলোৱে অংশগ্ৰহণ কৰিছে। দুৰ্গা পূজা বা দুৰ্গোৎসৱে ধৰ্মীয় সংকীৰ্ণতা আঁতৰাই সমজৰ সকলো সম্প্ৰদায়ৰ মাজত এক ঐক্য-সম্প্ৰীতি গঢ়ি তুলিছে। সংকীৰ্ণ ধৰ্মীয় নীতি-নিয়মতকৈ উৎসৱ উদ্‌যাপনে অধিক গুৰুত্ব পোৱা দেখা গৈছে। এই উৎসৱৰ আনন্দ-উপভোগ কৰাসকলৰ মাজত কোনেও কাকো প্ৰশ্ন নকৰে তেওঁৰ ধৰ্ম কি, সম্প্ৰদায় কি, তেওঁ শাক্ত যে বৈষ্ণৱ, হিন্দু নে মুছলমান? সেয়ে আজি দুৰ্গা পূজা বা দুৰ্গোৎসৱ এক সাৰ্বজনীন জাতীয় উৎসৱত পৰিণত হ'বলৈ ধৰিছে। সমাজৰ সকলো ধৰ্ম-সম্প্ৰদায়ৰ লোকৰ মাজত শান্তি-সম্প্ৰীতি গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। অসমীয়া সংস্কৃতিক ধৰ্ম-সম্প্ৰদায়ৰ উৰ্ধ্বলৈ নি এই সংস্কৃতিৰ পৰিসৰ বহলাইছে। উল্লেখ্য যে বৰ্তমান দেশৰ বিভিন্ন অঞ্চলত ধৰ্ম-সম্প্ৰদায়ৰ নামত সঘনে ৰক্তাক্ত সংঘাত, আক্ৰমণ-প্ৰত্যাক্ৰমণ, ঘৃণা, হিংসা অব্যাহত আছে। সাম্প্ৰদায়িক ভেদাভেদ, বৰ্ণ বা জাতি বিদ্বেষ আদিৰ অশান্তিৰ পৰা সমাজ মুক্ত হ'ব পৰা নাই। এনে সংকীৰ্ণ পৰিৱেশৰ বিপৰীতে অসমত সাম্প্ৰদায়িক শান্তি-সম্প্ৰীতিৰ পৰম্পৰা অধিক শক্তিশালী। সামান্য সংখ্যক লোকৰ মাজত সাম্প্ৰদায়িক সংকীৰ্ণতা, জাতি বিদ্বেষৰ দৰে আচৰণ দেখিবলৈ পোৱা যায় যদিও বৃহত্তৰ অসমীয়া সমাজত এনে ধৰণৰ সংকীৰ্ণতা, জাতি বিদ্বেষৰ স্থান নাই। অসমত শক্তি ধৰ্ম নাইবা বৈষ্ণৱ ধৰ্ম কোনোটোৱেই সংকীৰ্ণতাক আঁকোৱালি লৈ থকা দেখা নাযায়। উভয় প্ৰধান পন্থাই উদাৰ ভাবাদৰ্শ গ্ৰহণ কৰি বৃহত্তৰ অসমীয়া সমাজ তথা জাতি গঠনত সহায় কৰি আহিছে। দুৰ্গা পূজাও এই ঐতিহ্যৰে অংশ।

---

যুগে যুগে যোগ্যতা হিচাপে যি কিছু নিৰ্ধাৰণ কৰি দিছে সমাজে, যি কিছুক সাফল্য হিচাপে নিৰ্দেশ কৰিছে, সাফল্য আৰু যোগ্যতাৰ এই মান সঁচাকৈয়ে দুখজনক। সমাজ নিৰ্ধাৰিত সফলতা যে কিমান সংকীৰ্ণ হ'ব পাৰে আৰু সমাজ নিৰ্ধাৰিত ব্যৰ্থতাও যে ক্ষেত্ৰ বিশেষে কিমান মহৎ হ'ব পাৰে, তাৰেই প্ৰমাণ বিজ্ঞানী জগদীশ চন্দ্ৰ বসু। তাৰ অবিহনে বাৰ্তা প্ৰেৰণৰ প্ৰথম আৱিষ্কাৰক জগদীশ চন্দ্ৰ বসু কিন্তু ঔপনিৱেশিক দেশত জন্মগ্ৰহণ কৰা বাবে এই আৱিষ্কাৰৰ স্বীকৃতি তেওঁ নাপালে। বেতাঁৰ যন্ত্ৰৰ আৱিষ্কাৰৰ স্বীকৃতি পালে মাৰ্কনীয়ে। মাৰ্কনীৰ আগতে যদি জগদীশ চন্দ্ৰ বসুৱে পেটেন্ট লৈ থ'লেহেঁতেন, তেনেহ'লে পৃথিৱীয়ে জানিলেহেঁতেন বেতাঁৰ যন্ত্ৰৰ আৱিষ্কাৰক মাৰ্কনী নহয়, ভাৰতবৰ্ষৰ জগদীশ চন্দ্ৰ বসু। পশ্চিমৰ স'তে জগদীশ চন্দ্ৰ বসুৰ চিন্তা-ভাৱনাৰ বিৰোধ আৰু বৈপৰীত্য আছিল। তেওঁ স্পষ্টকৈ জনাই দিছিল গৱেষণাগাৰৰ সকলো উদ্ভাৱন আৰু আৱিষ্কাৰ হ'ব জনগণৰ সম্পত্তি। তাৰ ওপৰত কাৰো কোনো পেটেন্ট বা ব্যক্তি মালিকানা নাথাকিব। পেটেন্টৰ ওপৰত জনগণৰ অধিকাৰ প্ৰতিষ্ঠাৰ নীতিগত সিদ্ধান্তৰ বাবে বেতাঁৰ যন্ত্ৰৰ প্ৰথম আৱিষ্কাৰৰ স্বীকৃতিৰ পৰা বঞ্চিত হোৱাটো জানো জগদীশ চন্দ্ৰ বসুৰ ব্যৰ্থতা?

জগদীশ চন্দ্ৰ বসুৱে পৃথিৱীৰ বহু ঠাই ঘূৰিছিল; কিন্তু কোনোদিনে পাহৰা নাছিল নিজৰ গাঁৱৰ মাটি আৰু শস্যৰ গোন্ধ। পাহৰা নাছিল নিজৰ শৈশৱ। প্ৰায়েই কৈছিল ঃ এই পৃথিৱী যন্ত্ৰণাৰেই এক ধাৰাবাহিকতা। সৰ্বত্ৰেই বৈষম্য আৰু অন্যায়-অবিচাৰ। আমৃত্যু দৰিদ্ৰ শৈশৱ প্ৰচ্ছন্নৰ দৰে আচ্ছন্ন কৰি ৰাখিছিল জগদীশক; ছক্ৰেটিছৰ দৰে জগদীশেও বিশ্বাস কৰিছিল আনৰ শাসক হোৱাৰ দৰকাৰ নাই। দৰকাৰ নিজকে শাসন কৰাৰ।

চেপলিনকো আমৃত্যু দৰিদ্ৰ শৈশৱ প্ৰচ্ছন্নৰ দৰে আচ্ছন্ন কৰি ৰাখিছিল। পৃথিৱীৰ প্ৰায় সকলো পুৰস্কাৰ তেওঁৰ জোলোঙাত। সাফল্যৰ শিখৰত উপনীত; কিন্তু তেওঁ অৰ্থ, যশ, প্ৰতিপত্তিৰ পিনে চাইছিল বৈৰাগ্যৰ দৃষ্টিত। এইবোৰ যেন একোৱেই নহয়। নিজৰ প্ৰাসাদোপম ঘৰৰ সন্মুখত থিয় হৈ অবাক হৈ কৈছিল ঃ মই ইয়াত কিয়? এয়াতো মোৰ ঠাই নহয়। প্ৰেমিকা হেটিৱালিলৈ লিখিছিল— 'তোমাক এদিন মই কৈছিলো অৰ্থ, যশ, খ্যাতিয়েই জীৱনৰ সকলো কিছু নহয়। তেতিয়া মোৰ অৰ্থ, যশ, খ্যাতি একোৱেই নাছিল। কৈছিলো ধাৰণাৰ পৰা। আজি মোৰ অৰ্থ, যশ, খ্যাতি সকলো আছে। আজি মই সেই একেই কথাই কৈছো; কিন্তু ধাৰণাৰ পৰা নহয়। কৈছো অভিজ্ঞতাৰ পৰা'।

খ্যাতিৰ মধ্য গগনত চেপলিন। তেওঁৰ সন্মানাৰ্থে আয়োজিত সভাত দৰ্শনাৰ্থী, অনুৰাগী, সাংবাদিকৰ ভিৰ। লোকে লোকাৰণ্য। চেপলিনৰ মন উৰি গ'ল কেনিংটন ৰোডৰ সেই পুৰণি ঘৰটোলৈ। মানস চকুত ভাহি উঠিল সেই ঘৰ, য'ত পাৰ হৈছে তেওঁৰ শৈশৱ। য'ত উদাসী হৈ বহি আছিল মমতাময়ী মা। পেটত ভাত নাই। ঘৰত খাদ্য নাই। ৰোজগাৰ নাই। পুৰণি সেই ঘৰ— যি ঘৰৰ প্ৰতিটো ইটাৰ ভাঁজে ভাঁজে লুকাই আছে শৈশৱৰ দাৰিদ্ৰ্য আৰু ক্ৰন্দন। সন্মুখৰ জনসমুদ্ৰলৈ চাই চেপলিনে মনে মনে ভাবিছিল তাৰ চাৰিওপাশে এনে কোনো নাই,

# বেদনাৰ নিজা ৰং নাই

## কঠিন পথটো সুদৃঢ় ভিত্তিৰ ওপৰত সুগমভাৱে থিয় হৈ থাকে

### আত্মজিজ্ঞাসা

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**



যাৰ স'তে মিলি উপভোগ কৰিব এই আনন্দ-উল্লাস। খ্যাতি আৰু যশ জানো চেপলিনৰ কাষত আছিল মূল্যহীন আৰু অমূল্য আছিল শৈশৱৰ দাৰিদ্ৰ্য?

**দুই**

আমেৰিকাৰ কেন্টাকিত ১৯৩২ত সৰু এখন ৰেষ্টুৰেন্ট কিনিছিল কৰ্ণেল হাৰলেণ্ড চেণ্ডাৰ্ছে। তাতেই আৱিষ্কাৰ কৰিছিল কেন্টাকি ফ্ৰাইড চিকেনৰ ৰেচিপি। ১৯৫৬ত ৬৬ বছৰ বয়সত ৰেষ্টুৰেন্টখন বিক্ৰী কৰি আমেৰিকাৰ বিভিন্ন ৰেষ্টুৰেন্টত কেন্টাকি ফ্ৰাইড চিকেনৰ ৰেচিপিৰ গোপন ফৰ্মুলা বিক্ৰী কৰিবৰ বাবে আমেৰিকাৰ পথে পথে ঘূৰিছে। বিভিন্ন ৰেষ্টুৰেন্টত গৈ নিজ হাতে ফ্ৰাইড চিকেন বনাইছে। ৰেষ্টুৰেন্টৰ মালিকে ভাল পালে ৰেচিপি বিক্ৰী কৰিব এই আশাৰে। এবাৰ নহয়, দুবাৰ নহয় ১০০৯ বাৰ প্ৰত্যাখ্যিত হোৱাৰ পাছত প্ৰথম এখন ৰেষ্টুৰেন্টে কিনিলে চেণ্ডাৰ্ছৰ ৰেচিপি। আঠ বছৰ পাছত ছশখন ৰেষ্টুৰেন্টত প্ৰচলন হ'ল চেণ্ডাৰ্ছৰ ৰেচিপি। আজি সমগ্ৰ বিশ্বত বিয়পি পৰিছে কেন্টাকি ফ্ৰাইড চিকেনৰ (সংক্ষেপতে কে এফ চি) ফাষ্ট ফুডৰ দোকান।

কেন্টাকিৰ এমহলীয়া ঘৰটোৰ সন্মুখত (য'ৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল কৰ্ণেল চেণ্ডাৰ্ছে) লিখা আছে বাৰ্থ প্লেচ অৱ কেন্টাকি ফ্ৰাইড চিকেন। আছে কৰ্ণেল চেণ্ডাৰ্ছৰ সেই বগা চ্যুট আৰু বো টাই পৰিহিত ট্ৰেড মাৰ্ক ভাস্কৰ্য। খোদিত আছে তেওঁৰ বাণী ঃ 'চালাকি কৰি উন্নতি কৰা সহজ। বিশ্বাস নষ্ট কৰি, দুৰ্বলক ঠগি তাৎক্ষণিক উন্নতি কৰা যায়। সততাৰ পথটো কঠিন। প্ৰতিশ্ৰুতি ৰক্ষা কৰিব লাগিব, মান বজাই ৰাখিব লাগিব, ভাল মানৰ পণ্য দিব লাগিব, ভাল সেৱা দিব লাগিব। উন্নত নৈতিকতাৰ পৰিচয় দিব লাগিব। এই কঠিন পথ সেয়ে মানুহে ল'ব নিবিচাৰে।

'সহজ পথটো সংক্ষিপ্ত। গতিময়। কঠিন পথটো দীৰ্ঘ আৰু শ্ৰম সাপেক্ষ; কিন্তু ঘড়ীৰ কাটা যেতিয়া আগুৱাই গৈ থাকে, সহজ পথটো কঠিন হৈ গৈ থাকে। কঠিন পথটো সহজ হৈ পৰে। মুহূৰ্ত পাৰ হয়, বছৰ বাগৰে। কেলেণ্ডাৰ সলনি হয়। সহজ পথটো হেৰাই যায়। কঠিন পথটো সুদৃঢ় ভিত্তিৰ ওপৰত সুগমভাৱে থিয় হৈ থাকে।'

**তিনি**

খুব অদ্ভুত মানৰ চৰিত্ৰ। মিছৰীয়সকলৰ ধাৰণা আছিল ফাৰাওবোৰ অমৰ। সময় হ'লে উভতি আহি আকৌ শাসন কাৰ্য পৰিচালনা কৰিব। সেয়ে সিহঁতৰ শৰীৰ অনন্তকাল ধৰি অবিনাশী কৰিবৰ বাবে মামি কৰা হৈছিল। প্ৰাচীন কালত মিছৰীয়সকলৰ বিশ্বাস আছিল শৰীৰ বিনাশ হৈ গ'লে আত্মাৰ বসবাসৰ আৰু ঠাই নাই। আত্মাৰ মন্দিৰত শৰীৰ সেয়েহে শৰীৰ নাই, আত্মাও নাই। আমি যিটো সঁচা বা মিছা বুলি ধৰি লওঁ আচলতে ক'ত তাৰ বসবাস? আমি শ শ বছৰৰ পাছতো ছক্ৰেটিছ, প্লেটো, এৰিষ্টটল পঢ়ো কিয়? তেওঁলোকে মানুহ সম্পৰ্কে যি কৈ গৈছে, শ শ বছৰ পাছতো এই আধুনিক কালতো কিয় প্ৰযোজ্য? ইয়াৰ মূল কাৰণ হৈছে মানুহৰ এনে কিছু নিজস্ব প্ৰবৃত্তি আছে, যিবোৰ শ শ বছৰৰ পাছতো সলনি হোৱা নাই। মানুহৰ প্ৰবৃত্তিয়ে তাৰ চিন্তা-ভাৱনা আৰু কৰ্ম-কাণ্ডক প্ৰভাৱিত কৰে। এই প্ৰবৃত্তিগত কাৰণতে মানুহে ভাল পায়, হিংসা কৰে, হত্যা কৰে, ক্ষমতাৰ বাবে যুদ্ধ কৰে। আচলতে মানুহৰ জীৱনে মানুহক যিদৰে চলাব বিচাৰে, মন সকলো সময়তে সেইপিনে চলিব নিবিচাৰে। দুৰ্বোধ্য কিবা কাৰণত কিম্বা একেবাৰেই অকাৰণতে গুচি যায় ভিন্ন পথত।

**চাৰি**

জ্ঞানবাপী মছজিদক লৈ বাৰানসীৰ জিলা ন্যায়াধীশৰ ৰায় প্ৰকাশৰ লগে লগে হিন্দুত্ববাদীৰ উল্লাস। তাকে দেখি ধাৰণা হৈছে আকৌ এবাৰ ৮০ৰ দশকলৈ উভতি যাব। এনে ধৰণৰ আৰু গোচৰ আৰম্ভ হ'ব। দেশজুৰি নতুনকৈ আৰম্ভ হ'ব অস্থিৰতা।

হিন্দুত্ববাদীৰ পক্ষে অন্যতম গোচৰীয়া চহনলাল আৰ্যই কৈছে ঃ এই ৰায় জ্ঞানবাপী মন্দিৰৰ নতুন ভিত্তিপ্ৰস্তৰ। উত্তৰ প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠকৰ প্ৰতিক্ৰিয়া, 'দেশত আনন্দৰ ঢৌ উঠিছে।' শেষ পৰ্যন্ত কি হ'ব, সেই জল্পনালৈ নগৈ আপাতত স্মৰণ কৰিব পাৰি যে তিনি দশক আগতে বাবৰি মছজিদৰ কবলৰ পৰা ৰাম জনমভূমিক মুক্ত কৰাৰ আন্দোলনৰ সময়ত কঠোৰ হিন্দুত্ববাদীৰ বজ্ৰনিনাদ আছিল 'ইয়ে (অযোধ্যা) তো ঝাঁকি হ্যায়, কাশী মথুৰা বাকী হ্যায়।' হিন্দুত্ববাদীৰ সেই হুংকাৰে বাস্তৱায়িত হোৱাৰ পথত বাৰানসীৰ জিলা আদালতৰ ৰায় প্ৰথম সোপান হয় নে নহয়, সেয়া নিৰ্ধাৰণৰ দায়িত্ব ভাৰতৰ ছুপ্ৰিম ক'ৰ্টৰ। গণতান্ত্ৰিক দেশত আইনৰ শাসনে সদায়েই প্ৰাধান্য লাভ কৰে। আইনৰ চকুত গোচৰ কেতিয়াও অমীমাংসিত নাথাকে। সকলো সময়ত এক পক্ষৰ জয় হয়। আন পক্ষৰ পৰাজয়।

দেশপ্ৰেম আৰু দেশদ্ৰোহৰ সংজ্ঞাৰ নিত্য পৰিৱৰ্তন ঘটিছে। হিজাব, হালাল, আজান, আমিষ বিতৰ্কই সমাজক দ্ৰুত বিভক্ত কৰিছে। বুলড'জাৰৰ ব্যৱহাৰ বা দেশপ্ৰেমৰ গোচৰে একাংশক শংকিত কৰিছে। ক্ৰমশঃ ভীতিগ্ৰস্ত কৰি তুলিছে ভিন্ন স্বৰ তোলা বিৰুদ্ধবাদীক।

**পাঁচ**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ শেষ পৰীক্ষা দিয়াৰ পাছত গোপীনাথ বৰদলৈ ছাত্ৰাবাসৰ পৰা বিদায় লোৱাৰ মুহূৰ্তত ডায়েৰীৰ পাতত লিখিছিলো ঃ 'জীৱনৰ সৰ্বশ্ৰেষ্ঠ সময়খিনি পাৰ কৰিলা। এই মুহূৰ্তৰ পৰা জীৱনৰ সৰ্বশ্ৰেষ্ঠ সময়খিনি অতীতৰ স্মৃতিত পৰিণত হ'ল। এতিয়া যিমানেই চেষ্টা নকৰা কিয়, বিশ্ববিদ্যালয়ৰ সেই বাধা বন্ধনহীন বেহিচাপী স্বপ্নিল উদ্দাম তাৰুণ্যৰ জীৱন আৰু কোনোভাৱেই উভতাই নোপোৱা। এতিয়া যি জীৱনত ভৰি দিবলৈ আগবাঢ়িছা, সেয়া কঠোৰ বাস্তৱতাৰ জীৱন।' ইমানদিনে পাৰ কৰি আহি আছো সেই বাস্তৱতাৰ জীৱন। বিদেশৰ মাটিত পাৰ হৈ গ'ল জীৱনৰ ৪৭টা বছৰ। কিমানদিনেই বা আমি জীয়াই থাকো। তথাপি এইখিনি সময়তে কত সুখ কত দুখে আমাক আচ্ছন্ন কৰি ৰাখে। আমাৰ চৌপাশে নাচি ফুৰে কত গ্লানি, কত আনন্দ। বুকুৰ ভিতৰত হা হা কৰি মৰে কত শূন্যতা। চোৰৰ দৰে ঘূৰি ফুৰে যন্ত্ৰণাৰ ছাঁবোৰ। কেতিয়াবা কেতিয়াবা যি বিচাৰো, সি নাপায় পূৰ্ণতা। তথাপি যে অপূৰ্ণতাতেই ভালপোৱা থাকে লুকাই। থাকে পোৱাৰ এক তীব্ৰ আকাংক্ষা, এই আকাংক্ষাই জীৱন। এই অপূৰ্ণতাই জীৱন। ইমান বছৰৰ মূৰত এই প্ৰথম পৰিয়ালৰ মানুহক লগ পালো বিদেশৰ মাটিত। অতিকৈ আদৰৰ ভাগিন চাকিল ইন্তাজ (ৰিজু) আহিছিল আমাৰ ঘৰলৈ। দুলীয়াজানৰ পৰা আহিছিল কনফাৰেন্স এখনত যোগদান কৰিবলৈ। সি অয়েলৰ ডেপুটী জেনেৰেল মেনেজাৰ। তাক লগ পাই কিমান যে ভাল লাগিল, সেয়া প্ৰকাশ কৰিবলৈ ভাষা নাই। কিমান স্মৃতি উঠলি উঠিল মনৰ মাজত। মানুহৰ মস্তিষ্কত আছে এক হেজাৰ কোটি নিউৰন। প্ৰতিটো নিউৰন তাৰ চিনাপ্স ব্যৱহাৰ কৰি আৰু এহেজাৰ নিউৰনৰ স'তে যোগাযোগ ৰাখে। মানুহৰ মস্তিষ্কই তাৰ এই চিনাপ্টিক যোগাযোগৰ মাধ্যমত স্মৃতিক ধৰি ৰাখে। সুখবোধ অংক কৰি হিচাপ কৰা নাযায়।

> **ইমান বছৰৰ মূৰত এই প্ৰথম পৰিয়ালৰ মানুহক লগ পালো বিদেশৰ মাটিত। অতিকৈ আদৰৰ ভাগিন চাকিল ইন্তাজ আহিছিল আমাৰ ঘৰলৈ। দুলীয়াজানৰ পৰা আহিছিল কনফাৰেন্স এখনত যোগদান কৰিবলৈ। সি অয়েলৰ ডেপুটি জেনেৰেল মেনেজাৰ। তাক লগ পাই কিমান যে ভাল লাগিল, সেয়া প্ৰকাশ কৰিবলৈ ভাষা নাই। কিমান স্মৃতি উঠলি উঠিল মনৰ মাজত**



যোৱাৰ সময়ত সি মোক সাবটি ধৰিলে বুকুৰ মাজত। সেমেকি উঠিল দুয়োৰো চকুযুৰি।

'ভালপোৱাই একোৱেই নিদিয়ে
কেৱল নিজৰ বাহিৰে
ভালপোৱাই একোৱেই নিনিয়ে
কেৱল ভালপোৱাৰ বাহিৰে
ভালপোৱাই একোৱেই নকৰে অধিকাৰ
কৰাও নাযায় তাক অধিকাৰ
কিয়নো, ভালপোৱা সুসম্পন্ন
ভালপোৱাতেই।'

— খলিল জিব্ৰান

**ছয়**

জীৱনত জীয়াই থকাৰ বহু উপায় আছে; কিন্তু সুখী হোৱাৰ পথটোৱে বিচাৰে সকলোৱে। আৰু সেই প্ৰশ্নৰ উত্তৰ বিচাৰি গৱেষণা কৰিছে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ে। ২০ নিযুত ডলাৰ ব্যয় কৰি ৭৫ বছৰ ধৰি চলা এই গৱেষণাৰ ফল এটাই বুলি জানিবলৈ দিছে গৱেষণাৰ প্ৰধান জৰ্জ ভ্যালিয়ান্টে আৰু সেয়া হ'ল ভালপোৱা। ভালপোৱাই সুখ আৰু একো নহয়। টকা, ক্ষমতা কিম্বা জ্ঞান সুখৰ উৎস নহয়। টকা অথবা ক্ষমতাই সুখ আনিব নোৱাৰে। আৰু আপুনি বহু কিছু জানে বাবেই যে আপুনি সুখত থাকিব সেয়াও নহয়।

**সাত**

ব্যৱহৃত হৈছে নিৰ্বোধৰ দল অৰাজক পৰিস্থিতি বিনিৰ্মাণত। দেশত অসংখ্য ছাত্ৰ সংগঠন। অসংখ্য সংখ্যালঘু সংগঠন আৰু সেইবাবেই

হৃদয়ত আমাৰ
সুযোগ কম জমা হোৱাৰ
প্ৰেম-প্ৰীতিৰ মধু ভাণ্ডাৰ।

ফোন ঃ ০০১৪০৩২৭০১৮১৭

---

# পূজা পূজা লাগিছে গাত দেহা-মন পৰিছে শাঁত

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— হেৰি বলক, বজাৰৰ পৰা আহোগৈ।
— তুমি যাবা বজাৰলৈ? কিয়?
— সৰু ল'ৰাৰ দৰে কথা নক'বচোন। মই বজাৰলৈ যোৱাত কিবা বাধা আছে নেকি?
— বাধা থকা বুলি মই কৈছো জানো? আগে-পাছে কোনোদিনেই তুমি বজাৰলৈ নোযোৱা। সেইবাবে হঠাতে আজি বজাৰলৈ যোৱাৰ কথা শুনিহে আচৰিত হৈছো।
— অপ্ৰয়োজনত কোনেও আজি-কালি যে ঘূৰি নুফুৰে সেইটো জানে নে নাই?
— হেৰা, কালি দেখোন শাক-পাচলি, মাছ-কণী, আলু-পিঁয়াজ সকলোবোৰ আনিছোৱেই। আজি আকৌ কি লগা হ'লহে?
— আপোনাৰ লগত সেইটোৱেই মস্কিল। বজাৰ মানে আপুনি কেৱল শাক-পাচলি আৰু মাছৰ বজাৰখনেই চিনি পায়।
— তেনেহ'লে আৰু কিবা বেলেগ বজাৰ আছে নেকি?
— কিয় নাই? কাপোৰৰ বজাৰ নাই নেকি?
— সেইবোৰ হ'ল তোমাৰ কাপোৰৰ দোকান। য'লৈ বছৰত দুই-এবাৰ যোৱা হয়; কিন্তু পাচলিৰ বা মাছৰ বজাৰলৈ প্ৰায় প্ৰতিদিনেই যাবলগীয়া হয়।
— ফাঁচী বজাৰৰ নাম আপুনি শুনিছে নে নাই? তাত কাপোৰ বিক্ৰী হয় বুলি জানে নে নাই?
— কেৱল শুনাই নহয়— গৈছো, চাইছো আৰু কিনিছোও।
— তেনেহ'লে সেইখন কাপোৰৰ বজাৰ নহয় নেকি?
— নহয়। কিয় হ'ব?
— কিয় নহয়? ফাঁচী বজাৰ নামটো এনেয়ে ৰাখিছে নেকি?
— শুনা, যি দেখিছো তুমি দোকান আৰু বজাৰৰ পাৰ্থক্যটোৱেই নাজানা। দোকান হ'ল ব্যৱসায় কৰা স্থায়ী ঘৰ আৰু বজাৰ হ'ল অস্থায়ী ঘৰত মুকলিভাৱে কৰা ব্যৱসায়।
— মোৰ আগত বাহাদুৰি মাৰি সৰ্বজ্ঞ হ'বলৈ নাহিব। বেগতে ওলাওক। কথা পাতি সময় নষ্ট কৰিব নালাগে। ময়ো সাজু হৈ লওঁ।
— ৰ'বাচোন, কাপোৰ যে কিনিব খুজিছা কাৰ কাৰণে? কি কাপোৰ কিনিবা, কেইযোৰ কিনিবা, কিমান টকাৰ প্ৰয়োজন হ'ব সেইটো আগতে কোৱা?
— গৈ চাওঁ দিয়কচোন কি কাপোৰ ভাল লাগে? পছন্দ বা হয় নে নহয় কি ঠিক? পছন্দ নহ'লেতো কিনাৰ প্ৰশ্নই নুঠে।
— বাৰু, তোমাৰ মনোভাৱ বুজি পালো। পছন্দ নহ'লে নিকিনা, পছন্দ হ'লে কেইখন কিনিবা সেইটো কোৱা।
— শুনক, আপোনাৰ ছাৰ্ট-পেণ্ট এযোৰ আৰু আমাৰ বাই-ভনীৰ কাৰণে চাৰিখন শাৰী, হ'লনে?
— হেৰা, যোৱা মাহত আমাৰ বিবাহ বাৰ্ষিকীত আৰু যোৱা সপ্তাহত তোমাৰ ওপজা দিনত দুখন শাৰী লৈছাই দেখোন। এতিয়া আকৌ কিয় লাগে তোমাক কোৱাচোন?
— পূজাৰ বাবে, আপোনাৰ সন্মান বচাবলৈ আৰু মোৰ নাক ঢাকিবলৈ বুজিছে? সকলোৱে সুধিব, বহুতেই চাব বিচাৰিব পূজাত আপুনি মোক দিলে কি? সেইবাবেই আপোনাৰ মান আৰু মোৰ কাণ ৰক্ষা কৰিব খুজিছো।
— নক'বাহে তেনে কথা। মোৰ এইবোৰ জনা আছে। তৰ্ক সদায় মই জ্ঞানীৰ লগতহে কৰো। জিকিব নোৱাৰিলেও অন্ততঃ কিছু কথা শিকিব পাৰো।
— সেইবোৰ এতিয়া এৰক। এটা কথা আজিয়েই কৈ থওঁ আপোনাক। পূজাৰকেইদিন দিনত মোক নিবিচাৰিব। ঘৰত নাথাকো মই। বাই-ভনী আটায়ে মিলি পূজা চাম। আপুনি যি কৰে কৰিব।
— মোৰ কথা চিন্তা কৰিব নালাগে দিয়া। ঘৰতে বহি চণ্ডী স্তোত্ৰ আৰু গান শুনিম। লগতে শাৰদীয় সংখ্যা আলোচনী কেইখন পঢ়িম।
— দিনটো আপুনি যেনেকৈ মন যায় তেনেকৈ থাকিব, যি মন যায় তাকেই খাব। আমিও দুপৰীয়া মন্দিৰতে পূজাৰ ভোগ খাম; কিন্তু সন্ধিয়া আপুনি এটা কাম কৰিব লাগিব।
— কি কাম কোৱাচোন?
— সন্ধিয়া মই ক'ত থাকো আপোনাক ফোন কৰি দিম। আপুনি কিন্তু নোযোৱাকৈ নাথাকিব।
— তোমাক আনিবলৈ যাব লাগিব নেকি?
— নালাগে। যাওঁতে অকলে যাব যদি পাৰো আহোতে অকলে কিয় আহিব নোৱাৰো? ঘৰটো চিনি নাপাম বুলি ভাবিছে নেকি?
— তেনেহ'লে মোক যাবলৈ কিয় কৈছা?
— কি কয়হে আপুনি? সন্ধিয়াৰ পৰা আপোনাৰ লগত পূজা চাম। ৰং-বিৰঙৰ লাইট, ভক্তৰ সমাগমৰ মাজত পূজা চোৱাৰ আনন্দই সুকীয়া। আহোতে ৰেষ্টুৰেণ্টত ৰাতিৰ সাঁজ খাই আহিম।
— দুখ-ভাগৰ বোলা বস্তুটো তোমাৰ একেবাৰে নাই নেকিহে? নিজৰ দেহটোৰ প্ৰতিও অলপ লক্ষ্য ৰাখিবা। দেহা থাকিলেহে বেহা, বুজিছা?
— অন্তৰত ভক্তি থাকিলে দেহত শক্তি পোৱা যায় জাননে? আপোনাৰ দৰে নাস্তিকে এই কথা কেনেকৈনো বুজিব? গিৰীয়েই কেৱল উচ্চ, তিৰী একেবাৰে তুচ্ছ— এনে ধাৰণাহে আপোনালোকৰ।
— আপোনালোকৰ বুলি কৈছা যে! মোৰ লগতে আৰু কাৰ কথা ক'ব খুজিছা তুমি?
— সকলো পুৰুষৰে একেই স্বভাৱ দিয়ক। আপুনিও তাৰ ব্যতিক্ৰম নহয়। নহ'লেনো মই আনন্দ কৰিব ওলালে আপোনাৰ হিংসা লাগেনে?
— হেৰা, সফলতাৰ আনন্দতকৈ সন্তুষ্টিৰ আনন্দ বহু গুণে বেছি; কাৰণ সফলতাৰ অনুমোদন আহে বাহিৰৰ পৰা আৰু সন্তুষ্টিৰ অনুভৱ আহে অন্তৰৰ পৰা।
— এইবোৰ চালে-বেৰে কোবোৱা কথা মোৰ আগত নক'ব বুজিছে? সকলো মানুহৰ দৰে দেখাত মোৰো এখন কপাল আছে; কিন্তু ভাগ্যহে নাই। মই দাবী কৰি নল'লে আপুনি আদৰ-সাদৰ কৰি মোক চাদৰ এখনো যে নিদিয়ে সেইটো খাটাং।
— ভাগ্য নিজৰ হাতত নাথাকে, কিন্তু সিদ্ধান্ত সদায় নিজৰ হাতত থাকে, বুজিছা? ভাগ্যই কেতিয়াও সিদ্ধান্ত দিব নোৱাৰে, কিন্তু নিজৰ সিদ্ধান্তই ভাগ্য আনি দিব পাৰে।
— আপোনাৰ লগত থাকিলে মোৰ যে জীৱনটো সুখেৰে ভৰি পৰিব সেই আশা নকৰাই ভাল। যি দেখিছো অভাৱতেই দিনবোৰ অতিবাহিত কৰিব লাগিব।
— কৰ্মই মানুহক তিনিটা অনিষ্টকাৰী



শক্তিৰ পৰা ৰক্ষা কৰে বুজিছা? সেইকেইটা হ'ল— ক্লান্তি, কু-অভ্যাস আৰু অভাৱ। গতিকে তুমি ধৰ্মৰ প্ৰতি নিচা কমাই কৰ্মৰ প্ৰতি ধাউতি বঢ়োৱা। কৰ্মইহে প্ৰকৃত ধৰ্ম।
— আপোনাৰ দৰে মই বিধৰ্মী নহয় দিয়ক। এনে উপদেশ মোক নিদিব। ধৰ্ম কৰি মই কিমান পূণ্য আৰ্জিছো আপুনি কি বুজিব?
— হেৰা, ধৰ্ম কৰি এই বয়সত তুমি যিমান পূণ্য অৰ্জন কৰা বুলি ভাবিছা, কৰ্ম নকৰিলে সেই পূণ্য যে শূন্য হৈ যাব সেইটো জানা নে নাই?
— হা??

ফোন ঃ ৯১০১৭৭৪৮৬৮

---

# চাইদ্ এফেক্ট্

**প্ৰদীপ পৰাশৰ**

**পূজাটো** অহা বুলি ক'লেই দত্তৰ মূৰটো কিবা গৰম উঠাৰ দৰে হয়। গালত ডাড়ি কাটিবলৈ লগোৱা ক্ৰিমখিনি আকৌ পানীৰে ধুই পেলালে দত্তই। ঘৈণীয়েকে মুখৰ ক্ৰিমখিনি ধুই থকা দত্তৰ ফালে চাই সুধিলে— 'হেৰি ডাড়ি নাকাটিলে দেখোন?'

— ও কাটিব লগা হোৱা নাই।

— পকা ডাড়িসোপা ওলাই আছে দেখোন।

— পকিছে যেতিয়া ওলাবই। সদায় মুখখন চুঁচিমাছি ডেকাৰ ভাও ধৰাৰ কি লাভ? পকাটো পকি থাকিব, সৰাতো সৰি থাকিব আৰু জীৱন চলি চলি গৈ থাকিব।

— ৰাতিপুৱাই আপোনাৰ পৰা ইমান দাৰ্শনিক তত্ত্বৰ কথা শুনাৰ মন নাই। মই আপোনাৰ মবাইলৰ হোৱাটচ্ এপত আমাৰ ঘৰৰ মানুহৰ বাবে পূজা বুলি ল'ব-লগা কাপোৰৰ লিষ্টখন দিছো। লিষ্টখন চাই কিমান মান টকাৰ প্ৰয়োজন হ'ব হিচাপ কৰি মোক দিবহি। টকাখিনি পালে কালিলৈ বজাৰখিনি কৰিব পাৰিম।

দত্তই মনতে ভোৰ-ভোৱালে, 'এৰা পূজাৰ কাপোৰৰ লিষ্টৰ লগত জীৱন দৰ্শনৰ গভীৰ তত্ত্বৰ কি তালমিল থাকিব। মানুহ আচলতে ভোগ বিলাসৰ প্ৰতি লালায়িত এবিধ দুঠেঙীয়া জীৱ। এটা সৰু চাকৰি কৰি পোৱা দৰমহাৰেই ঘৰখনৰ সকলো সমস্যাৰ জোৰা মাৰি চলাই আছো। সংসাৰ পতাৰ পাছৰ পৰা পাৰ হৈ যোৱা জীৱনৰ এটা ঘন্টাও মই কেৱল মোৰ কথা ভাবি পাৰ কৰা নাই। মোৰ মনৰ কথা শুনিবলৈ যেন কাৰো সময় নাই। পৰিয়ালটোৰ কাৰণে মই যেন এটা পইছা ঘটা যন্ত্ৰ। সিহঁতৰ তাগিদা অভাৱ পূৰণ কৰাই মোৰ জীৱনৰ উদ্দেশ্য।'

— হেৰি গা নোধোৱে নেকি? ন বাজিব এতিয়া। বাথৰুমৰ কাষত ৰৈ ৰৈ কিনো ভাবি আছে?' দত্তই ক'লে— 'কিনো ভাবিবা। কিবা বেলেগ কথা ভাবিবলৈ মগজত ঠায়েই নাইচোন। হেৰা এইবাৰ দেৱী কিহত আহিব আৰু কিহত যাবহে?'

— পূজাৰ চিঠিখন চাওঁতে পাইছিলো এইবাৰ দেৱী হাতীত আহিব তাৰ ফল শস্য সুন্দৰ পৃথিৱী আৰু দেৱী বোলে এইবাৰ নাওত যাব তাৰ ফলো শস্যপূৰ্ণা পৃথিৱী বুজিছে।

— আমাৰ কাৰণে একো ভাল নাই। শস্যপূৰ্ণা পৃথিৱী কৰিবলৈ আমাৰ মাটিয়েই নাই। শস্য বৃদ্ধি হ'বলৈ আমাৰ বাৰীখনতচোন বেঙেনা পুলি এটাও নাই। দেৱী হাতীত অহা আৰু নাৱত যোৱাৰ ফলত যদি মোৰ দৰমহা বাঢ়িলহেতেন।

— কিযে কথাবোৰ কয় আপুনি। দেৱী হাতীত অহা আৰু নাৱত যোৱাৰ কাৰণে দৰমহা বাঢ়িব নেকি? — সেইটোৱেইটো বেয়া কথা। শস্যৰে পৃথিৱীখন ভৰিলেই যেনিবা পকেটত পইচা নহ'লে কিনিবা কেনেকৈ। হেৰা, দেৱী কিহত আহিলে বা গ'লে দৰমহা বাঢ়ে সেইটোহে জানিব লাগে। কোনোবা জ্যোতিষীক সুধিবাছোন বাৰু।

— সেইবোৰ কথা জ্যোতিষীক সুধি মই হাঁহিয়াতৰ পাত্ৰ হ'ব নোৱাৰো।

— হ'ব দিয়া মইয়ে সুধিম। বুলি দত্ত গা ধুবলৈ বাথৰুমত সোমাল।

অফিচৰ টেবুলত বহি ঘৰৰ পৰা লৈ যোৱা পানীৰ বটলৰ পৰা পানী অলপ খাই দত্তই ঘৈণীয়েকে হোৱাটচ্ এপট দিয়া বজাৰৰ লিষ্টখন উলিয়াই চাই দীঘলকৈ হুমুনিয়াহ এটা কাঢ়িলে। এইখন লিষ্টৰ মতে বজাৰ কৰিলেচোন মাহটোত লগা গেছ, চাউল, দাইল, আলু-পিঁয়াজ, বিদ্যুতৰ বিল আদিৰ বাবে খৰচ কৰিবলৈ পইচাই নৰয়গৈ। তাতে বেঙ্কৰ পৰা লোৱা ধাৰৰ কিস্তিৰ কথা আছেই। পূজা আহিল বুলিয়েই কাপোৰ-কানিৰ নামত অতবোৰ পইচা খৰচ কৰি পেলালে ঘৰখনত মাহটোত লগা বাকী খৰচবোৰ ক'ৰপৰা মিলাব তেওঁ। ঘৰৰ বাকীবোৰে নুবুজে নাই কিন্তু মানুহজনীয়েতো কমচেকম বুজিব লাগিছিল দত্তক। দত্তই সেইদৰে কথাবোৰ ভাবি থাকোতেই একে অফিচৰে শৰ্মাই আহি দত্তৰ কাষত বহি ক'লে— 'দত্ত, এই পূজাটো আহিলেই মোৰ মূৰৰ আটাইবোৰ তাঁৰ ছিঙি মগজটো বিকল হৈ যাব খোজে। ঘৰৰ মানুহজনী আৰু ল'ৰা-ছোৱালী কিটাই পূজাৰ বজাৰ বুলি যিখনহে লিষ্ট দেখুৱালে, সেইখন দেখি ৰাতিটো মোৰ ভাল টোপনি নহ'ল।

দত্তই ক'লে— কি কৰিব এতিয়া? আমাৰ দৰে সৰু সুৰা চাকৰিয়ালবোৰক পূজাৰ দৰে উৎসৱবোৰে দুখ আৰু টেন্‌চন্ দিবলৈহে আহে। দত্তই কথা কৈ থকাৰ মাজতে শৰ্মাৰ ফোন আহিল। ফোনটো ধৰি শৰ্মাই কৈ গ'ল— অ' কোৱা, কিয় দুযোৰ চোন হিচাপত ধৰিছাই আৰু কিয় লাগে? কি সমবেত সঙ্গীত? পূজাৰ ফাংচনত সমবেত সঙ্গীত গাবলৈ আকৌ এযোৰ বেলেগ কাপোৰ লাগে। হেৰা তুমিচোন জানাই মোৰ দৰমহা? কি কৰা কৰিবা বুলি শৰ্মাই ফোনটো বন্ধ কৰি থৈ মুখমণ্ডলত প্ৰকাশ পোৱা খঙৰ ভাবটো নাইকিয়া কৰিবলৈ যত্ন কৰি অলপ ধেমেলীয়া সুৰত কলে— দত্ত ইয়াকেই কয় বিষয় বিষধৰ। হে'ৰি, বিয়া কৰাবলৈ যোৱাৰ দিনা বুকুত কিমান সপোন লৈ ৰাজকুমাৰৰ দৰে সাজি কাঁচি গৈ কইনা আনি ঘৰ সুমুৱাইছিলো। এতিয়া সেই সপোন ভাগি টুকুৰা টুকুৰ হ'ল। আগতে মানুহজনীক লগ পাবলৈ বলিয়া হৈ থকা মনটো এতিয়া মানুহজনীক দেখিলেই কোছ খায়।

দত্তই ক'লে— মোৰ আকৌ মানুহজনীক আজি-কালি বজাৰৰ লিষ্ট প্ৰিন্ট কৰা মেছিনৰ দৰে লাগে।

শৰ্মাই হাঁহি সামৰিব নোৱাৰি ক'লে— বৰ সাংঘাতিক কথা ক'লে দেই দত্ত, আমি আমাৰ ঘৰৰ মানুহকিজনীৰ ওপৰত কৰা এই মন্তব্যবোৰ শুনিলে আমাক তেওঁলোকে ডিভোৰ্চ দি থৈ যাব।

— এতিয়া আৰু তেওলোকে আমাতকৈ ভাল ৰাজকুমাৰ কতো নাপায়। গতিকে নিশ্চিন্ত থাকক।

— এৰাহে দত্ত, এই দুৰ্গা পূজাটোৱেই যতমানে চব জঞ্জালৰ কাৰণ। স্বামী-স্ত্ৰীৰ মাজত কাজিয়া লগাই সংসাৰ ভাঙিবলৈ অহা দুৰ্গা পূজাই আমাৰ দৰে মানুহবোৰৰ গাত দুৰ্গতি ঢালিবলৈহে আহে..... ।

দত্তই কলে— এইবোৰ পূজাৰ চাইদ্ এফেক্ট্ শৰ্মা।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২ অক্টোবৰ দেওবাৰ, ২০২২ পৃষ্ঠা ৫

# তথাপি তেওঁ ৰাজেশ্বৰ

## মহান শক্তিধৰ বাপুজীৰ জন্মদিনৰ অঞ্জলি!



**১৯৪৭ৰ** মহাত্মা গান্ধীৰ জন্মদিন উপলক্ষে শ্ৰীমতী সৰোজিনী নাইডুৱে তেওঁৰ অনাতাঁৰ ভাষণত অহিংস আন্দোলনৰ প্ৰথম নাগৰিকজনৰ এখন জীৱন্ত ছবি আঁকি দেখুৱাইছিল। তাৰ পৰাই বুজিব পৰা যায় যে গান্ধীজীৰ শক্তিৰ উৎস ক'ত! নাইডুৱে কৈছিল— 'প্ৰথম মহাযুদ্ধৰ প্ৰাৰম্ভণিতে আমি শুনিলো যে দক্ষিণ আফ্ৰিকাৰ পৰা ইংলণ্ডলৈ এজন আচৰিত ধৰণৰ মানুহ আহিব। তেওঁৰ অহাৰ কথালৈ বিশেষ আগ্ৰহ জন্মিল। সেই মানুহজনে বৰ্তমান পৃথিৱীৰ আনকি পুৰণি পৃথিৱীতো অদ্ভুত যেন লগা এটা মতবাদ দাঙি ধৰিছে। তেওঁৰ নাম হ'ল— গান্ধী!

আভিজাত্যহীন লণ্ডনৰ এটা অঞ্চলৰ ঘৰ এটাৰ খটখটীয়েদি মই উঠিলো আৰু খোলা দুৱাৰ এখনৰ মুখত থিয় দিলো। তাত দেখিলো যে মজিয়াত ক'লা কম্বল এখনত মানুহ এজন বহি আছে আৰু কাঠৰ পাত্ৰ এটাৰ পৰা কাঠৰ চামুচৰে কিবা কিবি অলপ খাইছে। কি ভয়ানক সেই দৃশ্য। তেওঁ মূৰটো দাঙি ক'লে— 'অ, আপুনিয়েইনে? মই ক'লো— 'নিশ্চয়, পিছে এই গোটেই দৃশ্যটো মোৰ ভয়ংকৰ যেন লাগিছে।' এনেকৈ দুয়ো হাঁহিলো। আমাৰ বন্ধুত্ব তেতিয়া আৰম্ভ হ'ল। সময়ত সেই বন্ধুত্ব ক্ৰমে বাঢ়িছে। পৃথিৱীয়ে জানিছে যে তেওঁ এজন বিশেষ মানুহ। দক্ষিণ আফ্ৰিকাত জেনেৰেল স্মাৰ্টছৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি তেওঁ নৈতিক জয় লাভ কৰিছে।'

এই গান্ধী কোন? তেওঁ পৃথিৱীত আজি পৰ্যন্ত সৰ্বোচ্চ নৈতিক শক্তিৰ প্ৰতিনিধিত্ব কৰে? যিজনৰ জীৱনত ধন-সম্পত্তি, ৰাজ ক্ষমতা এইবোৰ দূৰতে বিদূৰ আছিল অথচ মানুহৰ ইতিহাসত ৰাজৰাজেশ্বৰ বা জননায়কে গান্ধীজীৰ বাবে জনসাধাৰণৰ সহযোগিতা, সমৰ্থন, মৰম আৰু ভক্তি পাইছে বুলি ক'ব নোৱাৰি!

একালৰ প্ৰখ্যাত গান্ধীবাদী সমাজ সেৱিকা শ্ৰদ্ধেয়া পুষ্পলতা দাসে— এঠাইত লিখিছে— 'বগা মানুহৰ ঠাইত মুগা বৰণীয়া মানুহ বহিলেই দেশ এখনক স্বাধীন দেশ বুলি ক'ব নোৱাৰি যেতিয়ালৈকে দেশখনৰ অৰ্থনৈতিক ভেটিটো টনকিয়াল নহয়।' প্ৰসংগক্ৰমে এইখিনিতে গান্ধীজীৰ প্ৰথম ৰাজনীতিৰ বক্তৃতাটিৰ কথা উল্লেখ কৰিব খুজিছো। কাশী বিশ্ববিদ্যালয়ৰ এখন সভাত তেওঁ প্ৰশ্ন তুলিছিল এনেদৰে— 'কাশীৰ বিশ্বনাথ মন্দিৰ হিন্দুৰ অতি পৱিত্ৰ তীৰ্থস্থান। ইয়াৰ আলিবাট, মন্দিৰৰ ওচৰৰ ঠাইবিলাক ইমান অপৰিষ্কাৰ কিয়? ইংৰাজে ভাৰত ত্যাগ কৰিলেই কাশী পৰিষ্কাৰ হৈ পৰিবনে?' অৰ্থাৎ ব্যক্তিৰ উন্নতিৰ দৰেই কিছুমান গুণৰ বিকাশৰ ওপৰত জাতিৰ উন্নতি নিৰ্ভৰ কৰে। যদি নাগৰিকৰ দায়িত্ববোধ নজন্মে, বাট- ঘাট, ৰেলৰ প্লেটফৰ্ম, পানীকল আদি পৰিষ্কাৰ কৰি ৰাখিবলৈ প্ৰতিজন নাগৰিকে মন নিদিয়ে তেনেহ'লে চৰকাৰ পৰিৱৰ্তন হ'লেও অৱস্থাৰ বিশেষ পৰিৱৰ্তন নহ'ব পাৰে।

কিন্তু দুৰ্ভাগ্য এই যে কেৱল মাত্ৰ এটা শতিকা অতিক্ৰম কৰোতেই ভাৰতবৰ্ষৰ ঠায়ে ঠায়ে, সময়ে সময়ে প্ৰশ্ন উঠিছে বিজ্ঞানৰ চৰম উৎকৰ্ষৰ দিনত গান্ধীজীৰ নীতি আদৰ্শৰ প্ৰাসংগিতা আছেনে? তেওঁ প্ৰচাৰ কৰা খাদী গ্ৰামোদ্যোগ, বুনিয়াদী শিক্ষা, কুটিৰ শিল্প ইত্যাদি অনুষ্ঠানৰ কিবা যাদু আছেনে? নক'লেও হ'ব গান্ধীজীৰ জীৱন কালৰ শেষৰ পিনে এনেধৰণৰ ভিন্ন জনৰ, ভিন্ন প্ৰশ্নৰ সন্মুখীন হৈছিল তেওঁ? তাৎপৰ্যপূৰ্ণ উল্লেখযোগ্য যে ১৯৪৭ৰ ১৫ আগষ্টৰ স্বাধীনতা দিৱসৰ কাৰ্যসূচী একাষৰীয়াকৈ ৰাখি গান্ধীজী দিল্লীৰ পৰা বহু দূৰত নীৰৱে চকুলো টুকি দিন অতিবাহিত কৰিছিল! গান্ধীজীয়ে ভাৰতবৰ্ষখন নতুন ৰূপত, নতুন সাজত সজাই বিশ্বত অভিলেখ স্থাপনৰ পোষকতা কৰিছিল। তেওঁ কৈছিল— 'মই এনে এখন ভাৰতবৰ্ষৰ কাৰণে কাম কৰিম য'ত দুখীয়াতকৈয়ো দুখীয়াজনেও অনুভৱ কৰিব পাৰিব যে এইখন তেওঁৰ দেশ, যিখন দেশ গঢ়ি তোলাত তেওঁলোকৰো মাত আছে, এনে এখন ভাৰতবৰ্ষ য'ত উচ্চ-নীচৰ শ্ৰেণী বিভাগ নাথাকিব, য'ত সকলোৱে মিলিজুলি সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে বসবাস কৰিব। এনে ভাৰতবৰ্ষত অস্পৃশ্যতাৰ নিচিনা অভিশাপৰ আৰু উত্তেজনাকাৰী মাদক দ্ৰব্যৰ ঠাই নাথাকিব আৰু তিৰোতায়ো মুনিহৰ স'তে সমান অধিকাৰ ভোগ কৰিব! এয়ে মোৰ সপোনৰ ভাৰতবৰ্ষ।'

বেদভূমি ভাৰত ভূ-খণ্ডত ঋষি-মুনিসকলে বহু শতিকাৰ পূৰ্বে যি 'চাৰিবস্তু' অৱলম্বনত তপস্যা আৰু সাধনাৰ যোগে ঐতিহ্যমণ্ডিত সভ্যতাৰ সৃষ্টি কৰিছিল, কালক্ৰমত সি ক্ৰমান্বয়ে অধোগামী হৈ আহিল, ভাৰত ভূ-খণ্ড এক বনভূমিত যেন পৰ্যবসিত হ'লহি।

এই 'চাৰিবস্তু' আছিল— উচ্চ মানৰ নৈতিকতা, সত্য, অহিংসা আৰু ত্যাগ। বহু কালৰ পাছত ঊনৈশ শতিকাৰ মাজভাগত এজনা মহাপুৰুষৰ আবিৰ্ভাৱ হৈ সেই 'চাৰিবস্তু' আধাৰত জাতি, বৰ্ণ, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে শতধা বিচ্ছিন্ন সকলো মানুহক একত্ৰিত কৰি ভাৰতীয় জাতি আৰু শতধা বিভাজিত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য আৰু অঞ্চল গোটাই বিশাল ভাৰতবৰ্ষ গঢ়ি তুলিলে। সেইজনেই আছিল মহামানৱ মহাত্মা গান্ধী।

১৮৮৭ত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ভৱনগৰ শ্যামল দাস মহাবিদ্যালয়ত নাম লগায়। কিছুদিন পঢ়ি তেওঁ ১৮ বছৰত বেৰিষ্টাৰী পঢ়িবলৈ বিলাতলৈ যাত্ৰা কৰে। সেয়া আছিল ১৮৮৭ৰ চাৰি ছেপ্টেম্বৰ। ক্ৰমে বেৰিষ্টাৰী পৰীক্ষাত উত্তীৰ্ণ হৈ ১৮৯১ৰ ১০ জুনত বেৰিষ্টাৰী কৰিবলৈ নিয়মমতে অধিকাৰ পালে আৰু ১১জুনত লণ্ডনৰ হাইকোৰ্টৰ তালিকাত বেৰিষ্টাৰীৰ গান্ধীৰ নাম ওলাল। পিছদিনাই গান্ধী ঘৰলৈ ওভতনি যাত্ৰা আৰম্ভ কৰে।

গুজৰাটত বেৰিষ্টাৰী কৰাৰ সুবিধা নথকাত বোম্বাই মহানগৰীলৈ গ'ল। প্ৰথমটো মোকৰ্দমা আদালতত পেচ কৰিবলৈ আদালতত থিয় হওঁতেই তেওঁৰ মূৰ আচন্দ্ৰাই কৰিব ধৰিলে; আন এজনক দায়িত্ব দি ঘৰলৈ উভতি আহি গুজৰাটৰ আদালতত ইটো সিটো কৰি জীৱন ধাৰণ কৰিবলৈ ধৰে।

দিনদিয়েকৰ পাছতে তেওঁক দক্ষিণ আফ্ৰিকাত এটা মোকৰ্দমাত সহায় কৰিবলৈ সু-প্ৰতিষ্ঠিত প্ৰতিষ্ঠানৰ তৰফৰ আবেদন জনোৱাত তেওঁ মান্তি হ'ল; ভাৰতবৰ্ষত দুটা বছৰৰ অভিজ্ঞতা লভা গান্ধী দক্ষিণ আফ্ৰিকাত বেৰিষ্টাৰী কৰিবলৈ ৰাওনা হয়।

এই দক্ষিণ আফ্ৰিকাতে গান্ধীজীয়ে দেখিলে যে ইউৰোপীয়সকলে ভাৰতীয়সকলক 'কুলী' বুলিছিল; মূৰত স্বভাৱজাত অভ্যাসগুণে পাগুৰি মাৰি ডাৰবানৰ আদালতত উপস্থিত হোৱাত বিচাৰকজনে গান্ধীজীক পাগুৰী খুলি থ'বলৈ নিৰ্দেশ দিয়াত অপমানবোধ কৰি আদালত কক্ষ ত্যাগ কৰে। তেওঁ দেখিছিল দক্ষিণ আফ্ৰিকাত ভাৰতীয়সকল 'খোজেপতি অপমানৰ সন্মুখীন হৈছিল; তেওঁলোকে গান্ধীজীকো 'কুলী বেৰিষ্টাৰ' বুলি সম্বোধন কৰিছিল।

প্ৰথম শ্ৰেণীৰ টিকট থকা সত্ত্বেও ৰেলৰ দবাৰ পৰা ইউৰোপীয় ভদ্ৰলোক এজনে পুলিচ লগাই গান্ধীজীক গাড়ীৰ পৰা ঠেলি হেঁচি পেলাই দিছিল। এবাৰ এজন যাত্ৰীয়ে কাণত ধৰি লটিঘটি কৰিছিল; ইউৰোপীয় ভালেমান যাত্ৰী থকা সত্ত্বেও কোনেও মাত এষাৰ মতা নাছিল! সমগ্ৰ আফ্ৰিকাত থকা ভাৰতীয়মূলৰ লোকসকলৰ কল্যাণৰ বাবে আন্দোলন কৰিবলৈ প্ৰস্তুতি চলাই 'নেটাল ভাৰতীয় কংগ্ৰেছ' নামৰ অনুষ্ঠান এটা গঢ়ি তুলিলে। নিজৰ গাঁঠিৰ ধন ভক্ষণ কৰি এই নিপীড়িত জনগণৰ কল্যাণৰ বাবে তেওঁ প্ৰতিজ্ঞাবদ্ধ হৈ সেৱা নিৰ্বাহ কৰি বহু অভিজ্ঞতা অৰ্জন কৰিলে— দক্ষিণ আফ্ৰিকাতে জীৱনৰ ভেটি বান্ধিলে বুলি ক'লে ভুল কোৱা নিশ্চয় নহয়।

### যুগল চন্দ্ৰ দেৱগোস্বামী

এই দক্ষিণ অফ্ৰিকাতে গান্ধীজীয়ে ধৰ্ম বিষয়ক গ্ৰন্থ অধ্যয়ন কৰিবলৈ সুবিধা পায়; খ্ৰীষ্টান বন্ধু কেইজনমানে 'ওল্ডটেষ্টামেণ্ট' পাছত 'নিউ টেষ্টামেন' পুথি পঢ়িবলৈ সুযোগ পালে— দুয়োখন পুথিৰ লগত গীতা শাস্ত্ৰৰ শিক্ষা ৰিজাই চাবলৈ তেওঁ সুবিধা পালে। বিশ্বৰ সকলো ধৰ্মপুথি মূল মন্ত্ৰ যে একেটাই তাক বুজিবলৈ গান্ধীৰ সৰহ সময় নালাগিল। ভাৰতৰ গীতা শাস্ত্ৰখন তেওঁৰ জীৱনৰ অংগ হৈ পৰিল। গীতা সম্পৰ্কে গান্ধীজীয়ে কৈছিল—

'যেতিয়া মোৰ মনত সংশয় ওপজে, যেতিয়াই নিৰাশাই মোক লুণ্ঠন কৰি পেলায় আৰু কোনো আশাৰ ৰেঙণি দেখিবলৈ নোপোৱা হওঁ, তেতিয়াই মই ভগৱদ্গীতাখনৰ আশ্ৰয় লওঁ আৰু তাতে মোক আশা দিব পৰা শ্লোক এটা মই বিচাৰি পাওঁ। শোকত কাতৰ হৈ থকা অৱস্থাতো মোৰ মুখৰ হাঁহি বিৰিঙি উঠে। যিসকলে একাগ্ৰতাৰে গীতাখন অধ্যয়ন কৰে তেওঁলোকে নিতৌ ইয়াৰ দ্বাৰা এটা নতুন আনন্দ আৰু নতুন অৰ্থ লাভ কৰিব পাৰে।' প্ৰসংগক্ৰমে উল্লেখ কৰা ভাল যে ইংৰাজ সাহিত্যিক ৰাস্কিনে লিখা 'আন টু দিচ্ লাষ্ট' গ্ৰন্থখনেও গান্ধীজীক প্ৰভাৱান্বিত কৰিছিল।

ভাৰতৰ স্বাধীনতা যুঁজৰ মহানায়ক হিচাপে ৰাইজে স্বীকৃতি দিয়া গান্ধীজীয়ে নিজৰ বিশ্বাসযোগ্যতা প্ৰমাণ কৰিবলৈ কেইটামান অভূতপূৰ্ব তথ্য আৱিষ্কাৰ কৰিলে সেয়া হ'ল (১) সত্যগ্ৰহ ঃ সত্যক দৃঢ়ভাৱে গ্ৰহণ কৰি শান্তিপূৰ্ণ আৰু অহিংস উপায়েৰে বিপক্ষৰ অন্তৰ জয় কৰাটোৱেই সত্যাগ্ৰহৰ মূল কথা। সত্য আৰু প্ৰেমেই সত্যাগ্ৰহৰ মূল ভেটি।

(২) অনশন ঃ সত্যাগ্ৰহৰ দৰেই এপাত অতি চোকা অস্ত্ৰ। যিকোনো সমস্যা আলোচনা-বিলোচনাৰে যুক্তি তৰ্কৰে সমাধান কৰাত অকৃতকাৰ্য হ'লে, প্ৰতিপক্ষক আগতীয়াকৈ জাননী দি আত্মশুদ্ধিৰ বাবে আহাৰ-পানী নোখোৱাকৈ কৰা ব্ৰতক অনশন আখ্যা দিয়া হয়। গান্ধীজীয়ে একৈশ দিনীয়া অনশনকে পালন কৰি কৰ্তৃপক্ষক জয় কৰিব পাৰিছিল— গান্ধীজীৰ অনশনে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল।

(৩) হৰিজন- গান্ধীজীৰ মতে, মানৱ সেৱাই হ'ল ঈশ্বৰ সেৱা। তেওঁৰ মতে অস্পৃশ্যতা হ'ল ভাৰতবাসীৰ এটা কলংক। এই অস্পৃশ্যতা থকালৈকে স্বৰাজ লাভ অসম্ভৱ? গান্ধীজীয়ে 'হৰিজন' প্ৰত্ৰিকাৰ যোগে এই কু-প্ৰথা ৰদ কৰিবলৈ জনমত গঠন কৰিছিল আৰু সফলকাম হৈছিল।

এই বিশাল ব্যক্তিত্ব সম্পন্ন লোক এজনৰ জীৱন গাথা কেইখনমান পাতত বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি; সেয়ে আমি তেওঁৰ জীৱনক অন্তিম ক্ষণৰ কাহিনীহে তলত উল্লেখ কৰিম।

সেয়া আছিল ১৯৪৮ৰ ৩০ জানুৱাৰী। এই দিনটো বিশ্ব ইতিহাসত ঘোৰ অমানিশা হিচাপে লিপিবদ্ধ হৈ ৰ'ব। সেই দিনা নতুন দিল্লীৰ বিৰলা ভৱনত পাছবেলা গৃহমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলৰ লগত জৰুৰী বিষয়ৰ আলোচনা আছিল। সেই বাবে প্ৰাৰ্থনা সভালৈ যাবলৈ পলম হৈছিল। গান্ধীজীৰ দুজনী নাতিনী আভা আৰু মনু, তেওঁলোকেই গান্ধীজীক সময়বোৰৰ কথা কৈ আহিছিল, কঁকালত ঘড়ী এটা বান্ধি ৰখা সত্ত্বেও সেইদিনা গান্ধীজী একাগ্ৰভাৱে পাটিলৰ লগত কথা পাতি আছিল, এপাকত আভাই তেওঁক ঘড়ীটো চাবলৈ ইংগিত দিয়াত তেওঁ থতমত খাই ওলাই আহিল। হাঁহি ধেমালিৰেই তেওঁ আহি প্ৰাৰ্থনা সভা পালেহি। সেইদিনা তেওঁৰ ১০ মিনিট পলম হৈছিল। সেয়ে কৈছিল 'মই পলম কৰিবলৈ ঘীণ কৰো।' মই ঠিক পাঁচ বজাত আহিব লাগে?' প্ৰাৰ্থনা ভৱন পায়ে আভা আৰু মনুৰ কান্ধৰ পৰা তেওঁ হাত দুখন এৰি সমবেত জনাই হাতযোৰ কৰি প্ৰণাম জনালে। এনেতে ডেকা ল'ৰা এটাই আগুৱাই আহি সেৱা এটি কৰি গান্ধীজীলৈ ছটা গুলি থকা পিষ্টলেৰে তিনিজাঁই গুলি মাৰিলে 'হে ৰাম' বুলি গান্ধীজী মাটিত বাগৰি পৰিল। বুকুৰ ৰক্তেৰে মাতৃ পূজাৰ বেদীত আহুতি দি বাপুজীৰ পৱিত্ৰ আত্মা চিৰশান্তি ধামলৈ গতি কৰিলে; গোটেই বিশ্ব স্তম্ভিত হ'ল!!

এই বাতৰি জানিব পাৰি কালজয়ী বৈজ্ঞানিক আইনষ্টাইনে লিখিলে— 'হয়তো হ'ব পাৰে যে ভৱিষ্যৎ পুৰুষে বৰ টানেৰেহে বিশ্বাস কৰিব এনেধৰণৰ তেজ মঙহৰ এজন মানুহ যে এই পৃথিৱীতে বিচৰণ কৰি ফুৰিছিল।' বাৰ্ণাৰ্ড শ্বই জগতবাসীক চিঞৰি কৈছিল যে 'ইমান ভাল হোৱা যে কিমান বিপজ্জনক। (How dangerons it is to be so good.')

**জয়তু গান্ধীজী!!**

**গ্ৰন্থ অধ্যায়ন ঃ**

১) জিজ্ঞাসাবাদ-বিজয় চন্দ্ৰ ভাগৱতী
(২) সন্ধীতীৰ্থ- প্ৰবোধ চন্দ্ৰ কটকী

ফোন ঃ ৯৪০১০৪২৪৩৫

# দেৱীৰ ৰঙৰ প্ৰলেপ

**পূজা** বুলি ক'লে আমি সাধাৰণতে ৰাজহুৱাভাৱে জড়িত হৈ পৰা সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, শ্ৰীগণেশ পূজা আৰু শ্ৰীশ্ৰীদুৰ্গা পূজাৰ কথাই মনলৈ আহে। লক্ষ্মী পূজা ভাগ ঘৰে ঘৰে পাতে বাবে সি ঘৰুৱা হৈ পৰে। সত্যনাৰায়ণ পূজাও তেনে এবিধে পূজা হ'লেও শুনা মতে সত্যনাৰায়ণ পূজাৰ নাম শুনিলেই অংশগ্ৰহণ কৰিব লাগে। কোনো নিমন্ত্ৰণৰ প্ৰয়োজন নাই।

মই আটাইকেইভাগ পূজাৰ লগত জড়িতৰ কাৰণটো হ'ল আমাৰ ঘৰৰ চৌহদতে আমাৰ ধানকলটো। পাছফালে শেষ সীমাতেই ইটা ভাটাটো। ঘৰৰ সীমাৰ কাষতে বাঙালী সম্প্ৰদায়ৰ পৰিয়ালৰ ঘৰ। তদুপৰি আমাৰ চিনেমা হলটোৰ কথা আছেই। আমাৰ দেউতাৰ (ডাঃ আব্দুৰ ৰছিদ) ফাৰ্মাচীৰ কাষতে ব্যৱসায়ীসকলৰ ব্যৱসায়থলী। গতিকে গণেশ পূজাৰ আৰাধনা তাতেই কৰে।

আমি পঢ়াশালিত পঢ়ি থাকোতে সৰস্বতী পূজা বুলি ক'লেই গাত তৎ নোহোৱা হয়। প্ৰথমে চাফাই কামত লাগো। চকী-মেজ, বেঞ্চ-ডেস্ক, ব'ৰ্ড, দুৱাৰ-খিৰিকী পৰিষ্কাৰ কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ জিৰণি কোঠা পৰিষ্কাৰ কৰিবলৈ আৰম্ভ কৰো। গোসাঁনী থাপনাত প্ৰতিষ্ঠা কৰিবলৈ লৈ পূজা ভাগৰ কথা চিন্তা কৰো। লুচি-পুৰি, আলুড'ম, দাইল, খিচিৰি ৰন্ধা-বঢ়ালৈকে আমি ছাত্ৰীসকলে দায়িত্ব লওঁ। খৰিৰ জুই, ক'লা এঙাৰৰ চেকা গালে-মুখে সানি চাদৰৰ আঁচলত ঘাম মচি সৰস্বতী পূজা ভাগত আগভাগ লোৱাৰ যি আনন্দ আছিল সেয়া আজিও মনত পৰে।

আমাৰ ঘৰৰ চৌহদত বিশ্বকৰ্মা পূজা পাতে ধানকলৰ কৰ্মচাৰীসকলে। বিশ্বকৰ্মা দেৱতাজনক থাপনাত প্ৰতিষ্ঠিত কৰিয়েই নামাজ পঢ়ি তচবী লৈ বহি থকাৰ আইতাক কয়হি--

ঃ আহক আইতা, আমি কি আয়োজন কৰিছো চাওকহি।

এয়াই আছিল তাহানিৰ পূজাৰ সমন্বয়। আমাৰ ঘৰৰ পাছফালে সীমাৰ শেষত ইটাৰ ভাটাটোতো পূজা পতা হয় গণেশ পূজা। আমি বৰ আনন্দৰে এই আটাইকেইবিধ পূজা উপভোগ কৰো। তেতিয়াই মন মনতে ভাবিছিলো-- দুৰ্গা দেৱীৰ দুগৰাকী কন্যা লক্ষ্মী আৰু সৰস্বতী, দুজন পুত্ৰ গণেশ আৰু কাৰ্তিক। কাৰ্তিক দেখাত বৰ ধুনীয়া। কিন্তু কাৰ্তিকৰ পূজা নহয় কেলৈ? খনিকৰে এই কাৰ্তিকজনাক সাজোতে বৰ ধুনীয়াকৈ সাজিলেহেঁতেন। তেতিয়া মই মনে মনে ভাবিছিলো, এই খনিকৰসকলে ইমান দেৱ-দেৱতাৰ মূৰ্তি সাজে, তেওঁলোকে দেৱ-দেৱতাক দেখিছে নেকি বাৰু? নেদেখাকৈ তেওঁলোকে কেনেকৈ বাৰু ইমান ধুনীয়াকৈ তেওঁলোকৰ মূৰ্তি সাজে। আজিও মই এই কথাকেই ভবো। এইসকল খনিকৰ, খনিকৰ হৈয়েই থাকিল। কিন্তু তেওঁলোকক কোনোদিনে ক'তো কোনেও পুৰস্কৃত নকৰিলে।

তেতিয়াৰ দিনত আমাৰ নাজিৰাত মূৰ্তি সজা এজনেই খনিকৰ আছিল। আমি আটায়ে তেওঁক ৰাসালদা বুলিয়েই মাতিছিলো। ৰাসালদাই মূৰ্তি সাজে। সৰু সৰু পুতলা সাজিও আমাক দিছিল। মই ৰাসালদাৰ পৰা মূৰ্তি সজা নিয়ম-নীতিবোৰ শিকি লৈছিলো। এসময়ত ময়ো পুতলা সাজিছিলো। খেলাৰ পুতলা। ৰাসালদাই দুৰ্গা পূজাৰ মূৰ্তি সাজিলে মই আগুণিৰ পৰা শেষলৈকে চাইছিলো। বাঁহৰ স'তে জুমুঠি মেৰিয়াই গাত মাটি সানি শুকাবলৈ দি দিখৌ নদীৰ আলতীয়া মাটি আনি তাৰ ওপৰত লেপি দিছিল। তাৰ পাছত কাপোৰেৰে মচি মচি গোসাঁনীৰ গাটো নিমজ কৰি পেলাইছিল। তাৰ পাছত ৰঙেৰে বোলাইছিল।

দুৰ্গা পূজাৰ প্ৰতিমাগৰাকী ৰাসালদাই দুৰ্গা পূজাৰ মণ্ডপৰ পাছফালেই সাজিবলৈ আৰম্ভ কৰিছিল।



ইমান ধুনীয়াকৈ গোসাঁনীক সাজি যোৱাৰ লগতে লক্ষ্মী, সৰস্বতী, গণেশ, কাৰ্তিককো সাজিছিল। অসুৰক সাজোতে মই আচৰিত হৈছিলো। দেৱী সজা হাতেৰে অসুৰকো সাজিব পাৰেনে?

লাহে লাহে মই সকলো বুজা হৈ উঠিছিলো। এবাৰ একো নুবুজি ৰাসালদাক কৈছিলো-- 'তুমি ইমান সুন্দৰকৈ লক্ষ্মী-সৰস্বতী-দুৰ্গা দেৱীক সাজিছা, পাটৰ শাৰী পিন্ধাইছা, মেখেলা-চাদৰ নিপিন্ধোৱা কিয়?'

### এলি আহমেদ

ৰাসালদাই মোৰ কথাত হাঁহি এটা মাৰি মোৰ সোঁহাতত দেৱীৰ গাত লগাই থকা ৰং অকণমান লগাই দিছিল, মই এক অভিনৱ তৃপ্তি অনুভৱ কৰিছিলো। মই তেতিয়া কথাষাৰ বুজা নাছিলো। আজি সেয়াই মোৰ বাবে আশীৰ্বাদ হৈ ৰ'ল। আজি সেইবাবেই শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ গাৰ পৰশ মই মোৰ হাতত অনুভৱ কৰো। মই মোৰ সোঁহাতখন অতি শ্ৰদ্ধাৰে ৰাখিব বিচাৰো।

এতিয়া যুগ বদলি হ'ল। বহু সঁচা-মিছা কথাৰ মাজেৰে আহি আহি আমি অনুভৱত সোমাই পৰিছো। এসময়ৰ শ্ৰীশ্ৰীদুৰ্গা পূজা ভাগ আজি দুৰ্গোৎসৱ হ'ল। পূজাত ধৰ্মীয় ভাব-চিন্তা থাকে। উৎসৱত থাকে আনন্দ। পূজা ভাগে সদায় ধৰ্মীয় নিয়ম-নীতি বিচাৰে। আমিও সেই নিয়ম-নীতি পালন কৰি শ্ৰীশ্ৰীদুৰ্গা দেৱীক সন্তুষ্ট কৰিব লাগে। এয়া আমাৰ অনুভৱ হ'ব লাগে।

সৃষ্টিকৰ্তাজনক যিকোনো পদ্ধতিৰে প্ৰাৰ্থনা কৰা হয়। সেয়া সকলোৱে নিজৰ নিজৰ কথা। কিন্তু প্ৰাৰ্থনাত ভক্তিভাব থকাটো বাঞ্ছনীয়। এই কথা আমি সৰুৰে পৰা শিকি আহিছিলো। সেইবোৰ আমি শ্ৰীশ্ৰীদুৰ্গা পূজাভাগত আনন্দ লভিছিলো, নতুন নতুন কাপোৰ পিন্ধিছিলো, পূজালৈ গৈছিলো। আমাৰ কোনো কথাতে দুখ-বেজাৰ নাছিল, তেতিয়াৰ আমাৰ সমাজখনক বিভিন্ন প্ৰদূষণে প্ৰদূষিত কৰা নাছিল। দেশ আৰু সমাজত ইমান অপায়-অমংগলো হোৱা নাছিল।

নাজিৰা পূজা মণ্ডপৰ কাষেদিয়েই দিখৌ নদীখন বৈ গৈছে। এই দিখৌ নদীতেই শ্ৰীশ্ৰীদুৰ্গা দেৱীক বিসৰ্জন দিয়া হয়। আমি দেৱীক বিসৰ্জন দিয়াৰ কিছু আগৰে পৰা ঠাই দখল কৰি শিলে শিলে বহি পৰিছিলো। দেৱী বিসৰ্জনৰ সময়ত সকলোৱে চকুত চকুলো বৈ পৰিছিল। পানীত উটি যোৱা দেৱীৰ আ-অলংকাৰবোৰ মোৰ কণমানি মনটোৱে থাপমাৰি ধৰিব খুজিছিল।

সেই মন তেতিয়াতে শেষ। এতিয়াও মই কোনো আ-অলংকাৰ নিপিন্ধো। দশভুজা দুৰ্গা দেৱীৰ হাতৰ কৰ্মই সদায়ে উদগনি দি থাকে।

ফোন ঃ ৯৪৩৫১০৪৮৮৪

# দুৰ্গা দেৱীৰ বিসৰ্জন

**দুৰ্গা** পূজাৰ আনন্দই সুকীয়া। শৰতৰ আগমনৰ লগে লগে সকলোৱে মনটো পুলকিত হয় দুৰ্গা পূজাৰ আনন্দ ল'বলৈ। গ্ৰীষ্ম প্ৰবাহ হ্ৰাস পোৱাৰ সমান্তৰালভাৱে লাহে লাহে ঈষৎ ঠাণ্ডা অনুভৱ হ'বলৈ ধৰে। তদুপৰি আকাশত চপৰাচপৰে মেঘে খেলিবলৈ ধৰা দৃশ্যই সকলোকে আকৰ্ষিত কৰে। দুৱৰিৰ ওপৰত নিয়ৰৰ সৰু সৰু কণাবোৰে বতৰ ঠাণ্ডা হোৱাৰেই দিয়ে ইংগিত। শেৱালীৰ সুবাসে সকলোৱে মন-প্ৰাণ পুলকিত কৰে। ষষ্ঠীৰ দেৱীৰ অধিবাসৰ পাছত চাৰিদিন ভক্তপ্ৰাণ ৰাইজৰ মনত নোহোৱা হয় আনন্দৰ পাৰ। দশমীৰ দিনা সকলোৱে মন সেমেকি উঠে। কাৰণ এই দিনটোতেই দেৱীক বিসৰ্জন দিবলগীয়া হয়। মৰ্তলৈ অহা দেৱীৰ গমনে ভক্তক আনন্দিত কৰে আৰু যোৱাৰ দিনা চকুলো হয় চলচলীয়া।



দেৱীৰ বিসৰ্জনতো আছে আনন্দ। কাৰণ এই দিনটোত যি ঠাইত বিসৰ্জন দিয়া হয় তাত অন্য এক পৰিৱেশৰ সৃষ্টি হোৱা দেখা যায়। দেৱীৰ বিসৰ্জন প্ৰত্যক্ষ কৰিবলৈ সেই স্থানত সমবেত হয় হেজাৰ হেজাৰ লোক। সাধাৰণতে প্ৰতিটো অঞ্চলতে থকা নৈত এনে ধৰণৰ বিসৰ্জনৰ ব্যৱস্থা কৰা হয়। কাৰণ দেৱী মূৰ্তিসমূহ পুখুৰী আদিত বিদায় দিয়াটো অসম্ভৱ। নদীত বোৱতী পানীত মূৰ্তিসমূহ সহজেই উটি যায়। সাধাৰণতে এনে স্থানত কেইবাদিনো আগৰে পৰাই প্ৰস্তুতি চলোৱা হয়। নিৰ্দিষ্ট স্থানত যাতে কোনোধৰণৰ অঘটন সংঘটিত হ'ব নোৱাৰে তাৰ বাবেই ব্যৱস্থা গ্ৰহণ কৰে আয়োজক সমিতিয়ে। কিছুমানত আকৌ দেৱীক নদীত বিসৰ্জন দিয়াৰ বাবে বিশেষ মঞ্চ তৈয়াৰ কৰা হয়। অসমৰ বিভিন্ন ঠাইত এই বিশেষ দিনটোৰ বাবে যি ধৰণৰ উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয় সেয়া সকলোৱে বাবে চৰ্চাৰ বিষয়। নামনি অসমৰ বিভিন্ন ঠাইত দেৱীৰ বিসৰ্জনক 'ভাচেনি' বুলি কয়। বিশেষকৈ অবিভক্ত কামৰূপত এই শব্দটো অধিক জনপ্ৰিয়। ভাচেনি মানেই হেজাৰ হেজাৰ লোকৰ সমাগম। এই শব্দটো কিয় ব্যৱহাৰ কৰি আহিছে সেই বিষয়ে কিন্তু বিশেষ তথ্য পোৱা নাযায়। পৰম্পৰাগত ভাবে সকলোৱে এই শব্দটো ব্যৱহাৰ কৰি আহিছে। ভাচেনিৰ দিনাখন অঞ্চলটোৰ ৰাইজৰ তৎপৰতাৰ অন্ত নাই। সকলোৱে পুৱাৰে পৰাই ব্যস্ত হৈ পৰে। দশমীৰ পূজাত সেৱা জনাই বহুতেই পূজাস্থলীৰ পৰাই বিসৰ্জন দিয়া ঘাটলৈ যায়। সুবিধাজনক ঠাইৰ পৰা বিসৰ্জনৰ দৃশ্য উপভোগ কৰিবলৈ তিনি-চাৰি ঘণ্টা আগৰে পৰাই উক্ত স্থানত উপস্থিত হয়। প্ৰায়ভাগ গাঁৱৰ পৰা অথবা চুবুৰীৰ লোকসকলে জুম বা দল বান্ধি যোৱা দৃশ্যটো অতিকৈ আকৰ্ষণীয়। দূৰ-দূৰণিৰ পৰা ভক্তপ্ৰাণ ৰাইজে জুম বান্ধি আহে আৰু বিভিন্ন ধৰণৰ ভক্তিমূলক গীত পৰিৱেশন কৰে।

### গোপাল জালান

এই ভাচেনিত পুৰুষ-মহিলা সকলোৱে অংশগ্ৰহণ কৰে যদিও সাধাৰণতে পুৰুষসকলেই দেৱীক কান্ধত তুলি নিয়ে। কিছুমান ঠাইত সংকীৰ্তন গায়। আনহাতে, ঠায়ে ঠায়ে আতচবাজি আদিও প্ৰদৰ্শন কৰে। ওচৰা-ওচৰি ঠাইবোৰত আতচবাজিৰো অঘোষিত প্ৰতিযোগিতা হোৱা দেখা যায়। বহুতে বিসৰ্জন স্থলীত এক ধৰণৰ আতচবাজিৰ প্ৰদৰ্শন কৰে। ঠায়ে ঠায়ে ফাকু, ৰং আদিও খেলে। সকলোৱে আনন্দত মতলীয়া হৈ পৰে। আজি-কালি দশমী পূজাৰ দিনাখন কিছুমান ঠাইত সেন্দুৰ খেলাও দেখা যায়। অৱশ্যে এটা কথা ঠিক যে সেন্দুৰ খেলা নিয়মটো আগতে অসমত নাছিল। বহুতে দেখাক দেখিহে কৰে।

আগতে উল্লেখ কৰিছোঁ যে ভাচেনি শব্দটো লিখিত নহয়। ঠায়ে ঠায়ে চলি থকা এক শব্দহে। নামনি আসমত ব্যৱহাৰ কৰা হয় এই শব্দটো। যি ঠাইত গোঁসানী বা দেৱী দুৰ্গাক বিসৰ্জন দিয়া হয় তাত বহুতে বোকা খেলে। দেৱীক বিসৰ্জন দিয়াৰ পাছত নদীৰ বুকুৰ পৰাই পাৰত থকা দৰ্শকলৈ বোকা দলিয়াই আনন্দ প্ৰকাশ কৰে। কিছু বছৰ আগলৈকে ভাচেনিৰ দিনাখন যি ধৰণৰ পৰিৱেশৰ সৃষ্টি হৈছিল সেয়া এতিয়া পিছে দেখা নাযায়। তদুপৰি আগতে যিবোৰ ঠাইত দেৱী বিসৰ্জন দিয়া হৈছিল সেইবোৰৰ বেছিভাগেই খহনীয়াৰ কৱলত পৰিছে। আনকি কিছুমান ঠাইত ইয়াৰ চিন-মোকামেই নোহোৱা হৈছে। কিছুমান ঠাইত আকৌ ওচৰে-পাজৰে বাণিজ্যক কেন্দ্ৰ স্থাপন হোৱা বাবে আগৰ সেই সৌন্দৰ্য ম্লান পাবলৈ ধৰিছে। কিছুমান ঠাইত আকৌ ওলোৱা-সোমোৱা ঠাইৰ অভাৱ।

অৰ্থাৎ দুয়ো ফালে বসতি স্থাপন হোৱা বাবে অহা-যোৱা কৰা পথ ঠেক হৈ পৰিছে। ভাচেনিত এতিয়া কম মানুহ হোৱাৰ আন এক কাৰণ হৈছে আগতে দেৱী প্ৰতিমা আছিল মাটিৰে নিৰ্মিত। এতিয়া প্ৰায়বোৰ ঠাইত মাৰ্বল, পাহুৰৰ নহ'লে কংক্ৰিট দেৱী নিৰ্মাণ কৰে। ফলত স্থায়ী প্ৰতিমা বিসৰ্জন নিদিয়া বাবে বিসৰ্জনস্থলীত প্ৰতিমাৰ সংখ্যা হ্ৰাস পইছে। তদুপৰি নৱ প্ৰজন্মই এতিয়া ম'বাইল ফোন আদিত দিনে-নিশাই ব্যসস্ত থকাৰ ফলত এনে উৎসৱৰ প্ৰতি আকৰ্ষণ হ্ৰাস পাইছে।

তথাপি দুৰ্গা পূজা বুলি ক'লেই সকলোৱে চকুত যিখন ছবি ভাহি উঠে তাত বিসৰ্জন বা 'ভাচেনি'ও স্থান লাভ কৰে। আমি আধুনিক যুগৰ নাগৰিক হ'লেও পৰম্পৰাক বিসৰ্জন দিয়াটো অনুচিত। উৎসৱ-পাৰ্বন আদিত লভা কৰা আনন্দৰ মাজেদিয়ে জীৱনৰ গতিপথত আগুৱাই যাব লাগিব।

ফোন ঃ ৭০০২০৫৪৫৪৩

# শৰৎ গাথা

### ড° যতীন্দ্ৰ কুমাৰ চৌধাৰী

(১)
শুভ্ৰ সুকোমল শেৱালি ফুলিছে
কোন অভাগিনীৰ
কাতৰ বিননি ভাঁহি আহিছে

(২)
দূবৰিৰ দলিচাত নিয়ৰৰ মুকুতা
জিলিকিছে নে নৌ
অঘৰীৰ পেটত জ্বলিছে ক্ষুধা

(৩)
আজি আহিনৰ প্ৰথম কুঁৱলী পৰিছে
বহু প্ৰতিশ্ৰুতিও
পাহৰণিত বিলীন হৈছে

(৪)
নিশাৰ আকাশত তৰাৰ দীপাৱলী
বিপন্ন ধৰাত ঘুমটি

# স্বাভিমান

### ড° পূৰ্ণ ভট্টাচাৰ্য

এদিন তয়েই শিকাইছিলি আই
সকলোৱে স্বাভিমান থাকে, আনকি ভোকৰো।

লাগিলে আমাক ভোকতে ৰাখিছিল
তথাপি হেলনীয়া হ'ব নিদিছিলি জীৱনৰ খোজ,
পিতাইৰ কপাহী কামিজটোৰ ফাহি যোৱা পিঠিখনৰ
কলিজাৰ কান্দোনৰ স্বাভিমান মইও শুনিছিলো

তইতো জানই আই
আমাৰ পিতা এগৰাকী সফল অভিনেতাও আছিল।
তোৰ কথাবোৰ এতিয়া আমিও বুজিছো আই
স্বাভিমান বৈঠকখানাৰ সজাই থোৱা ফুল নহয়
বনৰীয়া ফুলৰো থাকে স্বাভিমানী হাবিয়াস
দিনৰ ধূলি, ৰাতিৰ নিয়ৰে তিতায়।

যুদ্ধয়ো কেতিয়াবা আখৰা পাতে স্বাভিমানৰ
ক্ষমতাৰ গৰাকীয়ে নুবুজে যুদ্ধ মৰিশালিহে, চেৰাশালি নহয়,

ধনে কাহানিও কিনিব পৰা নাই সেই গৌৰৱ
বেংকৰ লকাৰত আপদ থাকে, স্বাভিমানী ঐশ্বৰ্য নাথাকে।

আচলতে কথাটো কি জান আই
স্বাভিমান দেহত নিজিলিকে, সুবৰ্ণ আত্মাত জিলিকে,
ফাইভ ষ্টাৰ হোটেলৰ বিলাসী খাদ্যতে স্বাভিমান নাথাকে
কণ-বিলাহী আৰু মাটি-কাঁদুৰীৰ ব্যঞ্জনতো থাকে।

সৰু ল'ৰাৰ দৰে কথাবোৰ
নিজে পাতিছোঁ, নিজে ভাঙিছোঁ
সকলোৱে স্বাভিমান থাকে আই
কেৱল হিংসাৰ নাথাকে,
হিংসা মৰা গছৰ গুটি
তাত নাথাকে জীৱন তেজাল কৰা প্ৰাণৰ সুঁতি।

# চাকৈ-চকোৱা

### জুৰি গোস্বামী শৰ্মা

বিৰহত আতুৰ হৈ বিনাই
চাকৈ-চকোৱা এহাল
জন্মান্তৰৰ অভিশাপৰ ফলত
বিলাপ কৰি বিনাই নিশা
বুকুতে সাৰটি বুকুৰ ব্যথা,
কিনো ভুল ক'ত হ'ল
কিহৰ তাড়নাত দুটি কায় ভিন হ'ল?
আকুল পখীৰ পৰাণ
এটি নদী পাৰ দুটি
তথাপি দেখোন নাপাওঁ ঢুকি
প্ৰাণৰ লগৰীক মোৰ,
অপেক্ষা যেন অনন্ত সময়ৰ
সময়ো দেখোন স্থবিৰ
টিমিক-টামাক এগছি বন্তি
জ্বলি জ্বলি যেন নুমাই আকৌ
তথাপি পখী ক্ষণ গণে
উদিত সূৰুযৰ শুভাগমনলে
অন্ত হ'লে দুখৰ ৰাতি



আহিব আকৌ সুখৰ প্ৰভাতটি
লগ হ'ম দুটি প্ৰাণৰ লগৰী
ওভতাই পাম আকৌ সুখৰ হাঁহি,
তথাপি যেন সময় বৰ কঠিন
প্ৰাণৰ আস্ফালন নহয় সহনশীল।

# দিখৌৰ পাৰত সিদিনা

### দীনেশ ডেকা

দিখৌৰ পাৰৰ বিষণ্ণ গধূলি
ক'ত হেৰাল নীড়মুখী চৰাইৰ
কিচিৰ-মিচিৰ মাত
বেলিপৰা ৰ'দৰ কিৰণ!
কেৱল অভেদ্য আন্ধাৰ
আন্ধাৰত টেটুলৈ ডুব যোৱা
শিৱদৌলৰ চূড়া
বৰ পুখুৰীৰ মাছৰ উশাহ
এই প্ৰাচীন নগৰীৰ



বাঢ়ি থকা দুখৰ ছায়াত
ক'ত আছা তুমি
ক'ত আছো মই!
তুলি ধৰা তোমাৰ হাতে
মোৰ চেঁচা হাত
প্ৰেমহীন দুঃস্বপ্নৰ ছায়াপথ এৰি
ক্ষন্তেক জিৰাও আহা
দিখৌৰ পাৰৰ শিমলুৰ ছাঁত।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২ অক্টোবৰ ২০২২ দেওবাৰ পৃষ্ঠা ৭

বিদ্যুতৰ মাচুল, বিভিন্ন সামগ্ৰীৰ বৰ্ধিত মূল্যৰ সমান্তৰালকৈ গোমা বতৰেও ৰাজ্যবাসীক শাৰদীয় দুৰ্গা পূজাৰ সময়ত কিছু পৰিমাণে চাপত ৰাখিছে। তেনে পৰিস্থিতিতো বিভিন্নজনে নিজৰ শাৰদীয় অনুভৱ ব্যক্ত কৰিলে। এইসমূহ বিষয়ক লৈ আজিৰ এই প্ৰতিবেদন। *শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত— হেমেন কুমাৰ দাস, অৰূপ কলিতা আৰু আব্দুল মজিদ।*

# চাপৰ মাজত শাৰদীয় অনুভৱ

## শৰতৰ ভাল লগাবোৰ উপভোগ কৰক

■ কৰবী ডেকা হাজৰিকা



আমি দিনে দিনে ইমান সংকট আৰু সমস্যাৰ মাজত আছো, আমি ইমান আন্দোলনৰ মাজত আছো, দিনে দিনে বেয়া বেয়া খবৰ-বাতৰিবোৰৰ মাজত আছো, গতিকে যদিও শৰৎ কালত আমি প্ৰকৃতিৰ শুভেচ্ছা পাইছো তাৰ লগতে আমি সোৱণশিৰিৰ তাণ্ডৱো দেখিছো। মই ভাবিছো প্ৰকৃতিয়ে আমাক কিবাকৈ সকীয়াই দিছে যে আমি কিছুমান ওপৰুৱা ধামখুমীয়াত পৰি জীৱনৰ শান্তি বিঘ্নিত কৰিছো বা আমাৰ শান্তি বিঘ্নিত হৈছে।

**আমাৰ** সৰুকালৰ পূজাৰ অনুভৱ এই বয়সত নথকাটোৱেই স্বাভাৱিক। গতিকে পূজা বুলি মোৰ আজিকালি বিশেষ উলাহ নাথাকে। কিন্তু আমাক প্ৰকৃতিয়ে নিজে জনাই দিয়ে যে পূজাৰ বতৰ আহিল। এই প্ৰচণ্ড গৰমৰ মাজতো কিছুদিন আগতে দেখিছিলো নদীৰ পাৰত আপোনমনে কঁহুৱাই নাচি আছে। তাৰ পাছত অলপ দূৰলৈ যাওঁতে লুইতৰ পাৰৰ এঠাইত সীমাহীন কঁহুৱাৰ এখন সাগৰ দেখিছিলো। সীমাহীন মানে.... দূৰলৈকে বিয়পি থকা শুকুলা। দেখিয়েই মনটো কিবা আনন্দত নাচি উঠিল যে ইমান সুন্দৰ উপহাৰ আমাক প্ৰকৃতিয়ে দিছে। আকৌ ৰাতি যেতিয়া খিৰিকীৰ কাষত বা বাৰাণ্ডাত বহি থাকো হঠাৎ শেৱালিৰ মিঠা গোন্ধ এটা পাৰ হৈ যায়। তেতিয়া মনত শান্তিৰ ভাব জন্মে, প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতাৰে মনটো ভৰি যায়। কিন্তু এইখন জগতৰ কাষে কাষে আমি যিখন বাস্তৱ জগতত আছো সেইখন জগতত কঁহুৱাৰ লয়লাস বা প্ৰকৃতিৰ স্নিগ্ধতা নাই। আমি দিনে দিনে ইমান সংকট আৰু সমস্যাৰ মাজত আছো, আমি ইমান আন্দোলনৰ মাজত আছো, দিনে দিনে বেয়া বেয়া খবৰ-বাতৰিবোৰৰ মাজত আছো, গতিকে যদিও শৰৎ কালত আমি প্ৰকৃতিৰ শুভেচ্ছা পাইছো তাৰ লগতে আমি সোৱণশিৰিৰ তাণ্ডৱো দেখিছো। মই ভাবিছো প্ৰকৃতিয়ে আমাক কিবাকৈ সকীয়াই দিছে যে আমি কিছুমান ওপৰুৱা ধামখুমীয়াত পৰি জীৱনৰ শান্তি বিঘ্নিত কৰিছো বা আমাৰ শান্তি বিঘ্নিত হৈছে। গতিকে পূজা বুলি আমাৰ মনটো নাচি উঠা নাই ঠিকেই, আমি সমস্যাবোৰ দেখি আছো, আমি নাৰীৰ অপমান দেখি আছো, যুৱক-যুৱতীয়ে নোপোৱাৰ বেদনাত আত্মহত্যা কৰা দেখি আছো, বিভিন্ন ৰাজনৈতিক আচৰণে আমাক কেতিয়াবা বিতুষ্ট কৰিছে, কিন্তু তাৰ মাজতো আমাক শেৱালিৰ গোন্ধে কৈ আছে যে আমি আছো, কঁহুৱাৰ নাচোনে সকীয়াই আছে যে আমি আছো। মই ভাবো বৰ্তমান সময়ত এই ভাল লগাখিনি আমি উপভোগ কৰি লওঁ, শৰতক উপভোগ কৰি লওঁ, তাৰ পাছত আমি আকৌ বাস্তৱৰ সমস্যাৰ মুখামুখি হ'ম। গতিকে শৰতক আমি আদৰিছো।

## পূজা মানে কেৱল মন্ত্ৰোচ্চাৰণ নহয়

■ নীলিম কুমাৰ



**দুৰ্গা** পূজাৰ প্ৰকৃত মৰ্মটো আমি বাৰু কিমান বুজিব পাৰিছো? মই ভাবো আজিৰ তাৰিখত এইটো বিশ্লেষণ কৰি চাবলগীয়া কথা। দুৰ্গা পূজাৰ অৰ্থ হ'ল নাৰীক পূজা। নাৰীৰ শক্তিক সন্মান জনোৱাৰ পূজা হ'ল দুৰ্গা পূজা। নাৰী উদাৰতাৰ প্ৰতীক। সেই প্ৰতীক পূজা কৰাই হ'ল দুৰ্গা পূজাৰ মূল তত্ত্বৰ মূল মৰ্ম। সেই মৰ্মৰ পৰা আঁতৰি পূজাটো উৎসৱলৈ পৰিৱৰ্তন হৈছে। অথচ পূজা আৰু উৎসৱ একে নহয়। আনহাতে, দুৰ্গা পূজাৰ জৰিয়তে নাৰীয়েও নিজক আৱিষ্কাৰ কৰিব লাগে। দুৰ্গা পূজাই আমাৰ প্ৰকৃত সুৰক্ষাৰো শিক্ষা দিয়ে। দেৱী দুৰ্গাৰ বাহন হ'ল সিংহ। গণেশৰ মূৰটো হ'ল হাতীৰ। কাৰ্তিকৰ বাহন হ'ল ম'ৰা চৰাই। মুঠতে সকলো দেৱ-দেৱীৰ লগত প্ৰকৃতি, অৰণ্য সংপৃক্ত হৈ আছে। আমি এই কথা গভীৰভাৱে উপলব্ধি কৰিব লাগিব যে অৰণ্য থাকিলেহে সিংহ থাকিব, হাতী থাকিব, ম'ৰা চৰাই থাকিব। প্ৰকৃতি সুৰক্ষা বাৰ্তা দুৰ্গা পূজাই আমাক দিছে। অথচ প্ৰকৃতিক ধ্বংস কৰাৰ ফলতেই পূজাৰ নিয়ৰ সিক্ত পৰিৱেশ এতিয়া নাই। শৰততো উৎকট গৰমে আমাক দহিছে। প্ৰকৃতি ধ্বংসৰ ফলত হোৱা বতৰ পৰিৱৰ্তনৰ বাবেই এনে হৈছে। সেই কাৰণে আমি ভালদৰে বুজা উচিত যে পূজা মানে কেৱল মন্ত্ৰোচ্চাৰণ নহয়। এই উপলব্ধিৰে ৰাইজক প্ৰকৃত অৰ্থত পূজা পালন কৰিবলৈ আহ্বান জনাইছো।

## দুষ্কৃতিকাৰীক বিনাশৰ দৰে মানুহৰ মনৰ আন্ধাৰখিনিও দূৰ কৰক দেৱী দুৰ্গাই

■ তৰালী শৰ্মা



**শাৰদীয়** দুৰ্গোৎসৱৰ প্ৰাক্‌মুহূৰ্তত আমাৰ ৰাজ্যখনৰ চৌদিশে তথা সকলো ক্ষেত্ৰতে যি পৰিৱেশ দেখি আহিছো এই সকলো যোগাত্মক নহয় যেন অনুভৱ হয়। আনকি বতৰেও একে বাৰ্তা কঢ়িয়াইছে। যেন প্ৰকৃতিয়েও বিতুষ্ট হৈছে মানুহৰ ওপৰত। তথাপিও আমি সকলোৱে আজিও আশা এটা লৈ অপেক্ষা কৰিছো। শৰতৰ পৰিৱেশ যিমান ধুনীয়া, তাৰ মাজতো অৱশ্যে কোনোবাখিনি সময় অলপ ব্যতিক্ৰম হ'বও পাৰে। দেৱী দুৰ্গাই ধৰালৈ এই সকলো নেতিবাচক দিশ আঁতৰাই ভাল সময় নমাই আনিব বুলি আশাবাদী। মানুহে এতিয়া যি মানসিক চাপ অনুভৱ কৰি আছে সেই সকলো পূজা চাবলৈ যাওঁতে দেৱী দুৰ্গাই দুষ্কৃতিকাৰীক বিনাশ কৰাৰ দৰে মানুহৰ মনত থকা আন্ধাৰখিনিও আঁতৰাই এক নতুন জীৱন যাপনৰ পথ প্ৰশস্ত কৰিব। শৰতৰ বতৰত মই এয়াই কামনা কৰিছো আৰু মই আশাবাদী।

## যান্ত্ৰিকতাই সকলো গ্ৰাস কৰিছে

■ বংকিম শৰ্মা



**মানুহৰ** মনলৈ স্বতঃস্ফূৰ্তভাৱে যি উৎসৱৰ ভাব আহে তাৰ এক সুকীয়া আনন্দ থাকে। কিন্তু এতিয়া জোৰ কৰি দায়িত্ব পালন কৰিবলগীয়াৰ দৰেহে হৈছে। আগতে ইমানদিনে পুৱা আমি নিয়ৰ গচকো, শেৱালিৰ গোন্ধ পাওঁ। কিন্তু এতিয়া সেয়া নাই। পূৰ্বে প্ৰকৃতিয়ে শাৰদীয় উৎসৱৰ অনুভূতি আনি দিয়ে। এতিয়া বিশ্বজুৰি প্ৰকৃতিৰ বৃহৎ পৰিৱৰ্তন ঘটিছে। এতিয়ালৈকে গাৰ ঘামে জুৰুলা কৰিছে। এক যান্ত্ৰিকতাৰে ভৰা পৰিৱেশত শাৰদীয় উৎসৱৰ মাদকতা হেৰাই গৈছে। যি কোনো এটা উৎসৱ উপভোগ কৰিবলৈ এটা সুস্থিৰ পৰিৱেশ লাগে। সেয়া সামাজিক পৰিৱেশেই হওক বা অৰ্থনৈতিক পৰিৱেশেই হওক। এতিয়া মানুহ বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈছে। মূল্যবৃদ্ধিয়েই নহয়, কৰ্ম সংস্থাপনৰ অভাৱৰ লগতে কৰ্ম সংস্কৃতিৰো অভাৱ ঘটিছে। অধিকাংশ মানুহেই এতিয়া জীয়াই থকাৰ বাবে সংগ্ৰাম কৰাতেই সময় অতিবাহিত কৰিবলগীয়া হৈছে। সমাজত যান্ত্ৰিকতা বিয়পি পৰাত উৎসৱ-পাৰ্বণৰ পূৰ্বৰ মাদকতা হ্ৰাস পাইছে। প্ৰকৃতিকে ধৰি সমাজ আৰু অৰ্থনীতি আদি সকলো দিশতে অহা পৰিৱৰ্তনে মানুহৰ মনতো প্ৰভাৱ পেলাইছে। প্ৰাকৃতিক পৰিৱেশ আৰু সুস্থিৰ সামাজিক পৰিৱেশে মানুহৰ মনত প্ৰভাৱ পেলায়। সেয়ে বৰ্তমান মানুহৰ মনবোৰত স্বতঃস্ফূৰ্ত ভাবতকৈ জোৰ কৰি দায়িত্ব পালনৰ দৰেহে কামবোৰ কৰিবলগীয়া হৈছে। মই বহুজনৰ লগত কথা পাতি এই কথা অনুভৱ কৰিছো। বহু সময়ত ব্যক্তিগত ভাৱধাৰাই সমূহীয়া ৰূপ লয় আৰু সমূহীয়া ভাৱধাৰাই ব্যক্তিগত ভাৱধাৰাতো প্ৰভাৱ পেলায়। গতিকে, তাহানিৰ শাৰদীয় উৎসৱৰ বিপৰীতে এতিয়াৰ অনুভৱৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছে।

## মন বিমৰ্ষ হ'লেও পূজাত নিজক জড়িত কৰিব লাগিবই

■ মুকুল গোস্বামী



**অসম,** পশ্চিমবংগকে ধৰি ভাৰতবৰ্ষৰ কিছু ঠাইত শৰৎকালত অনুষ্ঠিত দুৰ্গোৎসৱৰ আনন্দ আৰু তাৎপৰ্য আটাইতকৈ বেছি। সৰ্বসাধাৰণৰ বাবে দেৱী দুৰ্গাৰ পৰা সকলোৱে ধন, ৰূপ, যশ বিচাৰি পূজা কৰাটোহে মূল। সকলো অপায়-অমংগলৰ পৰা ৰক্ষা কৰিবলৈ কৰা প্ৰাৰ্থনাৰ গুৰুত্বই সৰ্বত্ৰ ছানি ধৰে; কিন্তু বৰ দুখৰ কথা, সাম্প্ৰতিক সময়তো সৰ্বসাধাৰণ ৰাইজৰ বাবে ভয়-শংকা আৰু আৰ্থিক দৈন্যৰ সময়। এটা চামৰ বাদে সাধাৰণৰ ৰাইজৰ উপাৰ্জন বঢ়াৰ পথ নাই। দৈনিক অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বাঢ়ি সাধাৰণ লোকক কোঙা কৰিছে। ইয়াৰ মাজতে বতৰ পৰিৱৰ্তনেও মানুহক কৰিছে শংকিত, বিৰক্ত। এখন কল্যাণকামী ৰাষ্ট্ৰত অন্ততঃ খাদ্য-বস্ত্ৰৰ অসুলভ অৱস্থাৰ বাবে সকলো লোক অতিষ্ঠ হোৱাটো বৰ দুখৰ কথা। যিবোৰে হাৰাতে সকলো পাইছে তেওঁলোকে নুবুজিব আৰু আদানীহঁতৰ এশ ফুট তলত থকাৰো কোনো ধৰণৰ অসন্তোষ নহ'ব। সৰ্বসাধাৰণৰ অনুভৱত দুৰ্গতিনাশিনী দুৰ্গাইহে যদি এই বিপৰ্যয়ৰ পৰা উদ্ধাৰ কৰে। গতিকে অতি কষ্টৰে হ'লেও পূজাত আনন্দ কৰিবই লাগিব। ভক্তি নাথাকিলেও বছৰৰ এই চাৰিদিন উদ্বাউল হৈ, আহি থকা দিনৰ কষ্টবোৰক দেৱীৰ নামৰ বলেৰে বহন কৰাটোৱেই মূল কথা হ'ব। এই চাৰিদিনত পূজা চাবলৈ যোৱা লক্ষ জনতাক দেখিলে এনে ভাব নহ'ব যে তেওঁলোকৰ কিবা কষ্ট আছে। দৰিদ্ৰ মানুহে কৰা ফূৰ্তি দেখি আমাৰ অনুভৱত এইকেইটা দিনেই আটাইতকৈ বেছি গুৰুত্বপুৰ্ণ। কাৰণ, মনে মনে দৰিদ্ৰই গায় 'ধনং দেহী যশং দেহী ৰূপং দেহী'। দুখৰ মাজতো ক্ষন্তেকীয়া আনন্দত মতলীয়া মানুহবোৰ দেখি মই মোৰ অনুভৱ, উপলব্ধিক নিয়ন্ত্ৰণ কৰিব লাগিব।

## ঋতু পৰিৱৰ্তনৰ যি নান্দনিক ছবি সেয়া হেৰাই যাব ধৰিছে

■ পাৰ্থজিৎ বৰুৱা



প্ৰকৃতিৰ অপূৰ্ব শৰতৰ সেই সৌন্দৰ্য যেন লাহে লাহে ম্লান পৰিছে । অপ্ৰিয় হ'লেও সত্য প্ৰকৃতিয়ে পূৰ্বৰ ৰূপ সলাইছে। মানৱ জাতিয়ে সুস্থিৰভাৱে প্ৰকৃতিক জীয়াই থাকিবলৈ নিদিয়াৰ বাবেই ঋতু পৰিৱৰ্তনৰ যি নান্দনিক ছবি সেয়া যেন হেৰাই যাব ধৰিছে। শৰতৰ সৌন্দৰ্য উপভোগ কৰিবলৈ কমোৱা তুলাৰ দৰে মানুহৰ মন উৰিব নোৱাৰা হৈছে। কাৰণ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দ্ৰুত মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ জনজীৱনত যথেষ্ট প্ৰভাৱ পেলাইছে।

**এটি** শান্ত সমাহিত ঋতু, যাৰ নাম শৰৎ। শৰতৰ আগমনৰ বাৰ্তা দিয়ে চোতাল ভৰি শুকুলা দলিচা সাজি দিয়া শেৱালি জোপাই, পুৱাৰ দূবৰিত মুকুতা সজা নিয়ৰে। নৈৰ দাঁতিত বতাহৰ গতিত হালি জালি নচা কঁহুৱাই ৰচে শৰতৰ বন্দনা। এয়া যেন সময় দেৱী পূজনৰ, অসূয়া অপ্ৰীতি নাশিবলৈ শৰৎ কালতে ধৰালৈ নামি আহে দেৱী দুৰ্গা।

শৰৎ, মন কমোৱা তুলাৰ দৰে উৰি যোৱা ঋতু, গ্ৰীষ্মৰ উত্তাপক বিদায় দি শৰতক আদৰণি জনোৱা ঋতু। শৰৎ মানেই যেন শ্যামল বৰণ, জ্যোৎস্নাময়ী চন্দ্ৰাৱলী, সৌন্দৰ্যৰ মধুৰ মাধুৰী ।

প্ৰকৃতিৰ অপূৰ্ব শৰতৰ সেই সৌন্দৰ্য যেন লাহে লাহে ম্লান পৰিছে । অপ্ৰিয় হ'লেও সত্য প্ৰকৃতিয়ে পূৰ্বৰ ৰূপ সলাইছে। মানৱ জাতিয়ে সুস্থিৰভাৱে প্ৰকৃতিক জীয়াই থাকিবলৈ নিদিয়াৰ বাবেই ঋতু পৰিৱৰ্তনৰ যি নান্দনিক ছবি সেয়া যেন হেৰাই যাব ধৰিছে। শৰতৰ সৌন্দৰ্য উপভোগ কৰিবলৈ কমোৱা তুলাৰ দৰে মানুহৰ মন উৰিব নোৱাৰা হৈছে। কাৰণ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দ্ৰুত মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ জনজীৱনত যথেষ্ট প্ৰভাৱ পেলাইছে। মাজে মাজে সৃষ্টি হোৱা ৰাজনৈতিক অস্থিৰতায়ো শৰতৰ সৌন্দৰ্যক ম্লান কৰাত কিছু পৰিমাণে হ'লেও অৰিহণা যোগাই আহিছে। সেয়া যিয়ে নহওঁক এই মুহূৰ্তত শৰতৰ অনুভৱ বুলি ক'লে মই বিচাৰো প্ৰকৃতিৰ এই অপূৰ্ব দান শৰতৰ আগমনে সকলোৰে মন প্ৰফুল্লিত কৰি তোলক, সকলোৰে মুখত বিৰিঙি উঠক এমুখ শেৱালি কোমল হাঁহি ।

সেই আশাৰে----

## আশাবাদী মনেৰে শৰতক আদৰিছো

■ প্ৰিয়ংকা ভৰালী



শৰৎ আহিলে আমি এটা সুন্দৰ পৰিৱেশ লাভ কৰো। নিশাৰ ভাগত শেৱালি ফুলৰ গোন্ধে আমোলমোল কৰে আমাৰ চৌপাশ। আকৌ পুৱাৰ ভাগত দূবৰি তিয়াই ধৰালৈ নামি আহে নিয়ৰকণা। আগতে পূজাৰ সময়ত ঠাণ্ডা পৰিছিল।

**প্ৰকৃতিৰ** নিয়মমতে প্ৰতি বছৰে শৰৎ আহে। শৰৎ আহিলে আমি এটা সুন্দৰ পৰিৱেশ লাভ কৰো। নিশাৰ ভাগত শেৱালি ফুলৰ গোন্ধে আমোলমোল কৰে আমাৰ চৌপাশ। আকৌ পুৱাৰ ভাগত দূবৰি তিয়াই ধৰালৈ নামি আহে নিয়ৰকণা। আগতে পূজাৰ সময়ত ঠাণ্ডা পৰিছিল। কিন্তু এতিয়া সেই পৰিৱেশ সম্পূৰ্ণ সলনি হোৱা বুলি ক'লেও ভুল কোৱা নহ'ব। কাৰণ এতিয়া পূজাৰ বতৰতো আমি গৰমৰ প্ৰকোপত বাহিৰলৈ ওলাব নোৱাৰা হৈছো। আগতে আমি পূজা চাবলৈ যাওঁতে গৰম কাপোৰ পিন্ধি যোৱা মনত আছে। সময়ৰ লগে লগে এই পৰিৱৰ্তন আহিছে; কিন্তু শৰতৰ সময়খিনি খুবেই ভাল লাগে। এতিয়া পূজাৰ বতৰ। দুটা বছৰৰ বিৰতিৰ অন্তত এইবাৰ সকলোৱে মন খুলি পূজাৰ আনন্দ উপভোগ কৰিবলৈ সাজু হৈছে। সকলোৰে মনত আনন্দ-স্ফূৰ্তি। দুই বছৰৰ মূৰত অৰ্থাৎ ইমান বেয়া সময়ৰ পাছত এইবাৰ দুৰ্গা পূজা উপভোগ কৰিবলৈ আমি সকলোৱে ৰৈ আছো। সকলো ফালে এইবাৰ পূজাৰ মণ্ডপ বৰ সুন্দৰকৈ সজাই-পৰাই তুলিছে। গতিকে আশা কৰো ভালে-কুশলে পূজাৰ দিনকেইটা পাৰ হ'ব, সকলোৱে পূজা সুন্দৰকৈ উপভোগ কৰিব। ভাল-বেয়া দিন আমি সকলোৱে দেখি আহিছো বা এতিয়াও দেখি আছো, বিভিন্ন সমস্যা আছে তথাপিও আমি প্ৰকৃতিয়ে দিয়া এই সুন্দৰ সময়খিনি ভাল মনেৰে আৰু আশাবাদী হৈ উপভোগ কৰিব লাগে। জীৱনৰ প্ৰতিটো দিনেই সকলোৰে বাবে গুৰুত্বপূৰ্ণ, প্ৰতিটো দিনেই মানুহৰ বাবে এটা এটা নতুন জীৱন, গতিকে প্ৰতিটো দিনেই মানুহে উদ্‌যাপন আৰু উপভোগ কৰিব লাগে। শাৰদীয় দুৰ্গা পূজাৰ সময়খিনি মোৰ খুবেই প্ৰিয়। চাৰিওফালে নানাৰঙী আলোকসজ্জাৰে পৰিৱেশ উদ্ভাসিত হয়, আকৰ্ষণীয় মণ্ডপবোৰত দেৱী দুৰ্গাই জীৱন্ত ৰূপত আমাৰ সন্মুখত অধিষ্ঠিত হয়। দেৱী দুৰ্গাই আমাক সকলোকে আশীৰ্বাদ কৰক যাতে সমাজৰ সকলো সমস্যা দূৰ হয় আৰু অসমত শান্তিৰ পৰিৱেশ বিৰাজমান হয়, তাকেই কামনা কৰিছো।

## শৰতৰ অনুভৱ কৰিবলৈ সেই পৰিৱেশ নাই

■ ঐশ্বৰ্য কাকতি



খাদ্য বস্তুৰ পৰা বিভিন্ন সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সাধাৰণ লোকক দিনটোৰ আৰম্ভণিৰ পৰা নিশালৈকে এসাঁজ আহাৰ সংগ্ৰহৰ বাহিৰে আন কথা ভাবিবলৈ দিয়া নাই। মানুহৰ মনবোৰ পূৰ্বৰ তুলনাত যথেষ্ট সেৰেঙা। ৰাজনৈতিক ব্যৱস্থাই অৰ্থনৈতিক অৱস্থাটোক যেনেদৰে মেৰিয়াইছে সেই অৱস্থাই অৰ্থনৈতিক আৰু ৰাজনৈতিক দুয়োটা ব্যৱস্থাকেই বেয়া কৰিছে।

**শৰতৰ** অনুভৱ ল'বলৈ এইবাৰ এতিয়ালৈকে শেৱালি ফুলা নাই। তেনেদৰে কঁহুৱা ফুলো মই দেখা নাই। প্ৰকৃততে সম্প্ৰতি ৰাজনৈতিক, অৰ্থনৈতিক ভাবে দেশ আৰু ৰাজ্যত যি পৰিৱেশে বিৰাজ কৰিছে সেই পৰিৱেশত মানুহে শেৱালি আৰু কঁহুৱাৰ সৌন্দৰ্য উপভোগ কৰাৰ মানসিকতা হেৰুৱাই পেলাইছে। খাদ্য বস্তুৰ পৰা বিভিন্ন সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সাধাৰণ লোকক দিনটোৰ আৰম্ভণিৰ পৰা নিশালৈকে এসাঁজ আহাৰ সংগ্ৰহৰ বাহিৰে আন কথা ভাবিবলৈ দিয়া নাই। মানুহৰ মনবোৰ পূৰ্বৰ তুলনাত যথেষ্ট সেৰেঙা। ৰাজনৈতিক ব্যৱস্থাই অৰ্থনৈতিক অৱস্থাটোক যেনেদৰে মেৰিয়াইছে সেই অৱস্থাই অৰ্থনৈতিক আৰু ৰাজনৈতিক দুয়োটা ব্যৱস্থাকেই বেয়া কৰিছে।

ৰাইজে এতিয়া এই অৱস্থাৰ পৰা মুক্তি বিচাৰিছে। এটা প্ৰফুল্ল মন লৈহে মানুহে উৎসৱ-পাৰ্বণ উপভোগ বা উদ্‌যাপন কৰিব পাৰে; কিন্তু এতিয়াৰ পৰিৱেশে মানুহক ইয়াৰ অনুমতি দিয়া নাই। ৰাজ্যৰ বা দেশৰ অৰ্থনৈতিক অৱস্থা বা সামাজিক পৰিৱেশ কাইলৈ কি হয় কোনেও ক'ব নোৱাৰে। এক চৰম অনিশ্চয়তাই বিৰাজ কৰিছে সৰ্বত্ৰ। এনে অৱস্থাত মানুহে সঞ্চয়ত গুৰুত্ব দিছে। পূৰ্বে যদি পূজাৰ বাবে এক লিটাৰ মিঠাতেল ব্যৱহাৰ কৰিছিল বৰ্তমান এই পৰিমাণ আধা লিটাৰলৈ হ্ৰাস পাইছে। গতিকে এনে পৰিস্থিতিত শাৰদীয় অনুভূতি বুলিবলৈ মোৰ মনটো সৰ্বসাধাৰণৰ দৰেই সেৰেঙা।

## ইমানবোৰ ঋণাত্মক কথাৰ পাছত ক'ত থাকিব শৰতৰ আনন্দ!

■ প্ৰণৱ কুমাৰ বৰ্মন



**লকডাউনৰ** পাছত মানুহৰ মানসিকতাৰ বিপুল পৰিৱৰ্তন ঘটিছে। জীৱনৰ ক্ষণভংগুৰতাই মানুহক বহু কথাই নকৈ ভাবিবলৈ বাধ্য কৰিছে। তাৰ মাজতো প্ৰাকৃতিকভাৱেই শৰৎ কাল আহিছে। শাৰদ উৎসৱসমূহো আহিছে; কিন্তু বৃহৎ প্ৰশ্নটো হ'ল মানুহৰ অন্তৰৰ আনন্দসমূহ ঠিকেই আছেনে? বহুতৰ লগতে আমিও ক'ম—মধ্যবিত্তৰ আনন্দৰ হাঁহিবোৰ হেৰাইছে। ৰজাৰ শাসন আৰু ব্ৰিটিছ শাসনকালত হোৱাৰ দৰে কৰৰ বোজাত তৎ হেৰুৱাইছে জনসাধাৰণে। অবাধ মূল্যবৃদ্ধিয়ে ভোকক মূল্যহীন কৰি পেলাইছে। কৰ্মহীনতাই অপৰাধবোধৰ জন্ম দিছে যুৱ মানসিকতাত। বিনামূলীয়া চাউলেৰে কোনোমতে লাখ লাখ পৰিয়াল লঘোন নপৰাকৈ চলিছে। মৃত্যুঘণ্টা বাজিছে ক্ষুদ্ৰ ব্যৱসায়ৰ। দৰিদ্ৰতাৰ শ্ৰীবৃদ্ধিত মা দুৰ্গাও চিন্তিত—চিন্তিত নহয় কেৱল শাসককুল। দুৰ্নীতিৰ বটবৃক্ষৰ ছায়াত মহিষাসুৰে মহা আৰামৰে জিৰাইছে। মহিষাসুৰ বধ কৰিবলৈ আজি জনতা অসহায়-আতংকিত। তাতে প্ৰাকৃতিক দুৰ্যোগে কঁকাল ভাঙি থৈ গৈছে জনসাধাৰণৰ। ইমানবোৰ ঋণাত্মক ঘটনা-পৰিঘটনাৰ পাছত মানুহৰ ক'ত বৰ্তি থাকিব শাৰদোৎসৱৰ প্ৰকৃত আনন্দ?

## এতিয়া পৰিৱেশ-পৰিস্থিতি, জলবায়ু সকলোতে পৰিৱৰ্তন আহিছে

■ ঋতুৰাণী মৌচুমী

শৰত কাল বুলিলে মনটো উৰা মাৰে শৈশৱকালৰ সেই মধুৰ দিনবোৰলৈ। পূজা আহিব—আহিব বুলি যে কত দিন আগৰে পৰা জল্পনা-কল্পনা। পূজাৰ নতুন কাপোৰ, বেলুন, জিলাপিৰ আমেজেই সুকীয়া আছিল। আগতে পূজা বুলিলেই আত্মীয়-কুটুম্বৰে ঘৰবোৰ ভৰি পৰিছিল। এতিয়া কিছু ব্যতিক্ৰম দেখা পাওঁ।



**শৰত** কাল—এক শান্ত শুভ্ৰ অনুভৱ। লগতে এটা উৎসৱমুখৰ পৰিৱেশ। শাৰদীয় ৰাণী মা-দুৰ্গা আগমনৰ সময়। চোতাল ভৰি থকা শেৱালি ফুলৰ দলিচাও এই শৰত কালৰেই উপহাৰ।

ঋতুৰ ৰাণী, এই শৰত কালক লৈয়েই কত কবিতা, গীত, ৰচনা হয়। শৰতক লৈ সকলোৰে অনুভৱ বেলেগ বেলেগ। ময়ো নিজৰ মনৰ কথাখিনিহে ইয়াত প্ৰকাশ কৰিবলৈ বিচাৰিছো।

শৰত কাল বুলিলে মনটো উৰা মাৰে শৈশৱকালৰ সেই মধুৰ দিনবোৰলৈ। পূজা আহিব—আহিব বুলি যে কত দিন আগৰে পৰা জল্পনা-কল্পনা। পূজাৰ নতুন কাপোৰ, বেলুন, জিলাপিৰ আমেজেই সুকীয়া আছিল। আগতে পূজা বুলিলেই আত্মীয়-কুটুম্বৰে ঘৰবোৰ ভৰি পৰিছিল। এতিয়া কিছু ব্যতিক্ৰম দেখা পাওঁ।

পৰিৱৰ্তন প্ৰকৃতিৰে এটা নিয়ম। এতিয়া পৰিৱেশ, জলবায়ু সকলোতে বহুত পৰিৰ্তন ঘটিছে। আগতে মনত আছে পূজাৰ সময়ত আমি গৰম কাপোৰ, ছুৱেটাৰ আদিও পিন্ধিবলগীয়া বতৰ আছিল। এতিয়া গোলকীয় উষ্ণতাৰ ফলত জলবায়ু সলনি হ'ল। গৰমৰ অনুভৱ এতিয়াও কৰি আছো।

আমাৰ এই বিনন্দীয়া ধৰিত্ৰীৰ গৰ্ভ আজি অশান্ত। শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰাৰ দৌৰত আজি সকলোতে প্ৰতিযোগিতা, যুদ্ধ অমানৱীয় কাৰ্যকলাপ। ভ্ৰাতৃঘাতী সংঘৰ্ষত মানৱ জাতি আজি নিজেই মানৱীয়তা পৰিপন্থী হৈ পৰিছে।

ৰাজনৈতিক দলসমূহ বা জাতীয় সংগঠনসমূহে কৰ বিভিন্ন আন্দোলনসমূহতো জাতীয় বা ৰাষ্ট্ৰীয় স্বাৰ্থতকৈ দলীয় বা ব্যক্তিগত স্বাৰ্থকহে প্ৰাধান্য দিয়া দেখা যায়। ফলস্বৰূপে সাধাৰণ জনতাই এই আন্দোলনসমূহৰ পৰা একো সুফল লাভ কৰিব নোৱাৰে। লগত মূল্যবৃদ্ধিৰ সমস্যা আছেই।

তথাপিও আমি আশাবাদী। শাৰদী ৰাণী মা-দুৰ্গাৰ আগমনে যেন আমাৰ অপায়-অমংগল বিনাশ কৰে, সেয়াই প্ৰাৰ্থনা।

সামাজিক মাধ্যমবোৰৰ জৰিয়তে বহু পূজা এতিয়া ঘৰতে বহি দেখা পাওঁ যদিও আগৰ সেই মাদকতাৰ অভাৱ কিন্তু বাৰুকৈয়ে অনুভৱ কৰো।

সংগীত জগতখনৰ লগত জড়িত হৈ আছো বাবে এইবাৰ পূজাতো দুই-এখন সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিবলৈ আমন্ত্ৰণ পাইছো; কিন্তু মনৰ মাজত আজিও আগৰ দিনৰ সেই পূজাৰ পৰিৱেশে আমনি কৰে। শেষত সকলোলৈকে পূজাৰ আন্তৰিক শুভেচ্ছা জনাই ভাল দিনবোৰ সোঁৱৰি আজিলৈ ইমানতে সামৰিলো।

## হতাশাগ্ৰস্ত, বিপন্ন আজিৰ মানুহ

■ ৰঞ্জন বেজবৰুৱা

চাৰিওফালে সাধাৰণ মানুহৰ হাহাকাৰ। জীৱন ধাৰণৰ মহাৰ্ঘতাই ভাৰতীয় মানুহক বাৰুকৈয়ে জুৰুলা কৰিছে। শাৰদীয় দুৰ্গোৎসৱৰ উলাহ আজি খাটি খোৱা মানুহৰ মাজত নাই।



**মানুহৰ** ভৱিষ্যতত বিশ্বাস হেৰুওৱাটো পাপ। তথাপি নিৰুপায়। এই পাপতে বুৰিব লগা হৈছে সাম্প্ৰতিক সমাজ। হতাশাগ্ৰস্ত, বিপন্ন আজিৰ মানুহ। চাৰিওফালে সাধাৰণ মানুহৰ হাহাকাৰ। জীৱন ধাৰণৰ মহাৰ্ঘতাই ভাৰতীয় মানুহক বাৰুকৈয়ে জুৰুলা কৰিছে। শাৰদীয় দুৰ্গোৎসৱৰ উলাহ আজি খাটি খোৱা মানুহৰ মাজত নাই। তথাপি আমি আশাবাদী। সোনকালেই এই অব্যৱস্থাৰ অৱসান ঘটিব। সমাজৰ বোধোদয় ঘটিব। মানুহে নতুন দিশৰ সন্ধান কৰিব। ল'ব নতুন কাৰ্যপন্থা, নতুন প্ৰতিজ্ঞা। দেৱীৰ আশিস হ'ব সকলোৰে পাথেয়। ঋতুচক্ৰৰ মাজত মানুহৰ জীৱন। ঋতু যায়, ঋতু আহে। মানুহৰ মন-আত্মাৰ পৰিৱৰ্তনো তাৰ মাজতে। কাৰণ মানুহ প্ৰকৃতি-সন্তান। প্ৰকৃতিৰ দ্বাৰা নিয়ন্ত্ৰিত হোৱা হেতুকেই আমি আশাই-হতাশাই বিচলিত হওঁ, জোনাকে-ডাৱৰে আলোড়িত হওঁ। প্ৰকৃতিৰে উপাদান ক'ভিড মহামাৰীয়ে আক্ৰান্ত কৰে। শৰতৰ অপৰূপ শোভাই আমাক কৰি তোলে কাব্যিক। কৰি তোলে নতুন স্বপ্নেৰে আকুল। আমি ধ্ৰুপদী ভাষা-সাহিত্য, গীত-কবিতাৰ মানুহ হোৱা হেতুকে ক'বলৈ মন যায়- 'ভৱতু তৱ শৰদঃ শ্ৰেষ্ঠকালঃ সুখায়'। এই শৰৎ তোমাৰ বাবে শ্ৰেষ্ঠ সুখৰ ঋতু হওক।

জীৱেম শৰদঃ শতম
পশ্যেম শৰদঃ শতম
বুধ্যেম শৰদঃ শতম।




আপোনাৰ চাকৰি বা পেছাটোক ৰক্ষণাবেক্ষণ দিয়াৰ লগতে খৰচ বা ক্ষতিপূৰণৰ আৰ্থিক দায়বদ্ধতাৰ পৰা ৰক্ষা কৰিব পৰা বীমা আঁচনিও বজাৰত উপলব্ধ। এই ধৰণৰ আঁচনিক প্ৰফেচনেল ইনডেমনিটি ইনছুৰেন্স পলিচী বা পেছাদাৰী ক্ষতিপূৰণ বীমা পলিচী চমুকৈ পি আই পলিচী বুলি কোৱা হয়। ভাৰতত ১৯৯১তে পোনপ্ৰথমবাৰৰ বাবে এই ধৰণৰ বীমা বজাৰত আহিছিল

# পেছাদাৰী ক্ষতিপূৰণ বীমা পলিচীৰ বিষয়ে জানেনে ?

**আপুনি** আপোনাৰ পেছা বা চাকৰিটো সুৰক্ষিত কৰি ৰাখিবলৈ কেতিয়াবা ভুলতেও বীমা কৰোৱাৰ কথা ভাবিছেনে ? যদি কৰা নাই, তেন্তে আৰু পলম নকৰিব। কাৰণ, আপোনাৰ চাকৰি বা পেছাটোক ৰক্ষণাবেক্ষণ দিয়াৰ লগতে খৰচ বা ক্ষতিপূৰণৰ আৰ্থিক দায়বদ্ধতাৰ পৰা ৰক্ষা কৰিব পৰা বীমা আঁচনিও বজাৰত উপলব্ধ। এই ধৰণৰ আঁচনিক প্ৰফেচনেল ইনডেমনিটি ইনছুৰেন্স পলিচী বা পেছাদাৰী ক্ষতিপূৰণ বীমা পলিচী চমুকৈ পি আই পলিচী বুলি কোৱা হয়। ভাৰতত ১৯৯১তে পোনপ্ৰথমবাৰৰ বাবে এই ধৰণৰ বীমা বজাৰত আহিছিল; কিন্তু পৰিতাপৰ বিষয়টো হৈছে, আজি পৰ্যন্ত ইয়াৰ অস্তিত্বৰ বিষয়ে আমাৰ মাজৰ বহুতেই নাজানো। যদিও এই বীমাৰ জনপ্ৰিয়তাৰ কোনো পৰিসংখ্যা উপলব্ধ নহয়, তথাপি ক'ব পাৰি যে বিগত এটা দশকত চিকিৎসক আৰু ব্যক্তিগত চিকিৎসালয় আৰু নাৰ্ছিং হোমৰ মালিকসকলৰ মাজত এই বীমা জনপ্ৰিয় হৈ পৰিছে। ভাৰতত এই ধৰণৰ বীমাৰ জনপ্ৰিয়তাৰ কাৰণ সদ্যহতে কেৱল চিকিৎসক তথা চিকিৎসালয়ৰ মালিক পক্ষৰ মাজতে সীমাবদ্ধ হৈ থকাৰ কাৰণ বিচাৰি উলিওৱাটো বৰ কঠিন নহয়। ভুল চিকিৎসা প্ৰদানৰ অভিযোগ কৰি ন্যায়ালয়ৰ দ্বাৰস্থ হোৱা লোকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে ভাৰতত। ক্ষতিপূৰণ লাভ কৰা লোকৰ সংখ্যাও বৃদ্ধি পাইছে। সেইবাবেই চিকিৎসক আৰু চিকিৎসা সেৱা প্ৰদানকাৰীয়ে নিজৰ সুৰক্ষাৰ বাবে সঘনায় এই বীমা ক্ৰয় কৰিবলৈ লৈছে। বিদেশত অৱশ্যে এই বীমাৰ জনপ্ৰিয়তা সুদীৰ্ঘ দিন ধৰি চলি আহিছে। বিদেশত বহু পেছাত এই বীমা অবিহনে সংশ্লিষ্ট পেছাদাৰীজনে নিজৰ কাম কৰাৰ অধিকাৰ নাপায়, কিন্তু এই নিয়ম এতিয়াও আমাৰ দেশলৈ অহা নাই।

**কি কি ক্ষেত্ৰত সুৰক্ষা পাব পাৰি এই বীমাৰ জৰিয়তে**

চুক্তিত যদি কিবা ত্ৰুটি ৰৈ যায় তেন্তে তাৰ ফলত হ'ব পৰা আৰ্থিক ক্ষতিৰ সমস্ত দায়িত্ব এই বীমাই বহন কৰে।

আদালতলৈ যাবলগীয়া হ'লে প্ৰয়োজন হোৱা যাৱতীয় খৰচো এই বীমাৰ দ্বাৰা আদায় কৰিব পাৰি।

যদি আপুনি আদালতলৈ গৈ জয়ী হয়, তেন্তে তাতো এজন উকীলৰ খৰচ আছে। সেই খৰচো আপুনি উক্ত বীমা আঁচনিৰ পৰা পাব পাৰিব।

চৰ্তসাপেক্ষে আপুনি আদালতলৈ নগৈ বুজাবুজিৰ মাধ্যমেৰে বাহিৰে বাহিৰে বিবাদ নিষ্পত্তি কৰিলেও আপোনাৰ যি আৰ্থিক খৰচ হ'ব, এই বীমাৰ দ্বাৰা তাকো আদায় কৰিব পাৰি।

উল্লেখ্য যে চিকিৎসকৰ মাজত ইয়াৰ জনপ্ৰিয়তা বৃদ্ধি কৰিবলৈ কোম্পানীসমূহে এই ধৰণৰ বীমাৰ সুবিধাসমূহো পূৰ্বৰ তুলনাত বহু পৰিমাণে বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। উদাহৰণস্বৰূপে, আইচিআইচিআই লম্বাৰ্ডে শেহতীয়াকৈ ক্ষুদ্ৰ আৰু মজলীয়া চিকিৎসা সেৱাৰ স'তে জড়িত স্বাস্থ্যকৰ্মীসকলৰ বাবে এনে এক নতুন বীমা প্ৰৱৰ্তন কৰিছে। গতিকে এজন পেছাদাৰী হিচাপে আপোনাৰ পেছাৰ সুৰক্ষাৰ স্বাৰ্থত উপদেষ্টাৰ লগত পৰামৰ্শ কৰি আপোনাৰ বাবে উপযুক্ত বীমা কিনিবলৈ কুণ্ঠাবোধ নকৰিব। প্ৰফেচনেল ইনডেমনিটি ইনছুৰেন্স পলিচী বা পেছাদাৰী ক্ষতিপূৰণ বীমা পলিচী চমুকৈ পি আই পলিচী বুলি জনাজাত এই ধৰণৰ আঁচনি বাজাজ এলায়েঞ্জ, আইচিআইচিআই লম্বাৰ্ড, এইছডিএফচি এৰগো, নিউ ইণ্ডিয়া এছুৰেন্স, এছবিআই জেনেৰেল আদিত উপলব্ধ।

# চাকৰিৰ অভাৱত বৃদ্ধি পোৱা শিক্ষা ঋণৰ বকেয়াত চিন্তিত বেংক কৰ্তৃপক্ষ

বেংকসমূহৰ তৰফৰ পৰা ভাৰত আৰু বিদেশত অধ্যয়নৰ বাবে দিয়া চাৰি লাখ টকা পৰ্যন্ত শিক্ষা ঋণ বন্ধকীমুক্ত। আনহাতে, ৭.৫ লাখ পৰ্যন্ত ঋণৰ বাবে বন্ধকীৰ প্ৰয়োজন নাই যদিও গেৰাণ্টৰ বা নিশ্চয়তাদাতাৰ প্ৰয়োজন। ইয়াতকৈ বেছি ঋণ ল'লে বন্ধকী দিয়াটো বাধ্যতামূলক। প্ৰতিটো ক্ষেত্ৰতে অভিভাৱকসকলে যৌথভাৱে ঋণৰ বাবে আবেদন কৰিব লাগে। সাধাৰণতে শিক্ষা সমাপ্ত হোৱাৰ ছমাহৰ পৰা এবছৰৰ পাছত ঋণ পৰিশোধ প্ৰক্ৰিয়া আৰম্ভ হয়।



মাৰ্চেণ্ট বেংকাৰ ৰিজাৰ্জেণ্ট ইণ্ডিয়াৰ সঞ্চালক প্ৰধান জ্যোতি প্ৰকাশ গাদিয়াই কয় যে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰি কৰ্ম জগতত প্ৰৱেশ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ অনুপাতে বজাৰত চাকৰিৰ সৃষ্টি হোৱা নাই। ফলত শিক্ষা ঋণ সময়মতে পৰিশোধ কৰিব পৰা নাই অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে। যাৰ বাবে বেংকসমূহৰ বকেয়া বৃদ্ধি পাইছে। এনে অৱস্থাত বেংকসমূহে অধিক পৰিমাণৰ ঋণ দিবলৈ কুণ্ঠাবোধ কৰিবলৈ আৰম্ভ কৰিছে।

**ৰঘুৰাম** ৰাজন, কৌশিক বসুৰ দৰে অৰ্থনীতিবিদসকলে বাৰম্বাৰ সকীয়নি দি আহিছে যে উচ্চ নিবনুৱা সমস্যাৰ বাবেই ভাৰতৰ আশীৰ্বাদ বুলি গণ্য কৰি অহা বিশাল মানৱ সম্পদ, এসময়ত প্ৰত্যাহ্বান হৈ উঠিব পাৰে। সম্প্ৰতি ৰাজন আৰু বসুৰ এনে আশংকাপূৰ্ণ ভবিষ্যদ্বাণী যে মুঠেও মিছা নাছিল সেয়া প্ৰমাণিত হৈছে। বিশেষকৈ বেংকিং উদ্যোগত এই সমস্যাৰ স্পষ্ট প্ৰতিফলন ঘটিছে। চৰকাৰী বেংকসমূহৰ উদ্বেগ বৃদ্ধি হৈছে শিক্ষা ঋণত বৃদ্ধি পোৱা নন-পাৰফৰ্মিং এছেট (এনপিএ) বা অনুৎপাদক সম্পদক লৈ। বিশেষজ্ঞসকলৰ মতে, কলেজীয়া শিক্ষা সমাপ্ত কৰাসকলে কামৰ অভাৱত ঋণ পৰিশোধ কৰাত অসুবিধা পাইছে। ফলত এই ঋণত এনপিএ প্ৰায় ৮ শতাংশ পৰ্যন্ত বৃদ্ধি পাইছে। বেংকিং উদ্যোগৰ সূত্ৰ অনুসৰি, এনে পৰিস্থিতিত উপায়ান্তৰ হৈ বেংকসমূহে শিক্ষা ঋণ দিয়াৰ ক্ষেত্ৰত হোঁহকা পিছলা কৰা আৰম্ভ কৰি দিছে।

দেশৰ প্ৰায় ৯০ শতাংশ শিক্ষা ঋণ চৰকাৰী বেংকসমূহেই প্ৰদান কৰে। পৰিসংখ্যা অনুসৰি, চলিত বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰিমাসিকৰ শেষত এই ধৰণৰ ঋণৰ বকেয়া ৭.৮২ শতাংশ পৰ্যন্ত বাঢ়িছে । অৰ্থাৎ প্ৰায় ৮০ হেজাৰ কোটি টকাৰ বকেয়া বৃদ্ধি পাইছে। আনহাতে, পৰামৰ্শদাতা সংস্থা চিএমআইইৰ তথ্য অনুসৰি যোৱা আগষ্টত দেশত নিবনুৱাৰ হাৰো ৮.২৮ শতাংশ পৰ্যন্ত বৃদ্ধি হৈছে। চহৰ আৰু গ্ৰামাঞ্চলত এই হাৰ হৈছে ক্ৰমে ৯.৫৭ শতাংশ আৰু ৭.৬৮ শতাংশ।

বৰ্তমানে চলি থকা নিয়ম অনুসৰি, বেংকসমূহৰ তৰফৰ পৰা ভাৰত আৰু বিদেশত অধ্যয়নৰ বাবে দিয়া চাৰি লাখ টকা পৰ্যন্ত শিক্ষা ঋণ বন্ধকীমুক্ত। আনহাতে, ৭.৫ লাখ পৰ্যন্ত ঋণৰ বাবে বন্ধকীৰ প্ৰয়োজন নাই যদিও গেৰাণ্টৰ বা নিশ্চয়তাদাতাৰ প্ৰয়োজন। ইয়াতকৈ বেছি ঋণ ল'লে বন্ধকী দিয়াটো বাধ্যতামূলক। প্ৰতিটো ক্ষেত্ৰতে অভিভাৱকসকলে যৌথভাৱে ঋণৰ বাবে আবেদন কৰিব লাগে। সাধাৰণতে শিক্ষা সমাপ্ত হোৱাৰ ছমাহৰ পৰা এবছৰৰ পাছত ঋণ পৰিশোধ প্ৰক্ৰিয়া আৰম্ভ হয়। ১০-১৫ বছৰৰ ম্যাদৰ বাবে এই ধৰণৰ ঋণ দিয়া হয়। কিন্তু সংশ্লিষ্ট সূত্ৰৰ মতে, বেংকসমূহে সম্প্ৰতি ৭.৫ লাখ টকা পৰ্যন্ত ঋণ দিবলৈ কুণ্ঠাবোধ কৰিছে। এনে অৱস্থাত যদি ৰাষ্ট্ৰীয় শিক্ষানীতি সঠিকভাৱে ৰূপায়ণ কৰা হয় তেন্তে দক্ষতাভিত্তিক পাঠ্যক্ৰম আৰু কৰ্মৰ সৃষ্টি কৰি কিছু পৰিমাণে সমস্যাটো সমাধান কৰিব পৰা যাব।

মাৰ্চেণ্ট বেংকাৰ ৰিজাৰ্জেণ্ট ইণ্ডিয়াৰ সঞ্চালক প্ৰধান জ্যোতি প্ৰকাশ গাদিয়াই কয় যে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰি কৰ্ম জগতত প্ৰৱেশ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ অনুপাতে বজাৰত চাকৰিৰ সৃষ্টি হোৱা নাই। ফলত শিক্ষা ঋণ সময়মতে পৰিশোধ কৰিব পৰা নাই অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে। যাৰ বাবে বেংকসমূহৰ বকেয়া বৃদ্ধি পাইছে। এনে অৱস্থাত বেংকসমূহে অধিক পৰিমাণৰ ঋণ দিবলৈ কুণ্ঠাবোধ কৰিবলৈ আৰম্ভ কৰিছে। ফলত বহু ক্ষেত্ৰত যোগ্য ছাত্ৰ-ছাত্ৰীয়ে ঋণ লাভ কৰা নাই বা ঋণ লাভত বিলম্ব হৈছে।

প্ৰসংগক্ৰমে উনুকিয়াব পাৰি, শিক্ষা ঋণ প্ৰদান কৰাত পলম হোৱাক লৈ শেহতীয়াকৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে চৰকাৰী বেংকৰ কাৰ্যবাহীসকলৰ স'তে এখন বৈঠক আহ্বান কৰে আৰু ৰাজসাহায্যযুক্ত শিক্ষা ঋণৰ সন্দৰ্ভত সজাগতা বৃদ্ধিৰ পৰামৰ্শ দিয়ে।

## শাৰদীয় বজাৰত ৰেহাইৰ ধুম

# ষষ্ঠীৰ পূৰ্বেই কেন্দ্ৰৰ উপহাৰ



পূজাৰ বতৰত পুনৰ ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ সুতৰ হাৰ বৃদ্ধি কৰিলে কেন্দ্ৰীয় চৰকাৰে। এই সুতৰ হাৰ ৩০ বেছিছ পইণ্টলৈ বৃদ্ধি কৰা হৈছে। চৰকাৰে কৰা এই ঘোষণাৰ পাছতে তিনি বছৰ ম্যাদৰ ডাকঘৰৰ ফিক্সড্ ডিপ'জিটৰ সুতৰ হাৰ ৫.৮ শতাংশলৈ বৃদ্ধি পাইছে। ইমানদিনে এই ম্যাদৰ ফিক্সড্ ডিপ'জিটৰ সুতৰ হাৰ আছিল ৫.৫ শতাংশ। জ্যেষ্ঠ নাগৰিকৰ ফিক্সড্ ডিপ'জিটৰ সুতৰ হাৰো ২০ বেছিছ পইণ্ট বৃদ্ধি কৰা হৈছে। অৰ্থাৎ পূৰ্বে জ্যেষ্ঠ নাগৰিক সঞ্চয় আঁচনিৰ সুতৰ হাৰ আছিল ৭.৪ শতাংশ। এতিয়াৰে পৰা ৭.৬ শতাংশলৈ বৃদ্ধি পাইছে। বিত্ত মন্ত্ৰণালয়ৰ অধিসূচনা অনুসৰি, অক্টোবৰ-ডিচেম্বৰলৈ এই বৃদ্ধি কৰা এই নতুন হাৰত জ্যেষ্ঠ নাগৰিকে অধিক সুত লাভ কৰিব। একেদৰে কিষাণ ক্ৰেডিট কাৰ্ডৰ সুতৰ হাৰ আৰু কাৰ্যকালো সংশোধন কৰিছে চৰকাৰে।



মাত্ৰ ৩৯৯ টকাতে ১০ লক্ষ টকাৰ বীমা!

# দুৰ্ঘটনাৰ পৰা সুৰক্ষা দিব ডাকঘৰৰ এই বিশেষ প্ৰকল্পই

**মানুহৰ** জীৱনটো অনিশ্চয়তাৰে ভৰা। যিকোনো সময়তে যিকোনো দুৰ্ঘটনা ঘটি যাব পাৰে। গতিকে আগতীয়াকৈ দুৰ্ঘটনা বীমা ক্ৰয় কৰি অপ্ৰত্যাশিত খৰচ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আজিকালি প্ৰতিজন সচেতন ব্যক্তিয়েই গুৰুত্ব দিয়ে। দেশৰ এক বৃহৎ অংশ নাগৰিকে ডাকঘৰত বিনিয়োগ কৰে। কাৰণ এই কোম্পানীত বিনিয়োগ কৰিলে নিশ্চিত ৰিটাৰ্ণ পোৱা যায়। কেৱল এয়াই নহয়, একাধিক বিত্তীয় প্ৰতিষ্ঠানৰ তুলনাত ডাকঘৰৰ আঁচনিসমূহে আকৰ্ষণীয় সুতৰ হাৰো প্ৰদান কৰে। শেহতীয়াকৈ ইণ্ডিয়া পোষ্ট পেমেণ্টছ বেংকে আকস্মিক দুৰ্ঘটনাজনিত মৃত্যু বা শাৰীৰিক অক্ষমতাৰ ক্ষেত্ৰত গ্ৰাহকক আৰ্থিক সুৰক্ষা প্ৰদান কৰাৰ বাবে এক বিশেষ আঁচনি মুকলি কৰিছে। কোম্পানীটোৱে মাত্ৰ ৩৯৯ টকা আৰু ২৯৯ টকাত দুৰ্ঘটনা বীমা পলিচী লৈ আহিছে। আইপিপিবিয়ে জানিবলৈ দিয়া মতে, বছৰি ৩৯৯ টকাৰ প্লেন প্ৰিমিয়াম আৰু ২৯৯ টকাৰ বেছিক প্লেন ক্ৰয় কৰি যিকোনো ব্যক্তিয়ে এই সুবিধা গ্ৰহণ কৰিব পাৰে। এই বীমা পলিচীত ১০ লাখ টকা পৰ্যন্ত বীমা কভাৰেজ পোৱা যায়। ১৮ৰ পৰা ৬৫ বছৰ বয়সৰ আইপিপিবিৰ গ্ৰাহকে ৩৯৯ টকা বা ২৯৯ টকাৰ বীমা পলিচী ক্ৰয় কৰি এই সুবিধা লাভ কৰিব পাৰে। এই পৰিকল্পনাই গ্ৰাহকক এবছৰৰ বাবে সুৰক্ষা প্ৰদান কৰিব।

এই বীমা পৰিকল্পনাত আকস্মিক দুৰ্ঘটনাজনিত মৃত্যু, সম্পূৰ্ণ বা আংশিক শাৰীৰিক অক্ষমতা আৰু পক্ষাঘাতৰ ক্ষেত্ৰত পলিচীধাৰী বা তেওঁৰ পৰিয়ালৰ সদস্যই লাভ কৰিব ১০ লাখ টকা। কিন্তু এই পৰিকল্পনাৰ ক্ষেত্ৰত চিকিৎসালয়ত চিকিৎসাৰ সময়ত প্ৰতিদিনে ১০০০ টকা পোৱাৰ সুবিধা পোৱা নাযায়। লগতে ৩৯৯ টকাৰ এই পৰিকল্পনাত পৰিয়ালৰ সদস্যসকলৰ বাবে পৰিবহণ আৰু শেষকৃত্যৰ ৰীতি-নীতিৰ সময়ত সহায়ৰ দৰে কোনো ধৰণৰ সুবিধা প্ৰদান কৰা হোৱা নাই। অৱশ্যে আইপিডিত আকস্মিক দুৰ্ঘটনাজনিত চিকিৎসা ব্যয়ৰ বাবেও ৬০,০০০ টকা এই প্লেনত উপলব্ধ। তদুপৰি অ'পিডিত আকস্মিক দুৰ্ঘটনাজনিত চিকিৎসাৰ ক্ষেত্ৰত ৩০,০০০ টকা পৰ্যন্ত এই পৰিকল্পনাত সামৰি লোৱা হৈছে।

# এছ বি আই কাৰ্ডত কেছ বেকৰ অফাৰ

উৎসৱৰ বতৰত এছবিআই কাৰ্ডে গ্ৰাহকসকলক প্ৰদান কৰিছে বিশাল কেছ বেক অফাৰ। এই অফাৰ অনলাইন আৰু অফলাইন ক্ৰয় দুয়োটাতে উপলব্ধ। গ্ৰাহকে অহা ৩১ অক্টোবৰলৈকে এছবিআই কাৰ্ডৰ এই কেছ বেক অফাৰ লাভ কৰিব পাৰিব। ইলেক্ট্ৰনিক সামগ্ৰী, ম'বাইল, ফেশ্বন, লাইফ ষ্টাইল, গহনা আদি অনলাইন ই-কমাৰ্চ ৱেবছাইটৰ পৰা ক্ৰয় কৰিলে এই অফাৰ উপলব্ধ হ'ব।

এই উৎসৱমুখৰ পৰিৱেশত এছবিআই কাৰ্ডে সমগ্ৰ দেশৰ ২৫০০ৰো অধিক চহৰত ৭০টা ৰাষ্ট্ৰীয় আৰু ১৫৫০টা আঞ্চলিক আৰু স্থানীয় অফাৰ প্ৰদান কৰিছে। গ্ৰাহকে বিভিন্ন অংশীদাৰ ব্ৰেণ্ডৰ পৰা ক্ৰয় কৰিলে ২২.৫ শতাংশ পৰ্যন্ত কেছ বেক লাভ কৰিব পাৰিব। এমাজন ইণ্ডিয়ান ফেষ্টিভেল চেলৰ বাবেও ই-কমাৰ্চ ৱেবছাইট এমাজনৰ স'তে সহযোগিতাৰ চুক্তি কৰিছে এছবিআই কাৰ্ডছে। কোম্পানীটোৱে ফ্লিপকাৰ্ট, চেমচাং ম'বাইল, ৰিলায়েন্স ট্ৰেণ্ডছ, পেন্টালুন, ৰেমণ্ডছ, এল জি, চেমচাং (চেমচাং), ছ'নী, এইছ পি আদি ২০টাতকৈও অধিক ব্ৰেণ্ডৰ স'তে সহযোগিতা কৰিছে। লগতে মেক মাই ট্ৰিপ, গো ইবিবো, বিশাল মেগামাৰ্ট, ৰিলায়েন্সলৈ শ্বপিং কৰিব গ'লেও গ্ৰাহকে এই কাৰ্ডৰ সুবিধা লাভ কৰিব।

# বেংক অৱ বৰোদাৰ 'খুছিয়োন কা ত্যোহাৰ'

বেংক অৱ বৰোদাই শাৰদোৎসৱ উপলক্ষে ঘৰ, গাড়ীকে ধৰি কে'বাটাও ঋণৰ সুতৰ হাৰত ৰেহাই প্ৰদান কৰিছে। লগতে প্ৰচেছিং চাৰ্জো ৰেহাই দিছে। শেহতীয়াকৈ এই চৰকাৰী বেংকে 'খুছিয়োন কা ত্যোহাৰ' নামেৰে এক বিশেষ অফাৰ আগবঢ়াইছে। উৎসৱৰ সময়ত এই বেংকে গাড়ী, ঘৰ, শিক্ষাকে ধৰি একাধিক ঋণৰ ওপৰত আকৰ্ষণীয় সুতৰ হাৰ আগবঢ়াব। ইয়াৰ অধীনত গ্ৰাহকে প্ৰি-পেমেণ্ট বা আংশিক পেমেণ্ট চাৰ্জৰ ক্ষেত্ৰতো সুবিধা লাভ কৰিব। লগতে এই চৰকাৰী বেংকত প্ৰচেছিং চাৰ্জৰ ক্ষেত্ৰত বিশেষ ৰেহাই আছে। গ্ৰাহকে ৭.৯৫ শতাংশ বাৰ্ষিক হাৰত সাধাৰণ ঋণ লাভ কৰিব পাৰিব। তদুপৰি ৭.৯৫ শতাংশ সুতৰ হাৰত গাড়ী ঋণ পাব।

এবাৰ চাৰ্জ দিলেই দৌৰিব ৩১৫ কিলোমিটাৰ পৰ্যন্ত

# সবাতোকৈ সস্তা বৈদ্যুতিক গাড়ী টাটা টিয়াগো ইভি



উৎসৱৰ বতৰত গ্ৰাহকৰ বাবে টাটা মটৰ্ছে মুকলি কৰিছে ইয়াৰ বহু প্ৰতীক্ষিত বৈদ্যুতিক বাহন টিয়াগো ইভি। গাড়ীখনৰ প্ৰাৰম্ভিক দাম ৮.৪৯ লাখ টকা হোৱাৰ বিপৰীতে সৰ্বোচ্চ মূল্য ১১.৭৯ লাখ টকা। দুটা বেটাৰী পেকৰ স'তে এই বাহনখন হৈছে দেশৰ ভিতৰতে সবাতোকৈ সস্তা ইলেক্ট্ৰনিক গাড়ী যি একক চাৰ্জত ৩১৫ কিলোমিটাৰ পৰ্যন্ত দৌৰিব পাৰে।

উল্লেখ্য যে অহা ১০ অক্টোবৰৰ পৰা আৰম্ভ হ'ব টিয়াগো ইভিৰ বুকিং। এই গাড়ীখনত আছে উন্নত প্ৰযুক্তিৰ ক্ৰুজ কণ্ট্ৰ'ল। লগতে ইয়াত আছে এনে কে'বাটাও বৈশিষ্ট্য, যিবোৰ এজন ব্যক্তিয়ে নিজৰ ফোনতো অনায়াসে চাব পাৰে। ইফালে, টিয়াগো ইভিত ২৪ আৰু ১৯.২ কিলোৱাটৰ বেটাৰীৰ বিকল্প আছে। ইয়াৰে ১৯.২ কিলোৱাটৰ বেটাৰীয়ে ২৫০ কিলোমিটাৰ পৰ্যন্ত ৰেঞ্জ আৰু ২৪ কিলোৱাটৰ বেটাৰীয়ে ৩১৫ কিলোমিটাৰ ৰেঞ্জ পৰ্যন্ত যাত্ৰা কৰিব পাৰে।

টাটাই দাবী কৰা মতে, এই গাড়ীখনৰ ১৫এ চকেটটো ৩.৩ কিলোৱাট এচি চাৰ্জাৰ, ৭.২ কিলোৱাটৰ এচি হোম চাৰ্জাৰ আৰু ডিচি চাৰ্জাৰৰ জৰিয়তে চাৰ্জ কৰিব পাৰি।

১৫এ চাৰ্জাৰৰ জৰিয়তে ঘৰত, অফিচত বা আন ঠাইত চাৰ্জ কৰিব পাৰিব এই গাড়ীখন। টিয়াগো ইভি মুঠ পাঁচটা ৰঙত উপলব্ধ -টিল ব্লু, ডেটোনা গ্ৰে, প্ৰিষ্টিন হোৱাইট, মিডনাইট প্লাম আৰু ট্ৰপিকেল মিষ্ট।

এক্সটিৰিয়াৰৰ বৈশিষ্ট্যসমূহৰ ভিতৰত প্ৰজেক্টৰৰ হেডলেম্প, কনট্ৰাষ্ট ছাদ, ৰেইন চেন্সিং ৱাইপাৰ, অটোফ'ল্ডৰ স'তে ইলেক্ট্ৰনিক অ'আৰবিএম আদি উল্লেখযোগ্য। গাড়ীখনৰ ভিতৰৰ ফালে চামৰাৰ চিটিএছ, অটোমেটিক ক্লাইমেট কণ্ট্ৰ'ল, পুছ বুটাম ষ্টাৰ্ট আৰু ষ্টপ বুটামৰ দৰে অত্যাধুনিক বৈশিষ্ট্য সন্নিবিষ্ট কৰা হৈছে। এই গাড়ীখনত এটা পাংচাৰ মেৰামতি কিটো উপলব্ধ। লগতে আপুনি এনড্ৰইড অটো আৰু এপল কাৰ প্লে সংযোগৰ স'তে ৮ স্পীকাৰ হাৰমন ইনফ'টেইনমেণ্ট স্পীকাৰ ছিষ্টেম উপভোগ কৰিব পাৰিব।



বন্ধু-বৰ্গৰ স'তে পেণ্ডেলে পেণ্ডেলে ঘূৰি দেৱী দুৰ্গাৰ আশিস লৈ শেষত কোনোবা এখন ৰেস্তোৰাঁলৈ গৈ বিধে বিধে সুস্বাদু খাদ্য পেট ভৰাই খোৱা...আধ্যাত্মিকতাৰ উপৰি এইবোৰেই হৈছে পূজাৰ আচল মজা। মূল্যবৃদ্ধিক লৈ বছৰৰ বাৰমাহে উদ্বিগ্ন হৈ থাকিলেও পূজা বুলি নতুন কাপোৰ দুযোৰমান বা গহনা দুপদমান কিনিবলৈ নাইবা পাৰ্লাৰলৈ গৈ নতুন লুক এটা আনিবলৈ দুপইচা সৰহকৈ খৰচ কৰিবলৈ কোনেও কুণ্ঠাবোধ নকৰে।

## পূজাৰ বজাৰ

# শাৰদীয় ৰেহাই সম্ভাৰ

**পূজাৰ** বতৰ মানেই সাজন-কাছন, বজাৰ-সমাৰ। বন্ধু-বৰ্গৰ স'তে পেণ্ডেলে পেণ্ডেলে ঘূৰি দেৱী দুৰ্গাৰ আশিস লৈ শেষত কোনোবা এখন ৰেস্তোৰাঁলৈ গৈ বিধে বিধে সুস্বাদু খাদ্য পেট ভৰাই খোৱা...আধ্যাত্মিকতাৰ উপৰি এইবোৰেই হৈছে পূজাৰ আচল মজা। মূল্যবৃদ্ধিক লৈ বছৰৰ বাৰমাহে উদ্বিগ্ন হৈ থাকিলেও পূজা বুলি নতুন কাপোৰ দুযোৰমান বা গহনা দুপদমান কিনিবলৈ নাইবা পাৰ্লাৰলৈ গৈ নতুন লুক এটা আনিবলৈ দুপইচা সৰহকৈ খৰচ কৰিবলৈ কোনেও কুণ্ঠাবোধ নকৰে। কিন্তু তথাপি তাৰ মাজতে যদি এইবোৰ খৰচত দুপইচা ৰাহি কৰিব পৰা যায়, পূজাৰ আনন্দ দুগুণে বাঢ়ি নাযাবনে? এইবেলি পূজাৰ বতৰত কোনখন বিউটি পাৰ্লাৰ, কোনখন গহনা বিপণী বা ৰেস্তোৰাঁত কিমান ৰেহাই দিছে তাকে জানো আহকচোন ঃ

### ডুগডুগীত ২০ শতাংশৰ ৰেহাই

অসমীয়া গহনাৰ বাবে বিখ্যাত, ১২ টাকৈ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বিভিন্ন বঁটাৰে বিভূষিত অভিজাত প্ৰতিষ্ঠান 'ডুগডুগী'য়ে পূজাৰ বতৰত গ্ৰাহকলৈ আগবঢ়াইছে ২০ শতাংশৰ ৰেহাই। ডুগডুগীৰ যিকোনো শ্ব'ৰুমলৈ গৈ ন-পুৰণি ডিজাইনৰ বিভিন্ন অসমীয়া গহনাৰ লগতে গ্ৰাহকে লাইফ টাইম



ৱাৰেন্টী, এক্সচেঞ্জ বা মেৰামতি আদি বহু ধৰণৰ সুবিধা। লগতে নিজে বিচৰা ডিজাইনটো যদি উপলব্ধ নহয়, সময় ৰাখি দি যাব পাৰিব অৰ্ডাৰ। উল্লেখ্য যে ডুগডুগীৰ গহনা অনলাইনৰ যোগেদিও ভাৰতৰ যিকোনো ঠাইতে ল'ব পাৰিব গ্ৰাহকে। ইয়াৰ বাবে ৮৮২২৬৫৩৩০৭ নম্বৰত হোৱাটছএপ কৰি গহনাৰ ফটোখন পঠাই ঠিকনাটো দিলেই হ'ল। উল্লেখ্য যে অহা ২০ অক্টোবৰলৈ চলিব ডুগডুগীৰ এই অফাৰ।

### মহেন্দ্ৰ জুৱেলাৰ্ছত গহনাৰ মেকিং চাৰ্জত ৰেহাই

গুৱাহাটীৰ লাখটকীয়াত থকা মহেন্দ্ৰ জুৱেলাৰ্ছ নামৰ গহনা বিপণীখনেও এইবেলি পূজাৰ বতৰত গ্ৰাহকলৈ আগবঢ়াইছে ৰেহাই সম্ভাৰ। ২২কেৰেটৰ হ'ল মাৰ্কযুক্ত সোণৰ গহনাত ৪০শতাংশ পৰ্যন্ত মেকিং চাৰ্জ ৰেহাই দি আছে এই বিপণীখনে।

### বি ব্লান্ট,দৰ্পণতো ৰেহাইৰ ধুম

পূজা বুলিয়েই আগশাৰীৰ



বিউটি চেল'ন বি ব্লান্ট আৰু দৰ্পণে গ্ৰাহকৰ বাবে ৰেহাই মূল্যত বিভিন্ন সৌন্দৰ্য চৰ্চাৰ সামগ্ৰী আৰু সেৱা আগবঢ়াইছে। দুহেজাৰ, চাৰি হেজাৰ, আৰু সাত হেজাৰ টকা মূল্যৰ যিকোনো সেৱা গ্ৰহণ কৰা গ্ৰাহকক ক্ৰমে পাঁচশ, এহেজাৰ আৰু দুহেজাৰ টকাৰ সৌন্দৰ্য সেৱা বিনামূলীয়াকৈ আগবঢ়াই থকা হৈছে বি ব্লান্টত। আনহাতে, দৰ্পণত যিকোনো ফেচিয়েল, হেয়াৰ স্পা আদিত ২৫ শতাংশ পৰ্যন্ত ৰেহাই দি থকাৰ লগতে হেয়াৰ ষ্ট্ৰেইটনিং আৰু স্মুথিং কৰা গ্ৰাহকক বিনামূলীয়াকৈ হেয়াৰ স্পাৰ সুবিধা দি থকা হৈছে।

### দ্য গ্ৰিল এভিনিউত পূজাৰ অফাৰ

ৰাজগড় ৰোডত থকা 'দ্য গ্ৰিল এভিনিউ' নামৰ জনপ্ৰিয় ৰেস্তোৰাঁখনত এইবেলি পূজাৰ বতৰত খাটি বাঙালী পৰম্পৰাগত খাদ্য সম্ভাৰ অতি ব্যয়সাধ্য মূল্যত আগবঢ়াই থকা হৈছে। খাদ্যৰসিকসকলৰ বাবে মাত্ৰ ৪৪৯ টকাতে পৰম্পৰাগত বাঙালী খাদ্য সম্ভাৰৰ বাফেট আগবঢ়াইছে এই ৰেস্তোৰাঁখনে।

## ৰাভা হাছং পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্য ধনেশ্বৰ ৰাভাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ১ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ পূব প্ৰান্তৰ ধূপধৰা বিকালী অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী, সুলেখক, বয়োজ্যেষ্ঠ নাগৰিক তথা ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্য কৰ্মযোগী ধনেশ্বৰ ৰাভা আৰু নাই। আজি দিনৰ প্ৰায় ১১-৩০ বজাত ধূপধৰাৰ কোঠাকুঠিস্থিত নিজ বাসভৱনত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। তেওঁৰ মৃত্যুত সমগ্ৰ ধূপধৰা বিকালী অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰে। ১৯২৯ত জন্মগ্ৰহণ কৰা ৰাভাৰ মৃত্যুৰ সংবাদ বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসভৱনত বহু গুণমুগ্ধ উপস্থিত হৈ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। ইপিনে গুণমুগ্ধই সমবেত হৈ তেওঁৰ নশ্বৰ দেহ পুষ্পৰে সুসজ্জিত গাড়ীৰে মাছলাম এম ই স্কুল, ধূপধৰাৰ বিকালী মহাবিদ্যালয়, ধূপধৰা শংকৰদেৱ শিশু নিকেতন, বিকালী মৌজা উন্নয়ন সমিতি, ধূপধৰা আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ নি পিছলৈ শেষকৃত্য স্থানীয় শ্মশানত সম্পন্ন কৰা হয়। তেওঁ খেকাপাৰা এম ভি স্কুলৰ শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলি পাছলৈ আমবাৰী পঞ্চায়তৰ সম্পাদক, ধূপধৰা পঞ্চায়তৰ সম্পাদক, দুধনৈ পঞ্চায়তৰ সম্পাদক, বিকালী গাঁও পঞ্চায়তৰ সভাপতি, ৰংজুলি আঞ্চলিক পঞ্চায়তৰ পদেন সদস্য লগতে ১৯৮৬ত গোৱালপাৰা জিলা সংহত জনজাতি উন্নয়ন প্ৰকল্পৰ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে গোৱালপাৰা জিলা ৰাভা জাতীয় পৰিষদৰ সভাপতি, ৰাভা হাছং দাবী সমিতিৰ সভাপতি, ৰাভা হাছং সুৰক্ষা পৰিষদৰ সভাপতি, বিকালী মৌজা উন্নয়ন সমিতিৰ উপসভাপতি, শংকৰ সংঘৰ জিলাৰ প্ৰচাৰক, নিখিল ৰাভা জাতীয় পৰিষদৰ কাৰ্যনিৰ্বাহক সদস্য, জিলা ট্ৰাইবেল সংঘৰ কাৰ্যনিৰ্বাহক সদস্য, ধূপধৰা পূৰ্বশ্ৰী সমিতিৰ সভাপতি, দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজৰ উপসভাপতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত আছিল। বৰ্ষীয়ান সমাজকৰ্মীজনৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ চাৰি পুত্ৰৰ লগতে দুগৰাকী জী, নাতি-নাতিনীসহ বহুতো আত্মীয়-স্বজনক ইহ সংসাৰত এৰি যায়।

## সাংস্কৃতিক শোভাযাত্ৰাৰে আৰম্ভ শ্ৰীশ্ৰীকৰুণাময়ী সাৰ্বজনীন পূজাৰ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ গেৰেকীচুক গাঁওস্থিত ঐতিহ্যমণ্ডিত গায়ত্ৰী মন্দিৰ প্ৰাংগণত এইবেলি বিস্তৃত কাৰ্যসুচীৰে অনুষ্ঠিত কৰা হ'ব ৩০ সংখ্যক শ্ৰীশ্ৰীকৰুণাময়ী সাৰ্বজনীন দুৰ্গোৎসৱ। আজি এই উদ্দেশ্যৰে ষষ্ঠীৰ দিনটোত গায়ত্ৰী মন্দিৰৰ নিকটৱৰ্তী মাধৱ প্ৰদীপ সংস্কৃত টোলৰ প্ৰাংগণত ধৰ্মধ্বজা উত্তোলন কৰা হয়। ৩০ সংখ্যক বৰ্ষ উপলক্ষে অঞ্চলটোৰ বিভিন্ন সামাজিক, সাংস্কৃতিক, শৈক্ষিক আদি অনুষ্ঠানৰ সভাপতি সম্পাদকক আমন্ত্ৰণ জনাই ৩০ খন ধৰ্মধ্বজা উত্তোলন কৰা হয়। ধৰ্মধ্বজা উত্তোলন কৰি জামুগুৰি সাহিত্য সভাৰ সভাপতি জ্যোতি ভট্টাচাৰ্যই কয়, 'অঞ্চলটোৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ৰাইজক একত্ৰিত কৰি অনুষ্ঠিত কৰা এই সাৰ্বজনীন দুৰ্গা পূজাই সমন্বয়ৰ ভেটি শক্তিশালী কৰি তুলিব। আনজন ধৰ্মধ্বজা উত্তোলক ডাঃ হৰেন শইকীয়াই কয়, '



শ্ৰীশ্ৰীকৰুণাময়ী সাৰ্বজনীন এই দুৰ্গা পূজা সমন্বয়ৰ বাটকটীয়া হৈ উঠক। এই সমন্বয়ৰ বাৰ্তা সকলো শ্ৰেণীৰ ৰাইজৰ মাজলৈ বিয়পি পৰক।' শ্ৰীশ্ৰীকৰুণাময়ী সাৰ্বজনীন দুৰ্গা পূজা উদ্যাপন কমিটীৰ সম্পাদক উদ্দীপ্ত কাশ্যপে আঁত ধৰা অনুষ্ঠানত অঞ্চলটোৰ কে'বাশতাধিক পুৰুষ-মহিলা, যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। ধৰ্মধ্বজা উত্তোলনৰ পূৰ্বে উদ্যাপন কমিটীৰ সভাপতি তথা যুৱ নাট্য শিল্পী ৰাজীৱ বৰঠাকুৰে পূজা কমিটীৰ হৈ প্ৰধান পতাকা উত্তোলন কৰে। সভাপতিজনে শ্ৰীশ্ৰীকৰুণাময়ী সাৰ্বজনীন দুৰ্গোৎসৱৰ সফল কামনা কৰি সকলো শ্ৰেণী ৰাইজৰ সহযোগিতা কামনা কৰাৰ লগতে আজিৰ ধৰ্মধ্বজা উত্তোলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰা সকলো অনুষ্ঠান-প্ৰতিষ্ঠান তথা ধৰ্মীয় সংগঠনক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। ধৰ্মধ্বজা উত্তোলনৰ অন্তত উদ্যোক্তাসকলে গেৰিকীচুক গাঁৱৰ মাজেদি এক সাংস্কৃতিক শোভাযাত্ৰাও উলিওৱা হয়।

## ফেৰী বা নাও দুৰ্ঘটনা ৰোধৰ বাবে ধুবুৰী জিলা উপায়ুক্তৰ নিৰ্দেশনা

**ধুবুৰী, ১ অক্টোবৰ ঃ** ধুবুৰী জিলাত ব্ৰহ্মপুত্ৰ আৰু আন উপ-নৈসমূহত সংঘটিত ফেৰী বা নাও দুৰ্ঘটনা ৰোধ কৰি যাত্ৰী আৰু সামগ্ৰীৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে আৰু ফেৰী সেৱা সুচাৰুৰূপে চলাতো নিশ্চিত কৰাৰ বাবে ধুবুৰী জিলা উপায়ুক্তই ফৌজদাৰী বিধিৰ ১৪৪ ধাৰাৰ অধীনত আজি এক জাননীযোগে কেতবোৰ নিৰ্দেশনা প্ৰদান কৰিছে। সেইসমূহ হৈছে কাৰ্গো বা সামগ্ৰী কঢ়িওৱা নাও বা ফেৰীত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে নিৰ্ধাৰণ কৰা নাও বা ফেৰীৰ সৰ্বাধিক চাৰিজন কৰ্মচাৰীৰ বাহিৰে কোনো লোক বা যাত্ৰী যাব নোৱাৰিব। সকলো নাও বা ফেৰীত জীৱন ৰক্ষাকাৰী সামগ্ৰী যেনে লাইফ জেকেট, অগ্নি নিৰ্বাপক যন্ত্ৰ, ফাৰ্ষ্ট এইড বক্স আদি থাকিব লাগিব। আভ্যন্তৰীণ জল পৰিবহণ বিভাগে নিৰ্ধাৰণ কৰি দিয়া ওজন বা আসন সংখ্যাৰ অতিৰিক্ত সামগ্ৰী বা যাত্ৰী কোনো সামগ্ৰী কঢ়িওৱা বা যাত্ৰীবাহী নাও বা ফেৰীয়ে নিব নোৱাৰিব। আভ্যন্তৰীণ জল পৰিবহণ বিভাগে নিৰ্ধাৰণ কৰি দিয়া সময় যাত্ৰীবাহী বা মালবাহী ফেৰীয়ে কঠোৰভাৱে মানি চলিব লাগিব। সূৰ্যাস্তৰ পাছত বা কুঁৱলি থাকিলে কোনো ফেৰী সেৱা চলিব নোৱাৰিব। নাৱত যাত্ৰা কৰাৰ সময়ত ছেলফি লোৱাতো সম্পূৰ্ণৰূপে নিষিদ্ধ। আভ্যন্তৰীণ জল পৰিবহণৰ বিষয়াই নিয়মীয়াকৈ যাত্ৰীবাহী বা সামগ্ৰী কঢ়িওৱা নাও বা ফেৰীৰ ফিটনেছৰ পৰীক্ষণ কৰিব। আভ্যন্তৰীণ জল পৰিবহণ বিভাগে নাও বা ফেৰীৰ চালক আৰু কৰ্মচাৰীক নিয়মীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰিব।

## অৰণ্য দিৱসত উদ্বিগ্ন অৰণ্য সুৰক্ষা সমিতি ঃ বন ধ্বংসই বঢ়াইছে উষ্ণতা

**গুৱাহাটী, ১ অক্টোবৰ ঃ** বনাঞ্চল ধ্বংসৰ ফলত ভয়াৱহভাৱে বৃদ্ধি পাইছে উষ্ণতা। শাৰদীয় বতৰতো অসমৰ উষ্ণতা গ্ৰীষ্মকালৰ দৰেই হৈ আছে। আগতে পূজাৰ সময়ত থিয়েটাৰ চাবলৈ যোৱা দৰ্শকে চুৱেটাৰ পিন্ধি গৈছিল। এতিয়া বিচনী হাতত লৈহে থিয়েটাৰ চাব লগা হৈছে শাৰদীয় বতৰতো। বন ধ্বংসৰ ফলত ব্যাপক হাৰত উষ্ণতা বৃদ্ধিত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে অৰণ্য সুৰক্ষা সমিতি অসমে। আজি অৰণ্য দিৱস উপলক্ষে গুৱাহাটীৰ ৰাজগড় ৰোডত সমিতিয়ে আয়োজন কৰা এখন সভাত সমিতিৰ কৰ্মকৰ্তাসকলে উন্নয়নৰ নামত জধে-মধে গছ নাকাটিবলৈ আহ্বান জনাই কয় যে আমি যদি বহনক্ষম উন্নয়নৰ প্ৰতি মনোযোগ নিদিও তেনেহ'লে ভৱিষ্যৎ প্ৰজন্মই ভয়াৱহ পৰিৱেশজনিত সমস্যাৰ সন্মুখীন হ'ব আৰু আমি এদিন তেওঁলোকৰ ধিক্কাৰৰ পাত্ৰ হ'ব লাগিব। সমিতিৰ অন্যতম উপদেষ্টা দীপক কুমাৰ দাসে সভাপতিত্ব কৰা সভাত সমিতিৰ সদস্যসকলে চৰকাৰক বহনক্ষম উন্নয়ন সম্পৰ্কীয় বিধি প্ৰণয়ন কৰিবলৈ আহ্বান জনায়। সভাত ভাষণ দি সমিতিৰ সচিব প্ৰধান ড° হৰিচৰণ দাসে কয় যে বহল বাটতকৈ বহল বননিৰহে এতিয়া অধিক প্ৰয়োজন হৈ পৰিছে। তেওঁ কয় যে ভৱিষ্যৎ প্ৰজন্মৰ স্বাৰ্থত আমি কিছুমান প্ৰযুক্তিনিৰ্ভৰ সুখ-সুবিধা ত্যাগ কৰিবলৈ সাজু থাকিব লাগিব। অৰণ্য সুৰক্ষা সমিতি অসমৰ কাৰ্যকৰী সচিব নিতুল শিৰনাথে উদ্দেশ্য ব্যাখ্যা কৰা সভাত সমিতিৰ গুৱাহাটীৰ স্বেচ্ছাসেৱকসকল উপস্থিত থাকে।

## টংলাত ৩৫ খন পূজা সমিতিৰ দুৰ্গা পূজা উদ্‌যাপন

### ■ মহাষ্টমীত দিব তিনিটা ম'হ বলি

**অগ্ৰদূত বাৰ্তা**

**টংলা, ১ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱ। কেউদিশে উৎসৱৰ মধু আলোড়ন। উখল-মাখল পৰিৱেশ। প্ৰেম, শান্তি-সম্প্ৰীতি, ভ্ৰাতৃত্বৰ এনাজৰী গঢ়ি মানৱতাৰ জয়গান গাবলৈ অপশক্তি বিনাশ কৰিবলৈ হাতীৰ পিঠিত উঠি ধৰালৈ নামি আহিল মহিষ মৰ্দিনী দেৱী দুৰ্গা। কেউফালে ভিৰ। অনলাইন ব্যৱসায়ে দোকানীক মাধমাৰ সোধাইছে যদিও আজি কিছুদিন ধৰি দোকানীৰ মন উৎফুল্লিত। দোকানত ভিৰ বাঢ়িছে। কৰ'না মহামাৰীৰ বাবে দুবছৰ ধৰি দেৱী দুৰ্গাক আৰাধনা কৰা বা আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰিবলৈ বিৰত থাকিব লগা হৈছিল। সেয়ে এইবেলি দুৰ্গতি নাশিনী মা দুৰ্গাক আৰাধনা কৰিবলৈ পূজা সমিতিসমূহে ব্যাপক আয়োজন কৰিছে। একপ্ৰকাৰ প্ৰতিযোগিতা চলিছে। কোনে কেনেদৰে আনতকৈ পৃথক ৰং চঙীয়া কৰিব পাৰে তাৰে অঘোষিত প্ৰতিযোগিতা চলিছে। ব্যতিক্ৰম নহয় টংলাতো। ওদালগুৰি জিলাৰ ব্যৱসায়িক চহৰ, বৌদ্ধিক, শিক্ষা, সাংস্কৃতিক নগৰ বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি টংলাতো দুৰ্গা পূজা আয়োজনৰ ব্যাপক প্ৰস্তুতি চলিছে। প্ৰশাসনৰ যাৱতীয় নীতি অনুসৰি পূজা সমিতিসমূহে নিজ নিজ দুৰ্গোৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। টংলা আৰক্ষী থানাৰ অন্তৰ্গত দুৰ্গোৎসৱ উদ্‌যাপন কৰিবলৈ লোৱা সমিতিসমূহ হ'ল দক্ষিণ নলবাৰী সাৰ্বজনীন দুৰ্গা পূজা, নৱ মিলন সংঘ দুৰ্গা পূজা, হাছ পাৰা সাৰ্বজনীন দুৰ্গা পূজা, পূব টংলা দুৰ্গা পূজা, নবীন পল্লী সাৰ্বজনীন শাৰদীয় দুৰ্গোৎসৱ, জালুকবাৰী সেৱক সংঘ দুৰ্গা পূজা, টংলা বাৰৈপাৰা দুৰ্গা পূজা, টংলা জালুকবাৰী বাৰুৱাৰী পূজা, বৰজলাহ দুৰ্গা পূজা, ইউনাইটেড ক্লাব জনতা কালীবড়ি, হাস্পিতাল ৰোড দুৰ্গা পূজা, শিলপোতা, পুৰণি টংলা সাৰ্বজনীন দুৰ্গা পূজা, ৰাম কৃষ্ণ সেৱা সমিতি দুৰ্গোৎসৱ, সামেকুছি দুৰ্গোৎসৱ, অমৰ ভাৰত সংঘ দুৰ্গোৎসৱ, টংলা ৰেল ষ্টেছন ৰোড দুৰ্গোৎসৱ, বিবেকানন্দ পল্লী দুৰ্গোৎসৱ, জনকল্যাণ সমিতি দুৰ্গোৎসৱ, সুভাষপল্লী বাৰুৱাৰী দুৰ্গোৎসৱ, টংলা চাৰি নম্বৰ খণ্ড দুৰ্গা পূজা, টংলা নোনাইপাৰা নৱগ্ৰহ সংঘ দুৰ্গা পূজা, গৰংপাৰা সাৰ্বজনীন দুৰ্গা পূজা, পশ্চিম হাঁহিনী দুৰ্গা পূজা, টংলা ইলেভেন ষ্টাৰ দুৰ্গোৎসৱ, টংলা চাৰিআলি দুৰ্গোৎসৱ, স্বৰজিলা দুৰ্গা পূজা, বিশ্বজ্যোতি ক্লাব পালপাৰা দুৰ্গোৎসৱ, টংলা জালুকবাৰী বুলেট ক্লাব, পুৰণি টংলা বুঞ্জাথান দুৰ্গা পূজা, পালপাৰা পূজা মন্দিৰ দুৰ্গোৎসৱ, দক্ষিণ ঠাকুৰীয়াপাৰা দুৰ্গা পূজা, ঠাকুৰীয়াপাৰা আঞ্চলিক মাতৃ প্ৰতিষ্ঠান সংঘ দুৰ্গা পূজা সমিতি আদি। আনহাতে, প্ৰশাসনে বিজয়ী দশমীৰ দিনা দুৰ্গা পূজাৰ প্ৰতিমূৰ্তি বিসৰ্জন দিবলৈ এক নম্বৰ নোনাই ঘাট, দুই নোনাই ঘাট, ভূত বাংলা ঘাট, বাবুপাৰা শনি মন্দিৰ ঘাট আৰু বাৰৈপাৰা শিৱ গংগা আদি পাঁচটা ঘাট নিৰ্দিষ্ট কৰি দিছে। এইবেলি টংলাৰ প্ৰগতি সংঘ, বাবুপাৰা দুৰ্গোৎসৱ উদ্‌যাপন সমিতিয়ে হীৰক জয়ন্তী বৰ্ষ উপলক্ষে অত্যাধুনিক সাজসজ্জাৰে পূজা মণ্ডপ আকৰ্ষণীয় কৰি তুলিছে। বিভিন্ন পূজা মণ্ডপত ৰং বিৰঙৰ আলোকসজ্জাৰে পূজা মণ্ডপ, পূজাস্থলী আকৰ্ষণীয় কৰিবলৈ ব্যাপক প্ৰস্তুতি তুংগত কৰি তুলিছে। ঐতিহ্যমণ্ডিত পুৰণি টংলা সাৰ্বজনীন দুৰ্গা পূজা সমিতি বা টংলেশ্বৰী থানত মহাষ্টমীৰ দিনাখন তিনিটাকৈ ম'হ বলিদানেৰে ভক্তই দুৰ্গা দেৱীক আৰাধনা কৰিব। পূজা সমিতিসমূহে যুদ্ধংদেহী মনোভাৱেৰে পূজা মণ্ডপ, পূজাস্থলী আকৰ্ষণীয় কৰিবলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰাৰ বিপৰীত প্ৰশাসনেও শান্তি-শৃংখলা অটুট ৰাখি পূজা অৰ্চনা কৰাত যাতে কোনো ব্যাঘাত নজন্মে তাৰ বাবে নিয়মানুৱালী জাৰি কৰিছে। দেৱী দুৰ্গাই মানৱ কল্যাণৰ লগতে অসূয়া-অপ্ৰীতি, অশান্তি আঁতৰাই সুখ-শান্তি, সমৃদ্ধিশালী কঢ়িয়াই আনিব বুলি ভক্তপ্ৰাণ ৰাইজে মহাবাঞ্ছা কৰিছে।



## গোৱালপাৰাৰ অভিভাৱক মন্ত্ৰীৰ বিৰুদ্ধে সৰৱ বিধায়ক ৰছিদ আলম

### গোৱালপাৰা পৌৰসভাৰ দুৰ্নীতিৰ তদন্তৰ দাবী বিধায়কৰ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১ অক্টোবৰ ঃ** গোৱালপাৰাৰ অভিভাৱক মন্ত্ৰী অশোক সিংঘালৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে পূব গোৱালপাৰাৰ বিধায়ক এ কে ৰছিদ আলম। আজি নিজ বাসভৱনত এক সংবাদমেল সম্বোধন কৰি বিধায়কজনে কয় যে মন্ত্ৰী সিংঘাল এজন বেপাৰী। গোৱালপাৰা জিলাতো তেওঁ বেপাৰ কৰিবলৈ আহিছে। গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব লৈ তেওঁ প্ৰথমবাৰৰ বাবে গোৱালপাৰালৈ আহি পাঁচটা বিভাগৰ স'তে পৰ্যালোচনা সভা কৰিছে। কিন্তু সভাত গোৱালপাৰাৰ এজন বিধায়কক তেওঁ আমন্ত্ৰণ জনোৱা নাছিল বুলি অভিযোগ কৰিছে আলমে। ইপিনে, দুৰ্নীতি সন্দৰ্ভত বিধায়কজনে কয় যে মুখ্যমন্ত্ৰীয়ে যদি দুৰ্নীতিমুক্ত কৰিব বিচাৰিছে তেন্তে প্ৰথমে গোৱালপাৰা পৌৰসভাৰ দুৰ্নীতিৰ পৰাই দুৰ্নীতিমুক্ত অভিযান আৰম্ভ কৰক। কিয়নো গোৱালপাৰা পৌৰসভাত পঞ্চদশ বিত্তীয় আয়োগৰ কাম নকৰাকৈয়ে ৮০ শতাংশ ধন আদায় দিয়া বুলি অৱগত হৈছে। তদুপৰি পৌৰসভাখনত কিমান টকা জমা আছে কিমান টকা খৰচ কৰিছে তাৰ কোনো হিচাপ নাই। কেৱল পৌৰসভাতেই নহয়, গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদতো ব্যাপক দুৰ্নীতি সংঘটিত হৈছে। গাইডলাইন উলংঘন কৰি উন্নয়ন খণ্ড বিষয়াসকলে কাম কৰি আছে। পঞ্চায়ত মন্ত্ৰীজন মহাপণ্ডিত গতিকে তেওঁ আৰু কি কৰিব বুলি উল্লেখ কৰে বিধায়ক আলমে। ইপিনে, পৌৰসভাৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ সন্দৰ্ভত পৌৰপতি মহানন্দ পাঠকে কয় যে বিভাগীয় নিয়মানুসৰি নিবিদাযোগে ৰেডিয়াণ্ট ইঞ্জিনিয়াৰিং কোম্পানীক আৰঅ' প্লাণ্টৰ ঠিকা দিয়া হৈছিল আৰু কোম্পানীয়ে সকলো মেচিনাৰী সামগ্ৰী প্ৰস্তুত কৰাৰ পাছত আঁচনিৰ ৮০ শতাংশ ধন ৰিলিজ কৰা হৈছে। ইয়াৰ পূৰ্বে পৌৰসভাৰ অভিযন্তাসকলে ফেক্টৰীত গৈ সকলো সামগ্ৰী চাই পৰীক্ষা কৰাৰ পাছতহে আঁচনিৰ ধন মোকলাই দিয়া হৈছে, কিন্তু মেচিনাৰী সামগ্ৰী ৰখাৰ বাবে গোৱালপাৰা পৌৰসভাৰ আঁচনি গৃহটোত ঠাইৰ অভাৱত ৯০ দিনৰ বাবে কোম্পানীৰ নিজৰ জিম্মাত ৰাখিব দিয়া হৈছে। সেয়ে বৃহৎ আকাৰৰ আঁচনিৰ কামৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে পৌৰপতিগৰাকীয়ে। কিন্তু একাংশ পৌৰ আয়ুক্তই মেচিনাৰী সামগ্ৰী নোপোৱাকৈ তথা কাম সম্পূৰ্ণ নোহোৱাকৈ প্ৰায় ৮৭ লাখ টকাৰ বিল আদায় দিয়াক লৈ সৰৱ হৈ পৰিছে। একাংশ পৌৰ আয়ুক্তক অন্ধকাৰত ৰাখি তথা পৌৰসভাৰ ব'ৰ্ড মিটিঙত আলোচনা নকৰাকৈ বৃহৎ আকাৰৰ প্ৰকল্পৰ কাম কৰাৰ বিষয়টো সহজে মানি ল'ব পৰা নাই। সেয়ে এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে একাংশ পৌৰ আয়ুক্তই।

## প্ৰায়ত পিতৃ-মাতৃৰ স্মৃতিত নিৰ্মিত সভাঘৰ উদ্বোধন সাংসদ শইকীয়াৰ



**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১ অক্টোবৰ ঃ** নলবাৰী সমষ্টিৰ দেহাৰকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত পশ্চিম বড়িগোগ সাৰ্বজননী শ্ৰীশ্ৰীদুৰ্গা পূজা মণ্ডপ দেহাৰকুছি প্ৰাংগণত কে'বা লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এটি আটকধুনীয়া সভাঘৰ আজি সাংসদ তথা বিজেপি ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই আনুষ্ঠানিকভাৱে উদ্বোধন কৰি ৰাইজৰ নামত উছৰ্গা কৰে। সাংসদজনৰ প্ৰয়াত পিতৃ প্ৰবীণ চন্দ্ৰ শইকীয়া আৰু প্ৰয়াত মাতৃ পুষ্পলতা শইকীয়াৰ পুণ্য স্মৃতিত সাংসদজনৰ লগতে পৰিয়াল বৰ্গৰ সহযোগত সভাঘৰটো আটকধুনীয়াকৈ সজাই তুলিছিল। আজি দিনৰ ভাগত সাংসদজনে তেওঁৰ পত্নীসহ উপস্থিত হৈ সভাঘৰটো উদ্বোধন কৰি কয় যে সঁচাকৈয়ে মই আজি গৌৰৱ অনুভৱ কৰিছো। কাৰণ মোৰ প্ৰয়াত পিতৃ-মাতৃৰ পুণ্য স্মৃতিত এটি পৱিত্ৰ অনুষ্ঠানত ৰাইজৰ বাবে এটি সভাঘৰ উছৰ্গা কৰিব পাৰিছো। ইয়াৰ বাবে দুৰ্গা মন্দিৰৰ লগতে ৰাইজক ধন্যবাদ জনাইছো। দুৰ্গা পূজা মণ্ডপ পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি শচীন্দ্ৰ শৰ্মাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত মণ্ডপ পৰিচালনা সমিতিৰ সভাপতি নিৰঞ্জন চন্দ্ৰ ডেকা, সম্পাদক ড° খনীন্দ্ৰ শৰ্মা, পূজা পৰিচালনা সমিতিৰ সভাপতি ৰামপ্ৰসাদ শৰ্মা, সম্পাদক হিতেশ শৰ্মা আদি কৰি কে'বাজনো বিশিষ্ট লোক উপস্থিত থকাৰ উপৰি যথেষ্ট সংখ্যক ধৰ্মপ্ৰাণ ৰাইজ উপস্থিত থাকে।

## স্নাতকোত্তৰত প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগত সাগৰিকা গোস্বামী

**পাটাছাৰকুছি , ১ অক্টোবৰ ঃ** টিহু নাথকুছিৰ নিৱাসী হেমন্ত কুমাৰ গোস্বামী আৰু অনামিকা গোস্বামীৰ কন্যা সাগৰিকা গোস্বামীয়ে আজি কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰীৰ পৰা সংস্কৃত সাহিত্য বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। শংকৰদেৱ শিশু নিকেতন পাটাছাৰকুছিত শিক্ষা জীৱনৰ পাতনি মেলি, শংকৰদেৱ শিশু বিদ্যা নিকেতন, টিহুৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কৃষ্ণকান্ত সন্দিকৈ জুনিয়ৰ কলেজ পাঠশালাৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ নলবাৰী সংস্কৃত বিশ্ববিদ্যালয়ৰ পৰা সংহত স্নাতকোত্তৰ পাঠ্যক্ৰমত সংস্কৃত সাহিত্যৰ এই বৰ্ষৰ সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰী হিচাপে স্বীকৃতি পায়। সাহিত্য, সংস্কৃতিৰ লগত নিজ মেধাক সমানে আগুৱাই লৈ যোৱা সাগৰিকাই ইতিমধ্যে কে'বাটাও প্ৰাদেশিক আৰু ৰাষ্ট্ৰীয় সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। তথা ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় ৰেকৰ্ড লাভ কৰিও সমাজৰ আদৰ লাভ কৰিছে। তেওঁৰ এই শেহতীয়া সফলতাৰ বাবে সাগৰিকাই বিশ্ববিদ্যালয়ৰ বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী, পৰিয়াল তথা সহপাঠীলৈ কৃতজ্ঞতা প্ৰকাশ কৰিছে।

## বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ বাসগৃহত বিধানসভাৰ অধ্যক্ষ দৈমাৰী

### ■ বড়োফাৰ ভতিজালৈ চৰকাৰী চাকৰিৰ নিযুক্তি পত্ৰ প্ৰদান

### ■ বড়োফাৰ পৰিয়ালৰ সদস্যৰে মত বিনিময়



**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ/ফকিৰাগ্ৰাম, ১ অক্টোবৰ ঃ** কোকৰাঝাৰ জিলাৰ দোতমাৰ বৰাগাৰী গাঁৱত আজি প্ৰয়াত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ বাসগৃহত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী উপস্থিতহৈ পৰিয়ালৰ স'তে মত বিনিময় কৰে। লগতে বিধানসভাৰ অধ্যক্ষজনে বড়োফাৰ পৰিয়ালৰ নিকটতম সদস্য তথা বড়োফাৰ ভতিজা থুলাউ ব্ৰহ্মা ওৰফে থুল্লাউক অসম বিধানসভাত লাইব্ৰেৰী এটেনডেণ্টৰ চাকৰিৰ নিযুক্তি পত্ৰ প্ৰদান কৰে। ইয়াৰ উপৰি অধ্যক্ষ দৈমাৰীয়ে বড়োফাৰ আন এজন ভতিজা তথা শাৰীৰিকভাৱে সক্ষম মেনলা ব্ৰহ্মাক এখন অত্যাধুনিক ইলেক্ট্ৰনিক হুইল চেয়াৰ প্ৰদান কৰে। উল্লেখ্য যে বিধানসভাৰ অধ্যক্ষ দৈমাৰীয়ে শনিবাৰে বড়োফাৰ পৰিয়ালক সাক্ষাৎ কৰি পোনে পোনে দোতমাৰ থুলংগাপুৰীত থকা বড়োফাৰ সমাধিক্ষেত্ৰত উপস্থিত হৈ বড়োফৰা সমাধিক্ষেত্ৰ আৰু প্ৰতিকৃতিত মাল্যপৰ্ণ কৰে । ইয়াৰ পাছতে দুপৰীয়া ভাগত জ্যেষ্ঠ নাগৰিক আৰু বুদ্ধিজীৱীৰে এক অন্তঃৰংগ আলোচনা সভাত ভাগ লয়। উল্লেখ্য যে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ দোতমা ভ্ৰমণসূচীৰ কাৰ্যসূচীত সংগ দিয়ে কোকৰাঝাৰ পূৱ সমষ্টিৰ বিধায়ক লৰেঞ্চ ইচলাৰী, গোসাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক জিৱন বসুমতাৰী, বড়ো কছাৰী কল্যাণ পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মিহিনেশ্বৰ ব্ৰহ্মা আৰু জিলা উপায়ুক্ত বৰ্ণালী ডেকা।

## লীলাবাৰী বিমানকোঠৰ ফিল্ড বিস্তাৰৰ ভূমি দাতাই পোৱা নাই ক্ষতিপূৰণৰ উচিত প্ৰাপ্য

### ঘনে ঘনে ঘৰ-মাটি হেৰুৱাব লগা পৰিস্থিতিয়ে জুৰুলা কৰিছে ভুক্তভোগীক

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১ অক্টোবৰ ঃ** লীলাবাৰী বিমানকোঠৰ ফিল্ড বিস্তাৰৰ সন্দৰ্ভত যিসকল স্থানীয় ৰাইজে ঘৰ-মাটি হেৰুৱাই ভূমি দান কৰিলে তেওঁলোক ঘৰ-মাটি-বাৰীৰ তুলনাত বিমানকোঠ প্ৰতিষ্ঠাকালৰে পৰা উচিত প্ৰাপ্যৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ২০২১ত ফিল্ড বিস্তাৰৰ বাবে ইতিমধ্যে নপাম, চতকপুৰ, ন-কদম, নগাঁও, পুথিমাৰীৰ অন্তৰ্গত প্ৰায় ৪০ বিা ভূমিত বিমানকোঠ কৰ্তৃপক্ষই খুঁটা পুতিছে। এয়া বিমানকোঠ প্ৰতিষ্ঠা আৰু ফিল্ড বিস্তাৰৰ ক্ষেত্ৰত তৃতীয়বাৰলৈ স্থানীয় ৰাইজে ভূমি দান কৰিব। তথ্য মতে, তৃতীয়বাৰৰ ভূমি দাতাৰ ক্ষতিপূৰণৰ মাননি একচনা মাটিৰ ঘৰ-বাৰী মাটিৰ বিঘাই পাঁচ লাখ আৰু ম্যাদী মাটিৰ বিঘাই ন লাখ। এই সন্দৰ্ভত স্থানীয় ৰাইজে সদৰী কৰি কয়, 'জীৱন ধাৰণৰ মৌলিক চাহিদা সুখ স্বাচ্ছন্দ, নিৰাপত্তাৰ খাতিৰত তথা এই মাটি, বাৰী, ঘৰ-দুৱা, গছ-গছনি ক্ষতিপূৰণৰ মাননি উচিত প্ৰাপ্য বুলি ক'ব নোৱাৰি। তদুপৰি বাৰে বাৰে ঘৰ-মাটি হেৰুৱাৰ বেদনাত একপ্ৰকাৰ আমি জুৰুলা হৈ পৰিছো। ' তথ্য মতে, স্থান, পাত্ৰ অনুযায়ী ক্ষতিপূৰণৰ মাননি নিৰ্ধাৰিত মাননিতকৈ কমকৈ দিয়া হৈছে। উল্লেখ্য যে বি-১৯৬০ৰ বিমানকোঠ প্ৰতিষ্ঠা কালৰে পৰা এতিয়ালৈকে তিনিবাৰকৈ ঘৰ-মাটি হেৰুৱাবলগীয়া হৈছে গাঁওবাসীয়ে। বহু আশাৰে ঘৰ-বাৰী পাতি দিনচেৰেক যাই কি নাযায় পুনৰ ঘৰ-বাৰী উঠোৱাৰ জাননী আহে। এনে পৰিস্থিতিয়ে স্থানীয় ৰাইজক ভীষণ চিন্তাত পেলাইছে। ভয়-শংকাৰে জীৱন নিৰ্বাহ কৰিব লগা হৈছে। ৬০ দশকত বিমানকোঠ প্ৰতিষ্ঠা কালত যিসকল ভূমিদাতাই ভূমি দান কৰিবলগীয়া হৈছিল উক্ত ক্ষতিগ্ৰস্ত ৰাইজক এটকা মাননি দিয়াৰ কোনো ধৰণৰ তথ্য নাই বুলি ভুক্তভোগীয়ে সদৰী কৰে। ১৯৯২-৯৩ৰ তেতিয়াৰ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া, কেন্দ্ৰত চন্দ্ৰ শেখৰ নেতৃত্বাধীন চৰকাৰৰ দিনত দ্বিতীয়বাৰৰ বাবে ফিল্ড বিস্তাৰৰ ক্ষেত্ৰত গাঁওবাসীৰ বাবে ভয়ানক পৰিস্থিতিৰ সৃষ্টি হয়। সেই সময়ত চতকপুৰ, পুঠিমাৰী আৰু নগাঁৱৰ মুঠ ৬০ঘৰ আদিবাসী পৰিয়ালে ঘৰ-বাৰী, মাটি হেৰুৱাব লগা হৈছিল। উল্লেখ্য যে তেতিয়া চতকপুৰ গাঁওখন সম্পূৰ্ণৰূপে উঠাই দিয়া হৈছিল। তেওঁলোক তেতিয়া সম্পূৰ্ণ নতুন ঠাইত নকৈ ঘৰ-বাৰী, মাটি পাতিব লগাত পৰে। ভুক্তভোগী পৰিয়ালক একচনা-ম্যাদী মাটিৰ সম ক্ষতিপূৰণৰ মাননি দি দায়িত্ব সামৰিছিল। এই সন্দৰ্ভত সকলোতকৈ ভূমি দান কৰা বিশেষকৈ ক্ষতিগ্ৰস্ত হোৱা চতকপুৰ, পুঠিমাৰী, নগাঁও আদিবাসী লোকে আজিলৈকে লীলাবাৰী বিমানকোঠত চতুৰ্থ শ্ৰেণীৰ চাকৰি এটা নোপোৱা বিষয়টোত আক্ষেপ প্ৰকাশ কৰে। কোনোমতে দুবেলা দুমুঠি খাই থকা এই মানুহখিনিয়ে বাৰেপতি ঘৰ-বাৰী হেৰুওৱা, ঘৰ-বাৰী পাতি জীৱন কটাবলগীয়া হোৱা পৰিস্থিতিত একপ্ৰকাৰ শাৰীৰিক-মানসিকভাৱে জুৰুলা হৈ পৰিছে। ঘৰৰ সন্মুখত থকা আশাৰ ফল-ফুল গছ জোপাৰ পৰা বাঁহ গছ জোপালৈকে সময়ে সময়ে হেৰুৱাই থকাৰ বেদনাক টকা-পইচাৰে জুখিব নোৱাৰি বুলি কয় ভুক্তভোগীয়ে।

## জ্যেষ্ঠ অগপ কৰ্মী, শান্তিৰাম বৰ্মনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**সৰ্থেবাৰী, ১ অক্টোবৰ ঃ** সৰ্থেবাৰী নগৰ সমিতিৰ প্ৰাক্তন সদস্য, অগপৰ জ্যেষ্ঠ কৰ্মী, বিশিষ্ট ব্যৱসায়ী শান্তিৰাম বৰ্মন (৭২)ৰ আজি মৃত্যু হয়। বৰ্মনে দুবছৰ পূৰ্বে উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ দীৰ্ঘদিন ধৰি শয্যাশায়ী হৈ আছিল। সৰ্থেবাৰী শালকাঠীয়া চুপা নিবাসী বৰ্মন অসম আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল। পৰৱৰ্তী সময়ত তেওঁ অগপত যোগদান কৰে আৰু অগপৰ প্ৰাৰ্থী হিচাপে নগৰ সমিতিৰ সদস্য নিৰ্বাচিত হয়। জীৱনৰ শেষ সময়লৈকে অগপৰ এজন একনিষ্ঠ কৰ্মী হিচাপে সেৱা আগবঢ়োৱা বৰ্মন সৰ্থেবাৰীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেওঁৰ মৃত্যুত অগপৰ সৰ্থেবাৰী নগৰ সমিতি, অগপ নেতা চিত্তৰঞ্জন বৰ্মন, সৰ্থেবাৰী পূৰণ বজাৰ ব্যৱসায়ী সন্থা, হাটবজাৰ ব্যৱসায়ী সন্থাকে ধৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ, এগৰাকী জী-জোঁৱাই সমন্বিতে অনেক আত্মীয় স্বজনক ইহ সংসাৰত এৰি যায়।

## শিক্ষকসকল সামাজিক অভিযন্তা ঃ বড়ো

### মুছলপুৰত এলপি আৰু এমইত ৫৯১ জন শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান বিটিচি পৰিষদৰ

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১ অক্টোবৰ ঃ** অৱশেষত ২২ বছৰৰ পাছত আজি ন্যায় লাভ কৰিলে ১৯৯৯ত নিযুক্তি লাভ কৰা ৫৯১ গৰাকী শিক্ষকে। উল্লেখ্য যে ১৯৯৯ত নলবাৰী জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু বিদ্যালয় পৰিদৰ্শকে নলবাৰী জিলাত নিযুক্তি দিছিল এইসকল শিক্ষকক। তেতিয়াৰ নলবাৰী জিলাত প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ত নিযুক্তি লাভ কৰা শিক্ষকসকল ২০০৩ত বিটিচিত অন্তৰ্ভুক্ত হয় আৰু বিভিন্ন সমস্যাৰ সন্মুখীন হয়। নিযুক্তিৰ পৰা ১০ বছৰ নিয়মিত দৰমহা লাভ কৰি থকা শিক্ষকসকলক ২০০৯ত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিটিচি চৰকাৰৰ শিক্ষা বিভাগে চাকৰিৰ পৰা অব্যাহতি দিছিল; কিন্তু ২০১৫ত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে পুনৰ ১,৩০০ শিক্ষকক চাকৰিত যোগদানৰ নিৰ্দেশ দিয়ে যদিও বৰ্তমানলৈকে প্ৰাপ্য দৰমহাৰ পৰা বঞ্চিত আছিল। শেহতীয়াকৈ এই শিক্ষকসকলে পুনৰ আদালতৰ কাষ চপাত ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে শিক্ষকসকলক নিয়মীয়াকৰণ পত্ৰ প্ৰদান কৰে বিটিচি পৰিষদে। প্ৰথম পৰ্যায়ত বিটিচিৰ শিক্ষা বিভাগে দুমাহ পূৰ্বে ৩০১ জন শিক্ষকক নিয়মীয়াকৰণ পত্ৰ প্ৰদান কৰাৰ পাছত আজি পুনৰ ৫৯১ গৰাকী শিক্ষকক নিয়মীয়াকৰণ পত্ৰ প্ৰদান কৰে। এই উপলক্ষে বাগ্‌সা জিলাৰ মুছলপুৰস্থ সাংস্কৃতিক প্ৰকল্প চৌহদত আয়োজিত এক অনুষ্ঠানত শিক্ষকসকলক নিয়মীয়াকৰণ পত্ৰসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। তেওঁ কয়, 'শিক্ষকসকল সামাজিক অভিযন্তা। শিক্ষকসকলে উচিত শিক্ষাৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰি প্ৰকৃত মানৱ সম্পদৰূপে গঢ়ক। নিষ্ঠাৰে কাম কৰক যাতে সমাজে তেওঁলোকক পুৰস্কৃত কৰিব পাৰে। সমাজ ভাল হ'বলৈ হ'লে প্ৰথমে আমি শিক্ষাৰ দিশটো উন্নত কৰিব লাগিব। মই এবছু কৰি থকাৰ পৰাই বাগ্‌সা জিলাৰ ১৯৯৯ত নিযুক্ত শিক্ষকৰ সমস্যাৰ বিষয়ে জ্ঞাত। সাংবাদিকসকলেও এই সমস্যাটোৰ বিষয়ে মোক বিটিচি প্ৰধান হোৱাৰ আগতেও সুধিছিল আৰু এতিয়াও সোধে। সমাধান কৰিম বুলি প্ৰতিশ্ৰুতি দিছিলো। আজি এই নিযুক্তিত মই এটকাও ধনৰ লেনদেন নকৰাকৈ নিযুক্তি দিলো। মই মোৰ কথা ৰাখিলো। এতিয়া শিক্ষকসকলে নিজ নিজ বিদ্যালয়ত যোগদান কৰি ছাত্ৰ-ছাত্ৰীক ভাল শিক্ষা দিয়ক'। প্ৰণিধানযোগ্য যে বিশেষ অসুবিধাৰ বাবে ৮৪ গৰাকী শিক্ষকক আজি নিয়মীয়াকৰণ পত্ৰ দিব নোৱাৰিলে যদিও পৰৱৰ্তী সময়ত প্ৰদান কৰিব । ইফালে, বিটিচি অঞ্চলত ২০১৫ত নিযুক্তি প্ৰাপ্ত ছমহীয়া টে'ট শিক্ষকসকলক নিয়মীয়াকৰণৰ বাবে অচিৰে বিশেষ টেট পৰীক্ষা অনুষ্ঠিত কৰিব বুলি উল্লেখ বিটিচি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। বিশেষ টে'ট অনুষ্ঠিত কৰাৰ বাবে ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু অতি সোনকালেই এই প্ৰক্ৰিয়া সমাপ্ত হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। আনহাতে, বিটিআৰৰ বহু প্ৰাথমিক বিদ্যালয়ত এতিয়াও শিক্ষকৰ নাটনি হৈ থকাৰ কথাও উল্লেখ কৰে প্ৰমোদ বড়োৱে। বিশেষ টে'ট নিযুক্তিৰ দ্বাৰা সেই সমস্যাবোৰ সমাধান কৰা হ'ব বুলি তেওঁ আশাবাদী। আনহাতে, চৰকাৰৰ আন আন বিভাগতো অতি সোনকালে নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন হ'ব বুলি তেওঁ ঘোষণা কৰে। আজিৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিধায়ক জলেন দৈমাৰী, বিটিচিৰ উপাধ্যক্ষ অভিৰাম মহানায়ক, কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, ঘনশ্যাম দাস, ৰঞ্জিত বসুমতাৰী, ধনঞ্জয় বসুমতাৰীকে ধৰি কে'বাগৰাকীও বিশিষ্ট লোক উপস্থিত আছিল। সভাৰ আঁত ধৰে বিটিচিৰ শিক্ষা সঞ্চালক জগদীশ প্ৰসাদ ব্ৰহ্মই।



# ধুবুৰী কালীবাড়ীত ৯৫ সংখ্যক দুৰ্গোৎসৱৰ উলহ-মালহেৰে

*তিনি পৃষ্ঠাৰ পৰা* কালীবাড়ী মন্দিৰত ৰজা অনন্ত ৰায় মহাৰাজে দেৱী দুৰ্গা পূজাৰ উদ্বোধনী কৰাৰ পাছতে বিভিন্ন নৃত্য প্ৰদৰ্শন কৰে সৰু সৰু শিশু, বালক বালিকাসকলে। নৃত্য প্ৰদৰ্শন আৰু উল্লাসেৰে ভৰপূৰ হৈ পৰে ধুবুৰী কালীবাড়ী। ৰজা অনন্ত ৰায় মহাৰাজে কালীবাড়ী মন্দিৰত আহি দুৰ্গা পূজাৰ উদ্বোধন কৰি নিজকে সুখী অনুভৱ কৰে আৰু সকলোৰে ঘৰত সুখ সমৃদ্ধি বজাই ৰখাৰ কামনা কৰে। কালীবাড়ী কৰ্তৃপক্ষই মহাৰাজ অনন্তৰ দ্বাৰা দুখীয়া লোকসকলৰ মাজত বস্ত্ৰ বিতৰণ কৰাও পৰিলক্ষিত হয়।

# লখিমপুৰত দুৰ্ঘটনাত ৱাৰ্ড

*তিনি পৃষ্ঠাৰ পৰা* দিশৰ পৰা এখন মটৰ চাইকেলেৰে গৃহাভিমুখে আহি থকা ৱাৰ্ড কমিছনাৰজনে গুৰুদ্বাৰৰ বিপৰীত দিশত থকা কে বি ৰোডলৈ যোৱা চমু পথটোৰে যাবৰ বাবে সোঁফালে ঘূৰোতে নগৰখনৰ পূব দিশৰ পৰা ৰোৱা এ এছ-০৭৭-৪৭৭৭ নম্বৰৰ মাৰুতি ছুইফ্‌ট গাড়ীখনৰ স'তে মুখামুখি সংঘৰ্ষত ৱাৰ্ড কমিছনাৰজন গুৰুতৰভাৱে আহত হয়। স্থানীয় ৰাইজৰ সহযোগত ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসালয়ত বৰুৱাক মৃত বুলি ঘোষণা কৰা হয়। উল্লেখ্য যে কে বি ৰোড যুব সমাজকে ধৰি বিভিন্ন সামাজিক কাম-কাজত জড়িত ৰহমানৰ আকস্মিক মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰক এৰি যায়।

# তেজপুৰত কিশোৰ হৰ্ষজিতে

*তিনি পৃষ্ঠাৰ পৰা* দুশভুজাৰ প্ৰতিমাৰে দুৰ্গতিনাশিনীৰ আৰাধনা কৰিবলৈ আগবাঢ়িছে। উল্লেখ্য যে শোণিতপুৰ শিশু বিকাশ বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ হৰ্ষজিত ভাৱালে নিজ হাতে গঢ়িছে দশভুজাৰ মৃণ্ময় প্ৰতিমা। তেজপুৰৰ ভৈৰৱ নগৰ তিলা নিবাসী চয়ন ভাৱাল আৰু জয়া ভাৱালৰ ১২ বছৰীয়া পুত্ৰ হৰ্ষজিতে এইবাৰ মহিষাসুৰমৰ্দিনীৰ মৃণ্ময় প্ৰতিমা নিজহাতে গঢ় দিয়াৰ বাবে পিতৃ-মাতৃৰ ওচৰত আগ্ৰহ প্ৰকাশ কৰি আহিছিল। ইয়াৰ বাবে প্ৰয়োজনীয় ৰং, তুলিকা আদিৰ বাবে কৈ অহা কিশোৰজনৰ আগ্ৰহৰ প্ৰতি সঁহাৰি জনাই পিতৃ-মাতৃয়ে প্ৰয়োজনীয় সেই সামগ্ৰীসমূহৰ যোগাৰ কৰি দিয়াৰ পাছতেই হৰ্ষজিতে আৰম্ভ কৰে সিংহবাহিনীৰ মৃণ্ময় প্ৰতিমা গঢ় দিয়াৰ কাম। পঢ়া-শুনা আৰু ছয়মাহিলী পৰীক্ষাৰ মাজতে আহৰি সময়ত যোৱা তিনিমাহত এই মৃণ্ময় প্ৰতিমা নিৰ্মাণ কৰে কিশোৰজনে। দেৱী দুৰ্গাৰ লগতে গণেশ, কাৰ্তিক, লক্ষ্মী, সৰস্বতী, সিংহ, মহিষাসুৰৰ মৃণ্ময় প্ৰতিমা সাজি চাৰিদিন পূৰ্বে ৰং বোলাই সম্পূৰ্ণ কৰাৰ পাছত আজি এই প্ৰতিভাশালী কিশোৰজনে চাকি, বন্তি জ্বলাই প্ৰায় ডেৰফুট উচ্চতাৰ এই প্ৰতিমা স্থানীয় ৰাজহুৱা পূজা মণ্ডপৰ বাবে আগবঢ়ায়। সম্প্ৰতি কিশোৰজনে নিজ হাতে গঢ়া এই প্ৰতিমা সকলোৰে বাবেই অন্যতম আকৰ্ষণীয় হৈ পৰিছে।

# নৈশবাছ 'ৰাঘৱ'ত যাত্ৰীৰ ৰূপত

*তিনি পৃষ্ঠাৰ পৰা* বাছত যাত্ৰীৰ আসনসমূহ আঁতৰাই সৰবৰাহ কৰা হৈছিল গৰুসমূহ। 'ৰাঘৱ' নামৰ নৈশ বাছখনৰ যাত্ৰীৰ আসনসমূহ আঁতৰাই গৰু সৰবৰাহকাৰী চক্ৰটোৱে সৰবৰাহ কৰিছিল ৩৪ টাকৈ গৰু। উজনি অসমৰ পৰা মেঘালয় অভিমুখী 'ৰাঘৱ' নামৰ নৈশ বাছখনত গৰু সৰবৰাহৰ খবৰ আৰক্ষীয়ে লাভ কৰি ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনি কান্ত চজাতিৰ নেতৃত্বত মিছা আৰক্ষীয়ে অভিযান চলাই গৰুসহ বাহনখন জব্দ কৰিবলৈ সক্ষম হয়। জব্দ কৰা গৰুসমূহ আৰক্ষীয়ে নগাঁও গোশালালৈ প্ৰেৰণ কৰে আৰক্ষীয়ে। ইফালে, আৰক্ষীয়ে বাহনখন জব্দ কৰাৰ মুহূৰ্ততে নৈশ বাছখন এৰি পলায়ন কৰে বাছখনৰ চালক-হেণ্ডিমেনসহ গৰু সৰবৰাহকাৰীৰ দল।

### 'ছাত্তাৰ ছাছা'ৰ নেতৃত্বতে মেঘালয় হৈ বাংলাদেশলৈ সৰবৰাহ হৈ আহিছে গো-ধন

পুনৰবাৰ মেঘালয় অভিমুখী নৈশ বাছত চোৰাং গৰু সৰবৰাহৰ দৰে ঘটনা পোহৰলৈ অহাৰ পাছতে চৰ্চালৈ আহিছে বাংলাদেশী 'ছাত্তাৰ ছাছা' ওৰফে 'মেম্বৰ'ৰ নাম। এতিয়া ৰাজ্যৰ চোৰাং গৰু সৰবৰাহ, ছিণ্ডিকেটৰ ক'লা বজাৰৰ কুখ্যাত নাম এই ছাত্তাৰ। বাংলাদেশী কুখ্যাত চোৰাং গৰু সৰবৰাহকাৰীৰ দলে অৰুণাচল- বাংলাদেশৰ মাজত 'কৰিডৰ' হিচাপে ব্যৱহাৰ কৰিছে অসমক। আৰু ৰাজ্যৰ ৰাজপথক 'কৰিডৰ' হিচাপে লৈ বহিঃৰাষ্ট্ৰলৈ গৰু চোৰাং ক'লা বজাৰৰ ছিণ্ডিকেটৰ আঁৰত আছে কুখ্যাত বাংলাদেশী 'ছাত্তাৰ ছাছা'। এক বিশেষ সূত্ৰৰ প্ৰাপ্ত তথ্য মতে, বাংলাদেশী ছাত্তাৰ ছাছাই চিকিৎসাজনিত কাৰণ দেখুৱাই প্ৰৱেশ কৰি আহিছে ভাৰতত। আৰু ভাৰত তথা অসমত প্ৰৱেশ কৰিয়েই আৰম্ভ কৰিছে গো-ধন সৰবৰাহৰ দৰে কাণ্ড। ইয়াৰ বাবে অৰুণাচলৰ ৰয়িং বা জয়পুৰ সীমান্তৰ বিশেষভাৱে সাজি লোৱা নৈশ বাছত মেঘালয় সীমান্তৰে বাংলাদেশৰ অন্তঃভাগত প্ৰৱেশ কৰোৱাই অৰুণাচলৰ লগতে উজনি অসমৰ বিভিন্ন স্থানৰ পৰা সৰবৰাহ কৰা হয় গো-ধন। যোৱা ২২ ছেপ্টেম্বৰৰ নিশা কলিয়াবৰৰ জখলাবন্ধাত আৰক্ষীৰ অভিযানত নৈশ বাছত গৰু উদ্ধাৰৰ ঘটনাৰ পাছতে পুনৰ কলিয়াবৰতে পোহৰলৈ আহিল এই ঘটনা। সেই নিশা জখলাবন্ধা আৰক্ষীয়ে এখন নৈশ বাছৰ পৰা উদ্ধাৰ কৰিছে ২৫ টাকৈ গৰু। তথ্য মতে, বাংলাদেশৰ ছাত্তাৰ ছাছা ওৰফে মেম্বৰেই হৈছে এই সমগ্ৰ গৰুৰ চোৰাং ব্যৱসায়ৰ মূল মাষ্টাৰ মাইণ্ড। উজনি অসমৰ লিতুল আৰু ওমৰ আলী নামৰ দুজন লোক এই কুখ্যাত ছাত্তাৰ ছাছাৰ মূল সহযোগী। কলিয়াবৰত আৰক্ষীয়ে দুখনকৈ নৈশ বাছৰপৰা জব্দ কৰা চোৰাং গৰুসমূহ ছাত্তাৰ ছাছাই বাংলাদেশলৈ নিয়াৰ পৰিকল্পনা কৰা বুলি এক বিশেষ সূত্ৰত প্ৰকাশ। এতিয়া কথা হ'ল, অসম অৰুণাচল সীমান্তৰ নিৰাপত্তা, ৰাজ্যৰ উজনিৰ পাঁচখনকৈ জিলাৰ বিয়াগোম আৰক্ষী বিভাগৰ লগতে আৰক্ষী থানা, চোৰাংচোৰাৰ চকুত সহজেই ধূলি দি কেনেকৈ বাংলাদেশী 'ছাত্তাৰ ছাছা'ই ৰাজ্যত চলাই আহিছে চোৰাং গৰুৰ সৰবহ? সকলোৰে বাবে ই এতিয়া এক অবুজ সাঁথৰ।

# হাতীৰে শোভাযাত্ৰা কৰি দেৱীক

*তিনি পৃষ্ঠাৰ পৰা* গজি উঠা ৰাম কলগছৰ পুলিটো পূজা-অৰ্চনা কৰি হাতীত উঠাই শোভাযাত্ৰাৰে আজি ঐতিহাসিক বিল্বেশ্বৰলৈ অনা হয়। এই দেৱী আদৰণি যাত্ৰাত প্ৰায় দুই শতাধিক কিশোৰ-কিশোৰী, যুৱক-যুৱতীয়ে অংশ লৈ ফাকু-গুড়ি ছটিয়াই আনন্দ-স্ফূৰ্তি কৰে । সন্ধিয়া ধৰ্মীয় ৰীতি-নীতিৰে দেৱীৰ বিল্বেশ্বৰবোধনৰ পাছতে পূজাৰ মূল মণ্ডপৰ বেদীত দেৱীক প্ৰতিষ্ঠা কৰি কাত্যায়নী ৰূপত পূজা-অৰ্চনা কৰা হয়। সন্ধিয়া সম্পন্ন হয় বন্তি প্ৰজ্বলন তথা সম্বৰ্ধনা অনুষ্ঠান । এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা 'দৈনিক অগ্ৰদূত'ৰ মুখ্য সম্পাদক কনকসেন ডেকা, নলবাৰী জিলাৰ উপায়ুক্ত গীতিমণি ফুকন, নলবাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° দিনমণি ভাগৱতী প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে বন্তি প্ৰজ্বলক হিচাপে অংশগ্ৰহণ কৰে। দুৰ্গা পূজা পৰিচালনা সমিতিৰ সভাপতি সীমান্ত মেনা, সম্পাদক দিগন্ত শইকীয়াৰ নেতৃত্বত অতি আকৰ্ষণীয়কৈ সজাই পৰাই তোলা হৈছে লৌহিত্য বংশীয় ৰজা নাগশংকৰ অথবা নাগাক্ষই স্থাপন কৰা প্ৰাচীন দেৱালয়খনৰ পূজাথলী। বৈদ্যুতিক আলোক সজ্জা, আকৰ্ষণীয় তোৰণ আদিৰে দেৱালয়ৰ চৌদিশ এতিয়া নান্দনিক ৰূপত উজলি উঠাত ক্ৰমে দৰ্শনাৰ্থীৰ যথেষ্ট ভিৰ হোৱা পৰিলক্ষিত হৈছে পূজাথলীত। উল্লেখ্য যে দেৱালয়খনত ২৬ ছেপ্টেম্বৰত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ প্ৰতিপদাদি কল্পাৰম্ভৰ পাছত ২৭ ছেপ্টেম্বৰৰ শুক্লা দ্বিতীয়াত দেৱীৰ ব্ৰহ্মচাৰিণী ৰূপত পূজা, ২৮ ছেপ্টেম্বৰৰ শুক্লা তৃতীয়াত দেৱীৰ চন্দ্ৰঘণ্টা ৰূপত পূজা, ২৯ ছেপ্টেম্বৰৰ শুক্লা চতুৰ্থীত দেৱীৰ কুষ্মাণ্ডা ৰূপত পূজা, ৩০ ছেপ্টেম্বৰৰ শুক্লা পঞ্চমীত দেৱীৰ স্কন্দমাতা ৰূপত পূজা সম্পন্ন হয়। পাছত আজি ষষ্ঠীত দেৱীক বেদীত প্ৰতিষ্ঠা কৰি কাত্যায়নী ৰূপত পূজা-অৰ্চনা কৰা হয়। দেৱালয়খনত কাইলৈ সপ্তমী বিহিত পূজা, তিনি অক্টোবৰত অষ্টমী বিহিত পূজাৰ পাছত চাৰি অক্টোবৰত সম্পন্ন হ'ব মহানৱমী বিহিত পূজা। দেৱালয়ৰ দলৈ তথা দেৱালয় পৰিচালনা সমিতিৰ সম্পাদক ৰঞ্জিত মিশ্ৰই জনোৱা মতে, এইবেলি মহানৱমীৰ দিনাখন পুৱা ৮.৩৩ বজাৰ পৰা আৰম্ভ হ'ব বলিদান পৰ্ব । ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ভক্তই বিল্বেশ্বৰৰ মহানৱমীত দেৱী দুৰ্গাৰ চৰণত বলি-উৎসৰ্গাৰ অৰ্থে এইবেলি মুঠ ৬৫ টা ম'হ আগবঢ়াব বুলি সদৰী কৰিছে। ইয়াৰে ৪৫ টা ম'হ বলিদান দিয়াৰ বিপৰীতে ২০ টা ম'হ উছৰ্গা হ'ব বুলি জনাইছে। আনহাতে, পাঁচ অক্টোবৰত দেৱালয়খনত সম্পন্ন হ'ব বিজয়া দশমীৰ বিভিন্ন আকৰ্ষণীয় তথা পৰম্পৰাগত কাৰ্যসূচী। ঐতিহাসিক শ্ৰীশ্ৰীবিল্বেশ্বৰ দেৱালয়ৰ দুৰ্গা পূজা উপলক্ষে পূজা পৰিচালনাৰ মূল সমিতিৰ উপৰি মুঠ ২৫ খনকৈ উপ-সমিতি গঠন কৰা হৈছে। দেৱালয়ৰ বৃহৎ চৌহদৰ লগতে সমগ্ৰ পূজাথলীত চিচি টিভিৰ ব্যৱস্থা কৰাৰ লগতে পূজাথলীত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ লক্ষ্যৰে সাজু কৰি ৰখা হৈছে প্ৰায় দুই শতাধিক স্থানীয় স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা। ইফালে, নলবাৰীৰ আৰক্ষী-প্ৰশাসন আৰু যান-বাহন আৰক্ষীয়েও সমগ্ৰ অঞ্চলটোত চোকাদৃষ্টি ৰাখি তৎপৰতাৰে কৰ্তব্যত নিয়োজিত হৈছে।

# ৰাজ্যৰ চৌদিশে সোপাধৰাৰ আতংক

**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম, ১ অক্টোবৰ ঃ** ৰাজ্যৰ চৌদিশে সোপাধৰাক লৈ আতংক অব্যাহত থকাৰ মাজতে যোৱা নিশা এহাল প্ৰেমিক-প্ৰেমিকা সোপাধৰাৰ সন্দেহত ৰাইজৰ ৰোষত পৰে। পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত সোপাধৰাৰ সন্দেহত স্থানীয় ৰাইজৰ দ্বাৰা দুই যুৱক-যুৱতীক মাৰধৰ কৰি আৰক্ষীক গতাই দিয়ে। উল্লেখ্য যে বিগত কিছুদিনৰ পৰাই পশ্চিম কাৰ্বি আংলঙৰ বিভিন্ন প্ৰান্তত সোপাধৰাক লৈ সৃষ্টি হোৱা আতংক অব্যাহত আছে। এনে প্ৰচাৰ মাধ্যমৰ যোগে অসমৰ বহুকেইখন ঠাইতো সোপাধৰাৰ সন্দেহত বহু অঘটন ঘটি আছে যদিও উপযুক্ত তেনে কোনো তথ্য প্ৰমাণিত হোৱা নাই। এই সন্দৰ্ভত যোৱা নিশা খেৰণিৰ ফিলাংপীত এক ঘটনা পোহৰলৈ আহিছে। তথ্য অনুসৰি, পশ্চিম কাৰ্বি আংলঙৰ খেৰণি অঞ্চলৰ অন্তৰ্গত ফেলাংপি নামৰ গাঁওখনত এহাল যুৱক-যুৱতীক ৰহস্যজনকভাৱে ঘূৰি-ফুৰা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে। পৰৱৰ্তী সময়ত গাঁওখনৰ ৰাইজে দুয়োকে আটক কৰি সোধপোছ কৰি উত্তম-মধ্যম শোধায় আৰু খেৰণি আৰক্ষীক গতাই দিয়ে। কৰায়ত্ত কৰা যুৱকজন চন্দন ৰায় লংকাৰ বুলি কোৱাৰ বিপৰীতে যুৱতীগৰাকী জেংখাৰ বুলি জানিব পৰা গৈছে। আনহাতে, দুয়ো ইজনে-সিজনক ভাল পোৱা প্ৰেমিক-প্ৰেমিকা বুলি চিনাকি দিয়াৰ লগতে অভিযুক্ত চন্দনে তেওঁৰ প্ৰেমিকাক লগ কৰাৰ হেতুকে উক্ত গাঁওখনলৈ আহিছিল বুলি উপস্থিত ৰাইজৰ আগত জানিব দিয়ে যদিও ৰাইজে আৰক্ষীক গতাই দিয়ে। উল্লেখ্য যে এনে ধৰণৰ আতংকৰ মাজত এহাল প্ৰেমিক-প্ৰেমিকাই যে ৰাইজৰ ৰোষৰ পৰা হাত সাৰি আৰক্ষীক গতাই দিয়া ঘটনাই প্ৰেমিক-প্ৰেমিকাৰ সৌভাগ্য বুলি সৰ্বত্ৰে চৰ্চিত হৈ পৰে।

# বৰমাত দুৰ্ঘটনাত কণমানি ছাত্ৰীৰ মৃত্যু

**বৰমা, ১ অক্টোবৰ ঃ** পূজাৰ আনন্দ-উল্লাসৰ মাজতে আজি বৰমাত এগৰাকী কণমানি ছাত্ৰীৰ দুৰ্ঘটনাত মৃত্যু হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। বৰমাৰ নিকটৱৰ্তী বৰঝাৰ গাঁৱৰ ১২ বছৰীয়া কিশোৰী ৰশ্মিতা ৰাজংবশীয়ে বায়েকৰ লগত পূজাৰ বজাৰ কৰি স্কুটীৰে ঘৰলৈ গৈ থকাৰ পথত সন্ধিয়া ছয় বজাত ডাম্পাৰে খুন্দিয়াই গুৰুতৰভাৱে আহত ৰশ্মিতাক নলবাৰীলৈ নিয়াৰ পথত আদবাটতে মৃত্যু হয়। আনহাতে, ছাত্ৰীগৰাকীৰ বায়েক শিখা ৰাজবংশী গুৰুতৰভাৱে আহত অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। নিহত ছাত্ৰীগৰাকী বৰমাৰ বিবেকানন্দ বিদ্যানিকেতনৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী আছিল।



## নং.কে.আৰ.এছ (এফ.এছ)১১৩৯/২০২২/

### জাননী

অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে ইংৰাজী ২৪/২/১৯৮২ তাৰিখে এফ. আৰ. এছ ৫৮১/৮১ নং হঁহৰা পি.আৰ.এফ. (প্ৰথম ভাগ আৰু দ্বিতীয় ভাগ) নং জাননী মতে তলত দিয়া বিৱৰণৰ ভূমিখণ্ড সংৰক্ষিত বনাঞ্চল কৰিবলৈ প্ৰস্তাৱ কৰে। সেই বিৱৰণকে পুনৰ উদ্ধৃত কৰি ইয়াৰ লগত জড়িত থকা ৰাইজৰ জ্ঞাতাৰ্থে এই জাননী প্ৰকাশ কৰা হ'ল।

### হঁহৰা পি.আৰ.এফ (দ্বিতীয় ভাগ)

| জিলা | মহকুমা | মৌজা | বনাঞ্চলৰ নাম | বন সংমণ্ডল | মাটি কালি পৰিমাণ |
|---|---|---|---|---|---|
| কামৰূপ (ম) | গুৱাহাটী | ডিমৰীয়া | হহঁৰা (দ্বিতীয় ভাগ) | পূব কামৰূপ | ৪৫৮.৫৫ হেক্টৰ |

**সীমা বিৱৰণ ঃ-**

**পূব-দক্ষিণ ঃ** গান্ধীনগৰ মালইবাৰী গড়কাপ্তানী পথৰ ওপৰত থকা ৫ কি.মি. খুঁটিটোৰ প্ৰাসংগিক বিন্দু হিচাপে চিহ্নিত কৰা হৈছে। এই প্ৰাসংগিক বিন্দুৰ পৰা ৩১৬° দিশত পশ্চিম ফালে অতিক্ৰম কৰি ১০.৩৫ মিটাৰ দূৰত্বত পূব দিশত বনাঞ্চলখনৰ ১ নং সীমা খুঁটিটো নিৰ্দ্ধাৰণ কৰা হয়। এই ১ নং সীমা খুঁটিৰ পৰা ২২৭° দিশত দক্ষিণ-পশ্চিম দিশে অতিক্ৰম কৰি ২৮ নং সীমাৰ খুঁটিত মিলিত হয়।

**উত্তৰ ঃ** ২৮ নং সীমা খুঁটিৰ পৰা ১২° দিশত উত্তৰলৈ অতিক্ৰম কৰি ৭৮ নং সীমা খুঁটিত মিলিত হয়।

**পূব ঃ** ৭৮ নং সীমা খুঁটিৰ পৰা ১০৩°-৩০/ দিশত পূব ফালৰ পিনে অতিক্ৰম কৰি ৯৫ নং সীমা খুঁটিত মিলিত হয়। ৯৫ নং সীমা খুঁটিৰ পৰা ১৫১° দিশত আকৌ দক্ষিণ ফালে অতিক্ৰম কৰি ১৩১ নং সীমা খুঁটিত মিলিত হয়। ১৩১ নং সীমা খুঁটিৰ পৰা ৪৫° দিশত ফালে অতিক্ৰম কৰি ১৪৪ নং সীমা খুঁটিত মিলিত হয়। শেষত ১৪৪ নং সীমা খুঁটিৰ পৰা ১৯৯° দিশত দক্ষিণ ফালে অতিক্ৰম কৰি আৰম্ভণি সীমা অৰ্থাৎ ১ নং সীমা খুঁটিত মিলিত হৈছে।

১) আগৰ পৰা চলি থকা অথবা চৰকাৰৰ পৰা লাভ কৰা কোনো অধিকাৰৰ বাহিৰে আজিৰ তাৰিখৰ পাছত কোনো লোকে এই মাটিৰ ওপৰত কোনো প্ৰকাৰৰ নতুন স্বত্ব বা অধিকাৰ লাভ কৰিব নোৱাৰিব। বন বন্দোৱস্তি বিষয়াৰ লিখিত আদেশ নোলোৱাকৈ আজিৰ তাৰিখৰ পাছত এই মাটিৰ ওপৰত কোনো লোকে নতুন ঘৰ সাজিব নোৱাৰিব। খেতিৰ বাবে নতুন মাটি ভাঙিব নোৱাৰিব, আৰু নতুনকৈ কোনো গছ-গছনি ৰুব নোৱাৰিব। যিবিলাক লোকে ক্ৰমান্বয়ে ইয়াত ঝুম খেতি কৰিব আহিছে তেওঁলোকে অৱশ্যে চৰকাৰৰ আদেশ নেপোৱালৈকে তেনে খেতি কৰি থাকিব পাৰিব।

২) মাননীয় ৰাজ্যপালে কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্তক বন বন্দোৱস্তি বিষয়া হিচাপে নিযুক্ত কৰিছে আৰু বন বন্দোৱস্তি বিষয়াই কোনো মানুহ বা গাঁৱৰ ভূমিখণ্ড বা ইয়াত থকা বনজাত বস্তুৰ ওপৰত কোনো অধিকাৰ থাকিলে তদন্ত কৰিব। সেইবাবে কোনো মানুহে কোনো স্বত্বৰ দাবী কৰিলে বন বন্দোৱস্তি বিষয়াৰ আগত এই জাননীৰ তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত উপস্থিত হৈ তেওঁলোকৰ দাবী উত্থাপন কৰিব নাইবা বন বন্দোৱস্তি বিষয়ালৈ তেওঁলোকৰ লিখিত দাবী সেই সময় সীমাৰ ভিতৰত পঠিয়াব।

ক) ঝুম খেতি কৰাৰ অধিকাৰ।
খ) মানুহ বা গৰু-ম'হৰ অহা-যোৱা কৰা বাটৰ স্বত্ব।
গ) পানী নাইবা নৈ ব্যৱহাৰ কৰাৰ স্বত্ব।
ঘ) গৰু-ম'হ চৰোৱাৰ স্বত্ব।
ঙ) গছ নাইবা অন্য বনজাত বস্তু কাটিব বা ব্যৱস্থাৰ কৰাৰ স্বত্ব।
চ) অন্য কোনো স্বত্ব।

৩) যিসকলে ওপৰত দিয়া স্বত্ব সমূহৰ ওপৰত সময়ৰ ভিতৰত দাখিল নকৰে তেওঁলোকৰ কোনো স্বত্ব থাকিলেও সেই স্বত্ব হেৰুৱাব আৰু বন বন্দোৱস্তি বিষয়াই এই সময়ৰ ভিতৰত যিবিলাক স্বত্ব লিপিবদ্ধ নকৰে সেইবিলাক স্বত্বও এই ভূমিখণ্ড সংৰক্ষিত বনাঞ্চল বুলি ঘোষণা কৰা তাৰিখৰ পৰাই লুপ্ত পাব।

৪) এতিয়া কৰিবলৈ লোৱা বন্দোৱস্তি অনুসৰি এই ভূমিখণ্ডৰ ওপৰত নাইবা ইয়াৰ থকা বনজাত বস্তুৰ ওপৰত থকা স্বত্ব সম্বন্ধে সকলো প্ৰশ্ন ভৱিষ্যতলৈ মীমাংসিত হ'ব।

ইয়াত জড়িত থকা সকলো ৰাইজকে ইয়াৰ দ্বাৰাই পুনৰ সোঁৱৰাই দিয়া হয় যে, এই ভূমিখণ্ড সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা হোৱাৰ পিছত ইয়াৰ ভিতৰত হ'বলগীয়া সকলো কাম লিপিবদ্ধ কৰা স্বত্ব বা অধিকাৰ অনুসৰিহে হ'ব নাইবা বিভাগীয় বিষয়াৰ অনুমতি অনুসৰি হ'ব আৰু ইয়াৰ বাহিৰে অন্য কোনো কাম হ'ব নোৱাৰিব।

দাবী সমূহ নিম্নলিখিত স্থানত কাৰ্য্যালয় খোলা দিনত ২৩-১২-২০২২ তাৰিখৰ ভিতৰত দাখিল কৰিব পাৰিব।

১) বন বন্দোৱস্তি বিষয়া, কামৰূপ মহানগৰ জিলা উপায়ুক্ত কাৰ্যালয়, গুৱাহাটী।
২) পূব কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়, বশিষ্ঠ, কামৰূপ মহানগৰ জিলা গুৱাহাটী-২৯।
৩) চক্ৰ বিষয়াৰ কাৰ্যালয়, সোণাপুৰ ৰাজহ চক্ৰ।

**স্বাক্ষৰ**
**বন বন্দোৱস্তি বিষয়া,**
**কামৰূপ মহানগৰ জিলা, গুৱাহাটী**

## নং.কে.আৰ.এছ (এফ.এছ)১১৪০/২০২২/

### জাননী

অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে ইংৰাজী ১০/১/১৯৭১ তাৰিখে এফ.আৰ.এছ ২২৭/৭৮/২ নং গাৰোৱানী পি.আৰ.এফ. নং জাননী মতে তলত দিয়া বিৱৰণৰ ভূমিখণ্ড সংৰক্ষিত বনাঞ্চল কৰিবলৈ প্ৰস্তাৱ কৰে। সেই বিৱৰণকে পুনৰ উদ্ধৃত কৰি ইয়াৰ লগত জড়িত থকা ৰাইজৰ জ্ঞাতাৰ্থে এই জাননী প্ৰকাশ কৰা হ'ল।

### গাৰোৱানী পি.আৰ.এফ

| জিলা | মহকুমা | মৌজা | বনাঞ্চলৰ নাম | বন সংমণ্ডল | মাটি কালি পৰিমাণ |
|---|---|---|---|---|---|
| কামৰূপ (ম) | গুৱাহাটী | ডিমৰীয়া | গাৰোৱানী | পূব কামৰূপ | ৫১৬ হেক্টৰ |

**সীমা বিৱৰণ ঃ-**

**পূব ঃ** সোণাপুৰৰ পৰা কলংপাৰলৈ যোৱা লোকপ্ৰিয় বৰদলৈ গড়কাপ্তানী পথৰ ১০ কিঃমিঃ খুঁটিটো প্ৰাসংগিক বিন্দু হিচাপে লোৱা হয়। এই প্ৰাসংগিক বিন্দুৰপৰা ২৭২° দিশত পশ্চিম দিশে অতিক্ৰম কৰি ২৪.৬০ মিটাৰ দূৰত্বত বনাঞ্চল খনৰ ১ নং সীমা খুঁটিটো নিৰ্দ্ধাৰণ কৰা হয়। ১ নং সীমা খুঁটিৰ পৰা ১৭৯° দিশত দক্ষিণ ফালে অতিক্ৰম কৰি ৬৩ নং সীমা খুঁটিত মিলিত হয়।

**পশ্চিম ঃ** ৬৩ নং সীমা খুঁটিৰ পৰা ৩১০° দিশত আকৌ উত্তৰ দিশে অতিক্ৰম কৰি ১১৩ নং সীমা খুঁটিত মিলিত হয়।

**দক্ষিণ ঃ** শেষত ১১৩ নং সীমা খুঁটিৰ পৰা ৭৫° দিশত পূব ফালে অতিক্ৰম কৰি আৰম্ভণি সীমা অৰ্থাৎ ১ নং সীমা খুঁটিত মিলিত হৈছে।

১) আগৰ পৰা চলি থকা অথবা চৰকাৰৰ পৰা লাভ কৰা কোনো অধিকাৰৰ বাহিৰে আজিৰ তাৰিখৰ পাছত কোনো লোকে এই মাটিৰ ওপৰত কোনো প্ৰকাৰৰ নতুন স্বত্ব বা অধিকাৰ লাভ কৰিব নোৱাৰিব। বন বন্দোৱস্তি বিষয়াৰ লিখিত আদেশ নোলোৱাকৈ আজিৰ তাৰিখৰ পাছত এই মাটিৰ ওপৰত কোনো লোকে নতুন ঘৰ সাজিব নোৱাৰিব। খেতিৰ বাবে নতুন মাটি ভাঙিব নোৱাৰিব, আৰু নতুনকৈ কোনো গছ-গছনি ৰুব নোৱাৰিব। যিবিলাক লোকে ক্ৰমান্বয়ে ইয়াত ঝুম খেতি কৰিব আহিছে তেওঁলোকে অৱশ্যে চৰকাৰৰ আদেশ নেপোৱালৈকে তেনে খেতি কৰি থাকিব পাৰিব।

২) মাননীয় ৰাজ্যপালে কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্তক বন বন্দোৱস্তি বিষয়া হিচাপে নিযুক্ত কৰিছে আৰু বন বন্দোৱস্তি বিষয়াই কোনো মানুহ বা গাঁৱৰ ভূমিখণ্ড বা ইয়াত থকা বনজাত বস্তুৰ ওপৰত কোনো অধিকাৰ থাকিলে তদন্ত কৰিব। সেইবাবে কোনো মানুহে কোনো স্বত্বৰ দাবী কৰিলে বন বন্দোৱস্তি বিষয়াৰ আগত এই জাননীৰ তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত উপস্থিত হৈ তেওঁলোকৰ দাবী উত্থাপন কৰিব নাইবা বন বন্দোৱস্তি বিষয়ালৈ তেওঁলোকৰ লিখিত দাবী সেই সময় সীমাৰ ভিতৰত পঠিয়াব।

ক) ঝুম খেতি কৰাৰ অধিকাৰ।
খ) মানুহ বা গৰু-ম'হৰ অহা-যোৱা কৰা বাটৰ স্বত্ব।
গ) পানী নাইবা নৈ ব্যৱহাৰ কৰাৰ স্বত্ব।
ঘ) গৰু-ম'হ চৰোৱাৰ স্বত্ব।
ঙ) গছ নাইবা অন্য বনজাত বস্তু কাটিব বা ব্যৱস্থাৰ কৰাৰ স্বত্ব।
চ) অন্য কোনো স্বত্ব।

৩) যিসকলে ওপৰত দিয়া স্বত্ব সমূহৰ ওপৰত সময়ৰ ভিতৰত দাখিল নকৰে তেওঁলোকৰ কোনো স্বত্ব থাকিলেও সেই স্বত্ব হেৰুৱাব আৰু বন বন্দোৱস্তি বিষয়াই এই সময়ৰ ভিতৰত যিবিলাক স্বত্ব লিপিবদ্ধ নকৰে সেইবিলাক স্বত্বও এই ভূমিখণ্ড সংৰক্ষিত বনাঞ্চল বুলি ঘোষণা কৰা তাৰিখৰ পৰাই লুপ্ত পাব।

৪) এতিয়া কৰিবলৈ লোৱা বন্দোৱস্তি অনুসৰি এই ভূমিখণ্ডৰ ওপৰত নাইবা ইয়াৰ থকা বনজাত বস্তুৰ ওপৰত থকা স্বত্ব সম্বন্ধে সকলো প্ৰশ্ন ভৱিষ্যতলৈ মীমাংসিত হ'ব।

ইয়াত জড়িত থকা সকলো ৰাইজকে ইয়াৰ দ্বাৰাই পুনৰ সোঁৱৰাই দিয়া হয় যে, এই ভূমিখণ্ড সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা হোৱাৰ পিছত ইয়াৰ ভিতৰত হ'বলগীয়া সকলো কাম লিপিবদ্ধ কৰা স্বত্ব বা অধিকাৰ অনুসৰিহে হ'ব নাইবা বিভাগীয় বিষয়াৰ অনুমতি অনুসৰি হ'ব আৰু ইয়াৰ বাহিৰে অন্য কোনো কাম হ'ব নোৱাৰিব।

দাবী সমূহ নিম্নলিখিত স্থানত কাৰ্য্যালয় খোলা দিনত ২৩-১২-২০২২ তাৰিখৰ ভিতৰত দাখিল কৰিব পাৰিব।

১) বন বন্দোৱস্তি বিষয়া, কামৰূপ মহানগৰ জিলা উপায়ুক্ত কাৰ্যালয়, গুৱাহাটী।
২) পূব কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়, বশিষ্ঠ, কামৰূপ মহানগৰ জিলা গুৱাহাটী-২৯।
৩) চক্ৰ বিষয়াৰ কাৰ্যালয়, সোণাপুৰ ৰাজহ চক্ৰ।

**স্বাক্ষৰ**
**বন বন্দোৱস্তি বিষয়া,**
**কামৰূপ মহানগৰ জিলা, গুৱাহাটী**

## নং.কে.আৰ.এছ (এফ.এছ)১১৪১/২০২২/

### জাননী

অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে ইংৰাজী ৫/৪/১৯৭৮ তাৰিখে এফ.আৰ.এছ ২৪৮/৭৭/২ নং ইষ্ট আপ্ৰিকোলা পি.আৰ.এফ. নং জাননী মতে তলত দিয়া বিৱৰণৰ ভূমিখণ্ড সংৰক্ষিত বনাঞ্চল কৰিবলৈ প্ৰস্তাৱ কৰে সেই বিৱৰণকে পুনৰ উদ্ধৃত কৰি ইয়াৰ লগত জড়িত থকা ৰাইজৰ জ্ঞাতাৰ্থে এই জাননী প্ৰকাশ কৰা হ'ল।

### ইষ্ট আপ্ৰিকোলা পি.আৰ.এফ

| জিলা | মহকুমা | মৌজা | বনাঞ্চলৰ নাম | বন সংমণ্ডল | মাটিকালিৰ পৰিমাণ |
|---|---|---|---|---|---|
| কামৰূপ (ম) | গুৱাহাটী | ডিমৰীয়া | ইষ্ট আপ্ৰিকোলা | পূব কামৰূপ | ১০৬২২.৬৩ হেক্টৰ |

**সীমা বিৱৰণ ঃ-**

**পূব ঃ** ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ মাইল পোষ্ট নং গুৱাহাটী ৩২ খুঁটিটো প্ৰাসংগিক বিন্দু হিচাপে লোৱা হয়। এই প্ৰাসংগিক বিন্দুৰ পৰা ১৭৬°-৩০/ দিশত দক্ষিণ ফালে অতিক্ৰম কৰি ১০২৫.৭৪ মিটাৰ দূৰত্বত বনাঞ্চলখনৰ পূব দিশৰ ১ নং সীমা খুঁটিটো নিৰ্ধাৰণ কৰা হৈছে। তাৰ পিছত ১ নং সীমা খুঁটিৰ পৰা ১৭৫° দিশত কামৰূপ, নগাঁও উমৈহতীয়া সীমাৰ দক্ষিণলৈ গতি কৰি কামৰূপ নগাওঁ সীমাৰ লগতে খাচী-জয়ন্তীয়া জিলা (মেঘালয়) কিলিং নদীৰ কাষতে ৫৫ নং সীমাৰ খুঁটিত মিলিত হয়।

**দক্ষিণ ঃ** ৫৫ নং সীমাৰ খুঁটিৰ পৰা ১৬৫ দিশত অসম-মেঘালয় সীমাৰ কিলিং নদীৰ পাৰে পশ্চিম ফালে গতি কৰি ১৩৫৮ নং সীমা খুঁটিত মিলিত হয়।

**পশ্চিম ঃ** ১৩৫৮ নং সীমা খুঁটৰ পৰা ১০° দিশত উত্তৰ ফালে গতি কৰি ১৬৩২ নং সীমা খুঁটিত মিলিত হয়।

**উত্তৰ ঃ** ১৬৩২ নং সীমা খুঁটিৰ পৰা ৬২° দিশত পূবফাললৈ গতি কৰি আৰম্ভণি সীমা ১ নং সীমা খুঁটিত মিলিত হয়।

বনাঞ্চলৰ সীমা খুঁটি নং ৩০৭ ৰ পৰা ৩৫৮ নং খুঁটিৰ সীমাৰ বাহিৰত থকা গাঁওসমূহ হ'ল- ১) সুপাৰ কিলিং, (২) কাছমলা, ৩) বৰকাচাং ৪) আমলাগাঁও ৫) পাচামহক ৬) দন্দবাই ৭) মাগুৰছিলা ৮) লাংগুদুক ৯) বান্দৰগোগ ১০) মাৰকাং গাঁৱৰ অংশ বিশেষ আৰু ১১) নুনমাটি গাঁও।

১) আগৰ পৰা চলি থকা অথবা চৰকাৰৰ পৰা লাভ কৰা কোনো অধিকাৰৰ বাহিৰে আজিৰ তাৰিখৰ পাছত কোনো লোকে এই মাটিৰ ওপৰত কোনো প্ৰকাৰৰ নতুন স্বত্ব বা অধিকাৰ লাভ কৰিব নোৱাৰিব। বন বন্দোৱস্তি বিষয়াৰ লিখিত আদেশ নোলোৱাকৈ আজিৰ তাৰিখৰ পাছত এই মাটিৰ ওপৰত কোনো লোকে নতুন ঘৰ সাজিব নোৱাৰিব। খেতিৰ বাবে নতুন মাটি ভাঙিব নোৱাৰিব আৰু নতুনকৈ কোনো গছ-গছনি ৰুব নোৱাৰিব। যিবিলাক লোকে ক্ৰমান্বয়ে ইয়াত ঝুম খেতি কৰিব আহিছে তেওঁলোকে অৱশ্যে চৰকাৰৰ আদেশ নোপোৱালৈকে তেনে খেতি কৰি থাকিব পাৰিব।

২) মাননীয় ৰাজ্যপালে কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্তক বন বন্দোৱস্তি বিষয়া হিচাপে নিযুক্ত কৰিছে আৰু বন বন্দোৱস্তি বিষয়াই কোনো মানুহ বা গাঁৱৰ ভূমিখণ্ড বা ইয়াত থকা বনজাত বস্তুৰ ওপৰত কোনো অধিকাৰ থাকিলে তদন্ত কৰিব। সেইবাবে কোনো মানুহে কোনো স্বত্বৰ দাবী কৰিলে বন বন্দোৱস্তি বিষয়াৰ আগত এই জাননীৰ তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত উপস্থিত হৈ তেওঁলোকৰ দাবী উত্থাপন কৰিব নাইবা বন বন্দোৱস্তি বিষয়ালৈ তেওঁলোকৰ লিখিত দাবী সেই সময়সীমাৰ ভিতৰত পঠিয়াব।

ক) ঝুম খেতি কৰাৰ অধিকাৰ।
খ) মানুহ বা গৰু-ম'হৰ অহা-যোৱা কৰা বাটৰ স্বত্ব।
গ) পানী নাইবা নৈ ব্যৱহাৰ কৰাৰ স্বত্ব।
ঘ) গৰু-ম'হ চৰোৱাৰ স্বত্ব।
ঙ) গছ নাইবা অন্য বনজাত বস্তু কাটিব বা ব্যৱস্থাৰ কৰাৰ স্বত্ব।
চ) অন্য কোনো স্বত্ব।

৩) যিসকলে ওপৰত দিয়া স্বত্বসমূহৰ ওপৰত সময়ৰ ভিতৰত দাখিল নকৰে তেওঁলোকৰ কোনো স্বত্ব থাকিলেও সেই স্বত্ব হেৰুৱাব আৰু বন বন্দোৱস্তি বিষয়াই এই সময়ৰ ভিতৰত যিবিলাক স্বত্ব লিপিবদ্ধ নকৰে সেইবিলাক স্বত্বও এই ভূমিখণ্ড সংৰক্ষিত বনাঞ্চল বুলি ঘোষণা কৰা তাৰিখৰ পৰাই লুপ্ত পাব।

৪) এতিয়া কৰিবলৈ লোৱা বন্দোৱস্তি অনুসৰি এই ভূমিখণ্ডৰ ওপৰত নাইবা ইয়াৰ থকা বনজাত বস্তুৰ ওপৰত থকা স্বত্ব সম্বন্ধে সকলো প্ৰশ্ন ভৱিষ্যতলৈ মীমাংসিত হ'ব।

ইয়াত জড়িত থকা সকলো ৰাইজকে ইয়াৰ দ্বাৰাই পুনৰ সোঁৱৰাই দিয়া হয় যে এই ভূমিখণ্ড সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা হোৱাৰ পিছত ইয়াৰ ভিতৰত হ'বলগীয়া সকলো কাম লিপিবদ্ধ কৰা স্বত্ব বা অধিকাৰ অনুসৰিহে হ'ব নাইবা বিভাগীয় বিষয়াৰ অনুমতি অনুসৰি হ'ব আৰু ইয়াৰ বাহিৰে অন্য কোনো কাম হ'ব নোৱাৰিব।

দাবীসমূহ নিম্নলিখিত স্থানত কাৰ্য্যালয় খোলা দিনত ২৩-১২-২০২২ তাৰিখৰ ভিতৰত দাখিল কৰিব পাৰিব।

১) বন বন্দোৱস্তি বিষয়া, কামৰূপ মহানগৰ জিলা উপায়ুক্ত কাৰ্যালয়, গুৱাহাটী।
২) পূব কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী কাৰ্যালয়, বশিষ্ঠ, কামৰূপ মহানগৰ জিলা গুৱাহাটী-২৯।
৩) চক্ৰ বিষয়াৰ কাৰ্যালয়, সোণাপুৰ ৰাজহ চক্ৰ।

**স্বাক্ষৰ**
**বন বন্দোৱস্তি বিষয়া,**
**কামৰূপ মহানগৰ জিলা, গুৱাহাটী**

Janasanyog/D/13392/22

# পুনৰ শ্বাহৰুখৰে যুটি বান্ধিব মণিৰত্নমে!



১৯৯৮ত মুক্তিপ্ৰাপ্ত 'দিল ছে' ছবিৰ পৰিচালক মণিৰত্নমৰ স'তে কাম কৰিছিল শ্বাহৰুখ খানে। তাৰ পাছত অৱশ্যে কোনো ছবিতেই পৰিচালকজনে শ্বাহৰুখক নিৰ্বাচন কৰা নাছিল। 'দিল ছে' ছুপাৰহিট হ'লেও কিবা কাৰণত দুয়ো পুনৰ একেলগে কাম কৰাটো হৈ উঠা নাছিল। আচলতে পৰৱৰ্তী সময়ত মণিৰত্নমে যিবোৰ ছবি পৰিচালনা কৰিছে তাৰ কাহিনীত খাপ নোখোৱাৰ বাবেই শ্বাহৰুখক নিৰ্বাচন কৰা নাছিল বুলি ইংগিত দিছে। যদিও পুনৰ দুই তাৰকা যুটিয়ে একেলগে কাম কৰাৰ সম্ভাৱনা প্ৰকট কৰিলে স্বয়ং অভিজ্ঞ পৰিচালকজনে। সম্প্ৰতি মণিৰত্নমৰ ছবি 'পোন্নিয়ান চেলভান ১' ছবিগৃহলৈ আহিছে। এই ছবিৰ যোগেদি তিনি বছৰৰ পাছত ৰূপালী পৰ্দাত দেখা দিছে ঐশ্বৰ্য ৰাই বচ্চনে। ছবিখনৰ প্ৰচাৰৰ সময়তে শ্বাহৰুখৰ স'তে পুনৰ ছবি কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে মণিৰত্নমে। এক সংবাদমেলত পৰিচালকজনে কয়, 'শ্বাহৰুখৰ স'তে মই পুনৰ ছবি নিৰ্মাণ কৰিব বিচাৰো। এটা আইডিয়া মনত আছে। তাৰ বাবে এখন দুৰ্দান্ত চিত্ৰনাট্য ৰচনা কৰিব লাগিব। নহ'লে শ্বাহৰুখক সন্মত কৰিব পৰা নাযাব। অৱশ্যে অতি শীঘ্ৰেই শ্বাহৰুখক লৈ এখন ছবি নিৰ্মাণ কৰিম।' মণিৰত্নমে লগতে কয় যে শ্বাহৰুখৰ স'তে ৰজিতা খুৰাকৈ চিত্ৰনাট্য ৰচনা কৰিব লাগিব।

## নতুন অসমীয়া ছবি

# 'ভোলা-ব'ম ভোলা'ৰ গীত, প্ৰম', প'ষ্টাৰ মুকলি




কেবাখনো জনসমাদৃত তথা ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত অসমীয়া চলচ্চিত্ৰৰে অসমৰ সাংস্কৃতিক জগতক চহকী কৰা জ্যেষ্ঠ চলচ্চিত্ৰ পৰিচালক চন্দ্ৰ মুদৈৰ বহুপ্ৰতীক্ষিত অসমীয়া ছবি 'ভোলা-ব'ম ভোলা' শীঘ্ৰে চিত্ৰগৃহলৈ আহিব। বুধবাৰে মহানগৰীৰ ৰাজগড়স্থিত ৰিকন হোটেলত ছবিখনিৰ গীত, প্ৰম' আৰু প'ষ্টাৰ মুকলি কৰা হয়। এম বি প্ৰডাকচনৰ বেনাৰত মণিমালা বড়াই প্ৰযোজনা কৰা ছবিখনিৰ পৰিচালনা-চিত্ৰনাট্য তথা সংলাপ ৰচনা কৰিছে চন্দ্ৰ মুদৈয়ে। গাঁৱৰ সহজ-সৰল ভোলা নামৰ এজন যুৱকে এদিন আইএফএল (কাল্পনিক নাম)ত ফুটবল খেলিবলৈ সুযোগ পায় আৰু উল্লেখনীয় প্ৰদৰ্শনেৰে দৰ্শকক আপ্লুত কৰে। হাস্যমধুৰ কাহিনীৰ পটভূমিত ৰচিত ছবিখনিত এটা সুন্দৰ প্ৰেম কাহিনীৰো আলম লোৱা হৈছে। আনহাতে, 'ভোলা-ব'ম ভোলা'ৰ সংগীত পৰিচালনা ডাঃ হীতেশ বৰুৱা আৰু চন্দ্ৰ মুদৈৰ। মহানগৰীৰ বিভিন্ন মনোমোহা লোকেশ্যনত ছবিখনিৰ দৃশ্যগ্ৰহণ কৰিছে নৱ কুমাৰ দাসে। সম্পাদনা কৰিছে অসীম শৰ্মা, ৰিতুৰঞ্জন হাতীমূৰীয়া আৰু জীতেন বড়াই। ৰূপসজ্জা বিশ্ব কলিতাৰ। ডি আই কৰিছে অসীম শৰ্মাই। ভিডিঅ' এফেক্স অভিজিৎ সন্দিকৈৰ। বিৰাজ কৃষ্ণ দাস ছবিখনিৰ প্ৰযোজনা নিয়ন্ত্ৰককৰ দায়িত্বত আছে। ভোলা নামৰ মুখ্য চৰিত্ৰত চৰিত্ৰত বিবেক বৰাই অভিনয় কৰাৰ বিপৰীতে নায়িকাৰ চৰিত্ৰ ৰূপায়ন কৰিছে দীপলিনা ডেকাই। অন্যান্য মুখ্য চৰিত্ৰসমূহ ৰূপায়ণ কৰিছে ক্ৰমে— মণিমালা বড়া, যতীন খনিকৰ, বৰ্ণালী দত্ত, তপন শৰ্মা, জ্যোতি ভট্টাচাৰ্য, আৰতি কলিতা, জ্যোতিস্মান শৰ্মা, ত্ৰৈলোক্য কাশ্যপ, তপন শইকীয়া আৰু শিশুশিল্পী প্ৰজ্ঞান ৰাজ কাশ্যপ আৰু ৰাগিণী বৰা। উল্লেখ্য যে অহা ৭ ডিচেম্বৰত ছবিখনি চিত্ৰগৃহলৈ আহিব বুলি প্ৰযোজকে জানিবলৈ দিছে।

## জ্যোতি চিত্ৰবনত নতুন অসমীয়া ছবি

# 'ৰাইজিং ছান'ৰ বিশেষ প্ৰদৰ্শনী

গীত ফিল্ম মেকাৰ্চৰ বেনাৰত নিৰ্মিত 'ৰাইজিং ছান' নামৰ নতুন অসমীয়া চলচ্চিত্ৰখনিৰ আজি জ্যোতি চিত্ৰবনত এক বিশেষ প্ৰদৰ্শনী অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকে জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ, জ্যেষ্ঠ চিকিৎসক তথা সংগীত পৰিচালক ডাঃ হিতেশ বৰুৱা, প্ৰতিবন্ধীসকলৰ বাবে আয়ুক্ত দেবেশ্বৰ বৰা, সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ সঞ্চালক কিশোৰ ঠাকুৰীয়া, জ্যেষ্ঠ সাংবাদিক বিদ্যুৎ কুমাৰ ভূঞা-মণ্টু শইকীয়া, ড° অনন্ত মাধৱ দত্ত, ডাঃ যদুনাথ বুঢ়াগোহাঁই, ভাৰতীয় ষ্টেট বেংকৰ গুৱাহাটীৰ সহকাৰী প্ৰবন্ধক বসন্ত গগৈ, কণ্ঠশিল্পী ৰোহিত সোণাৰৰ লগতে বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি। মূলতঃ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা দিবাংগসকলে জীৱন যুদ্ধত কিদৰে সমাজৰ অৱহেলা, লাঞ্ছনাৰ মুখামুখি হয়, সমাজত নিজৰ অধিকাৰ বিচাৰি যাওঁতে সমাজ আৰু প্ৰশাসনৰ পৰা কিদৰে নিৰ্যাতিত হয় তাৰে পটভূমিত নিৰ্মাণ কৰা ছবিখনৰ বিশেষ বৈশিষ্ট্য হৈছে ছবিখনত অভিনয় কৰা প্ৰত্যেকজন দিব্যাংগ চৰিত্ৰৰ ব্যক্তিয়েই সঁচা অৰ্থত একো একোজন দিব্যাংগ। 'ৰাইজিং ছান'ৰ কাহিনী-চিত্ৰনাট্য-সংলাপ তথা পৰিচালনা কৰিছে মনোজ বৈশ্যই। প্ৰযোজনা কৰিছে নৃপেন মালাকাৰে। চিত্ৰগ্ৰহণকাৰী বীৰেন দাস আৰু মনোজ বৈশ্য। সম্পাদনা কৰিছে মনোজ বৈশ্যই। গ্ৰাফিক্স-টুটুল, লাইভ ছাউণ্ড-ৰূপম জামানৰ, শব্দ সংমিশ্ৰণ তথা ছবিখনিৰ সংগীত পৰিচালক হৃদয় ৰঞ্জন চৌধুৰী। 'ৰাইজিং ছান'ৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে ক্ৰমে জয়ন্ত ভাগৱতী, পৰাণ কমল, দ্বিবন কুমাৰ বৈশ্য, বিপুল দাস, নৃপেন মালাকাৰ, বিউটি গগৈ, ৰবীন হালৈ, ৰিমঝিম শৰ্মা, ৰঞ্জন দাস, বিপুল দাস, ভৰেশ দাস, প্ৰিন্সী গগৈ, কুলধৰ বৰুৱা, অৰুণ ভূঞা, দীপেন ভূঞা, সুখদেৱ মণ্ডল, পংকজ নাথ, অণু দাস, ৰাজেন বণিয়া, চন্দন দাস, হিমাংশু নাথ, চিত্তৰঞ্জন কলিতা, অমৃত শৰ্মা, প্ৰসন্ন শৰ্মা, ৰাজু ছেত্ৰী, ৰঞ্জিত চেত্ৰী, বীৰেণ মালাকাৰ, সম্প্ৰীত দি মালাকাৰ, ড° অৰুণজ্যোতি দত্ত, সুনীল দাস, হৰেন বৰ্মন, ৰীতা দাস আৰু বহুতো। ছবিখনে ইতিমধ্যে আমেৰিকাৰ এক'লেড গ্লব' ফিল্ম কমপ্লিচনত ৪৩,০০০ খন ছবিৰ ভিতৰত প্ৰতিবন্ধী শিতানত শ্ৰেষ্ঠ ছবিৰ খিতাপ লাভ কৰে। তদুপৰি ক্ৰাউনউড ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেলত শ্ৰেষ্ঠ ভাৰতীয় ছবিৰ সন্মান, ইউনিয়ন ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেলত শ্ৰেষ্ঠ ছবিৰ সন্মান লাভ কৰে। লগতে ছবিখনত দুগৰাকী প্ৰতিবন্ধী ব্যক্তি ক্ৰমে নৃপেন মালাকাৰ আৰু বিউটি গগৈয়ে শ্ৰেষ্ঠ অভিনেতা আৰু অভিনেত্ৰী বঁটাৰ বাবে ক্ৰাউনউড ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেলত নিৰ্বাচিত হোৱাৰ উপৰি মুম্বাইৰ অষ্টম ইণ্ডিয়ান চিনে ফিল্ম ফেষ্টিভেল ২০০০ বেষ্ট ডেবিউ ডাইৰেক্টৰৰ খিতাপ লাভ কৰে।

## পাৰিশ্ৰমিক ১০ কোটি কমালে আয়ুস্মানে

# ছবিৰ নিৰ্মাতাক সকাহ দিয়াৰ বাবেই নায়কৰ সিদ্ধান্ত



কৰ'না অতিমাৰীৰ আঘাতত মুখ থেকেচা খাইছিল বলিউদৰ বক্স অফিচে। অতিমাৰীৰ পৰিস্থিতি স্বাভাৱিক হ'লেও বলিউদৰ আৰ্থিক দিশটোৱে এতিয়াও বিশেষ উন্নতি কৰিব পৰা নাই। এনে পৰিস্থিতিত বলিউদৰ বহু অভিনেতাই ছবি নিৰ্মাতাক সাহায্য কৰিবলৈ আগবাঢ়ি আহিছে। ইয়াৰ ভিতৰত অন্যতম হৈছে ব্যতিক্ৰমী শৈলীৰ ছবিত অভিনয়ৰ বাবে প্ৰখ্যাত আয়ুস্মান খুৰানা। প্ৰতখন ছবিত আয়ুস্মানে যিমান টকা পাৰিশ্ৰমিক লয়, এতিয়া তাৰ তুলনাত অনেক কম টকা লোৱাৰ সিদ্ধান্ত লৈছে তেওঁ।

বলিউদৰ সূত্ৰই জনোৱা মতে, প্ৰায় ২৫ কোটি টকা পাৰিশ্ৰমিকৰ বিনিময়ত আয়ুস্মানে চুক্তি কৰিছিল। অৱশ্যে অতিমাৰী আৰু তাৰ পৰৱৰ্তী সময়ত তেওঁ একোখন ছবিৰ বাবদ ১৫ কোটি টকাহে গ্ৰহণ কৰিছে। বাকী ১০ কোটি টকা ল'ব নে নাই, সেয়া ছবিখনে কেনে ব্যৱসায় কৰিছে তাৰ ওপৰত ভিত্তি কৰিহে তেওঁ সিদ্ধান্ত লয়। ক'ভিডৰ সময়ত আয়ুস্মানৰ ছবি অ'টিটিত মুক্তি পাইছিল। পৰিচালক সুজিত সৰকাৰৰ 'গুলাবো ছিতাবো' ছবিখনে অ'টিটিত মুক্তি পাইছিল। ছবিখনত আয়ুস্মানৰ স'তে অভিনয় কৰিছিল অমিতাভ বচ্চনে। আগন্তুক ছবি 'ডক্টৰ জি'ত দেখা যাব আয়ুস্মানক। প্ৰযোজক-পৰিচালকসকলৰ কথা ভাবি আয়ুস্মানে লোৱা সিদ্ধান্তক বহুতেই প্ৰশংসা কৰিছে। অৱশ্যে আয়ুস্মানৰ উপৰি অক্ষয় কুমাৰ আৰু টাইগাৰ শ্ৰফেও পাৰিশ্ৰমিক কমোৱাৰ সিদ্ধান্ত লৈছে। তেওঁলোকে 'বড়ে মিএঞা ছোটে মিএঞা' ছবিত নিজৰ পাৰিশ্ৰমিকতকৈ কম টকা লৈছে। সেইদৰে বক্স অফিচত সফল হোৱা 'ভুল ভুলাইয়া'ৰ বাবে কাৰ্তিক আৰিয়ানেও কম পাৰিশ্ৰমিক গ্ৰহণ কৰে।

# পাক অভিনেতাৰ প্ৰেমত পৰিছে আমিষা!



ছবিজগতৰ পৰা প্ৰায় আঁতৰিয়ে আছে আমিষা পেটেল। 'কহো না প্যাৰ হ্যে' ছবিৰ যোগেদি বলিউদত আত্মপ্ৰকাশ ঘটোৱাৰ পাছত কে'বাখনো ছবিত অভিনয় কৰিলেও আমিষাই নিগাজি আসন এখন অধিকাৰ কৰিব নোৱাৰিলে। সেইদৰে নানা সম্পৰ্কত জড়িত হ'লেও অভিনেত্ৰীগৰাকীৰ সংসাৰো স্থায়ী হোৱা নাই। সম্প্ৰতি তেওঁ পুনৰ প্ৰেমত পৰাৰ গুঞ্জন ওলাইছে। অৱশ্যে বলিউদৰ নহয়, বৰঞ্চ পাকিস্তানৰ এজন অভিনেতাৰ স'তে আমিষাৰ ঘনিষ্ঠ সম্পৰ্ক আৰম্ভ হোৱা বুলি চৰ্চা চলিছে। চৰ্চা অনুসৰি, পাক অভিনেতা ইমৰান আব্বাছৰ স'তে আমিষা সম্প্ৰতি প্ৰেমৰ সম্পৰ্কত বান্ধ খাইছে। দুয়োকে আনকি ৰেস্তোৰাঁ আদিতো একেলগে দেখা বুলি বহুতে সদৰী কৰিছে। যদিও ইমৰান তেওঁৰ ভাল বন্ধু বুলিহে আমিষাই দাবী কৰিছে।

সম্প্ৰতি আমিষাই ইনষ্টাগ্ৰামত এটা ভিডিঅ' প'ষ্ট কৰিছিল। ভিডিঅ'ত দেখা গৈছে নিজৰ ছবি 'হমৰাজ'ৰ 'দিল মে দৰ্দ ছে জগা হ্যে' শীৰ্ষক গীতত আমিষাৰ স'তে ওঁঠ মিলাইছে তেওঁৰ 'বন্ধু' ইমৰানে। এই ভিডিঅ' প্ৰকাশলৈ অহাৰ লগে লগে দুয়োৰে প্ৰেমৰ গুঞ্জন আৰম্ভ হয়। এই প্ৰসংগত মন্তব্য কৰিবলৈ গৈ অভিনেত্ৰীগৰাকীয়ে হাঁহি দিয়ে। আমিষাই কয়, 'বাতৰিটো মইয়ো পঢ়িছো। তাৰ পাছত মই ডাঙৰকৈ হাঁহিলো। বহু বছৰৰ পাছত বন্ধুৰ স'তে সাক্ষাৎ হ'ল। আমি কেৱল বন্ধু।' আমিষাই লগতে কয় যে পাকিস্তানত তেওঁৰ কে'বাজনো বন্ধু আছে আৰু তেওঁলোকৰ স'তে সততে যোগাযোগ ঘটি থাকে।' অৱশ্যে ভিডিঅ'ত তেওঁলোকৰ ৰসায়ন দেখি দুয়োৰে মাজত কেৱল বন্ধুত্ব থকা কথাটো বিশ্বাস কৰা নাই বহুজনে। উল্লেখ্য যে নায়িকা হিচাপে বলিউদত নিগাজি আসন দখল কৰিব নোৱাৰিলেও আমিষাৰ হাতত আছে 'গডৰ'ৰ দৰে ছুপাৰহিট ছবিও। ৪৬ বছৰীয়া অভিনেত্ৰীগৰাকীক সম্প্ৰতি 'গডৰ'ৰ ছিকুৱেলত দেখা যাব। অৱশ্যে ছবিখনৰ মুক্তিৰ দিন স্থিৰ হোৱা নাই।

# 'আদিপুৰুষ'ত নতুন চমক প্ৰভাসৰ

উত্তাল সমুদ্ৰৰ তীৰত আঁঠু কাঢ়ি বহিছে ৰামচন্দ্ৰই। ধনুত কাঁড় জুৰি লক্ষ্যস্থিৰ কৰিছে আকাশলৈ। লক্ষ্যভেদ কৰি নমাই আনিছে বজ্ৰবিদ্যুৎ। শুকুৰবাৰে সেই দৃশ্য সম্বলিত এখন প'ষ্টাৰ হঠাৎ ভাইৰেল হৈ পৰিল সামাজিক মাধ্যম।



পৰিচালক ওম ৰাউটৰ নতুন ছবি 'আদিপুৰুষ'ৰ প্ৰথম প'ষ্টাৰে সকলোৰে চকুত চমক সৃষ্টি কৰিছে।

ৰামচন্দ্ৰৰ ভূমিকাত অভিনয় কৰিছে দক্ষিণৰ ছুপাৰষ্টাৰ প্ৰভাসে। সৰযূ নদীৰ তীৰৰ পৰাই এই ঐতিহাসিক যাত্ৰা আৰম্ভ কৰিছে তেওঁ। প'ষ্টাৰত সেই যাত্ৰাত চামিল হ'বলৈ পৰিচালকে সকলোকে আহ্বান জনাইছে। এই প'ষ্টাৰসমূহ ইংৰাজী, তামিল, তেলুগু, মালায়ালম আৰু কন্নড় ভাষাত প্ৰকাশ পাইছে। কাইলৈ 'আদিপুৰুষ'ৰ প্ৰথম টিজাৰ মুকলি হ'ব। লগতে এখন নতুন প'ষ্টাৰো প্ৰকাশ কৰিব। সামাজিক মাধ্যমৰ জৰিয়তে এই কথা জনালে স্বয়ং প্ৰভাসে। মহাকাব্য ৰামায়ণৰ আধাৰত নিৰ্মাণ কৰা হৈছে বহুভাষিক ছবিখন। 'বাহুবলী'ৰ অভিনেতা প্ৰভাসেই ছবিখনৰ মূল আকৰ্ষণ। অৱশ্যে লংকাৰ ৰজা ৰাৱণৰ চৰিত্ৰত অভিনয় কৰিছে ছইফ আলী খানে। আনহাতে, সীতাৰ চৰিত্ৰত অভিনয় কৰিছে কৃতী শ্বেননে। 'তানহাজী'ৰ পাছত পৰিচালক ৰাউটৰ এইখন দ্বিতীয় ছবি।

# ন ৰূপত অনুপম শইকীয়াৰ 'হাতৰে আঙুলি'




শাৰদীয় দুৰ্গোৎসৱৰ প্ৰাকক্ষণত অনুপম মিউজিক ক্ৰিয়েশ্যনৰ বেনাৰত অলপতে মহানগৰীৰ ৰাজগড়স্থিত টেম্পটেশ্যন ষ্টুডিঅ'ত 'হাতৰে আঙুলি লিহিৰি লিহিৰি' শীৰ্ষক এটি গীত মুকলি কৰা হয়। বিশিষ্ট সংগীতশিল্পী অনুপম শইকীয়া আৰু প্ৰিয়ংকা ভৰালীয়ে কণ্ঠ নিগৰোৱা গীতটি ইতিপূৰ্বে 1999 চনত মুক্তি লাভ কৰা চুপাৰহিট শ্ৰব্য কেছেট 'মন'ত কণ্ঠ নিগৰাইছিল বলীউদৰ জনপ্ৰিয় কণ্ঠশিল্পী সদ্যপ্ৰয়াত কেকে, ছান, সাধনা স্বৰগম আৰু অনুপম শইকীয়াই। গীতটিৰ কথা-সুৰ তথা সংগীত অনুপম শইকীয়াৰ। সংগীত ব্যৱস্থাপনা দীপকেশ বৰগোঁহাইৰ। গীতটিৰ মিক্স এণ্ড মাষ্টাৰিং কৰিছে দিগন্ত বৰদলৈয়ে। আনহাতে, নৱৈ দশকৰ জনপ্ৰিয় গীতটি ন-ৰূপেৰে সজাই পুনৰ শ্ৰোতা-দৰ্শকৰ মাজলৈ আগবঢ়াই জনপ্ৰিয় শিল্পী অনুপম শইকীয়াই 'হাতৰে আঙুলি লিহিৰি লিহিৰি' গীতটি "Anupam Saikia Official" ইউটিউব চেনেলযোগে মুক্তিলাভ কৰাৰ লগতে সংগীতপ্ৰেমী ৰাইজে গীতটিক আঁকোৱালি ল'ব বুলি আশা প্ৰকাশ কৰে।

## নতুন ধাৰাবাহিক

# 'জোনাক এৰা বাটে'

মনোৰঞ্জনধৰ্মী চেনেল ৰেঙনিত অহা ১০ অক্টোবৰৰ পৰা সম্প্ৰচাৰ হ'বলৈ গৈ আছে এখন নতুন ধাৰাবাহিক 'জোনাক এৰা বাটে'। ধাৰাবাহিকখনৰ এটা মুখ্য চৰিত্ৰ নীলা। অতীতৰ তিতা-কেঁহা সকলোবোৰ পাহৰি নীলাই আৰম্ভ কৰিব খোজা এটি জীৱন কাহিনী। সকলোবোৰ দুখ-কষ্ট সহ্য কৰিও কিয় নীলাই আগবাঢ়িছিল এখন নতুন সমাজ গঢ়িবলৈ। এই সংগ্ৰাম কিমান কঠিন, যি সংগ্ৰামত তাইক বহুজনে লগ দিছে যদিও মাজবাটত তাইক এৰি দিছে। কিয় তাই ভালপোৱা, আপোন মানুহবোৰক এৰিবলৈ বাধ্য হয়। স্মৃতিৰ সোণাৱালী দিনবোৰে নীলাক আগুৱাই যোৱাত সহায় কৰে। অভিজ্ঞতাবোৰ বুকুত সামৰি নতুন বাটেৰে আগবাঢ়ি যোৱা নীলাৰ জীৱন কাহিনীৰে নিৰ্মিত এখন ধাৰাবাহিক 'জোনাক এৰাবাটে', য'ত আছে এজনী বোৱাৰীৰ বুকুত জ্বলি থকা একুৰা আভিমানী জুই, এগৰাকী প্ৰেমিক, যি ধুনীয়া শব্দ আৰু চিন্তাধাৰাৰ লেখিকাক বিচাৰি হাবাথুৰি খায়, জীৱন বাটত আগুৱাই যাবলৈ প্ৰেমিকাক বাট এৰি দিব পৰা এজন প্ৰেমিক বন্ধু আৰু এজন স্বপ্নদ্ৰষ্টা লোক যি অসীম ধৈৰ্যৰে সংসাৰ, ব্যৱসায়, দায়িত্ব সকলোবোৰ কাম সুচাৰুৰূপে চলাই যাব পাৰে। ধাৰাবাহিকখনত অভিনয় কৰিছে ভ্ৰান্তি মেধি, ধৃতিস্মিতা ডেকা, ভৰেশ দাস, ত্ৰৈলোক্য কাশ্যপ, কবিতা শইকীয়া, শান্তনু শইকীয়া, শৰৎ কুমাৰ কোঁৱৰ, মৌনিতা বৰা, পুৰ্ণম বৰুৱা, নৱ বৰগোহাঁই, ৰীমা বৰুৱা, ৰাখী শইকীয়া, মোজাফাৰ আলী, নিয়ন দেউৰী, কৌশিক, অৰূপ, ডেলিচা, গুঞ্জন, ৰাজপাল ৰাজদ্বীপে। 'জোনাক এৰা বাটে' ধাৰাবাহিকখনৰ চিত্ৰনাট্য আৰু সংলাপ লিখিছে চিমি তালুকদাৰ আৰু নৰজ্যোতি বৰাই। ধাৰাবাহিকখন পৰিচালনা কৰিছে মোহন দাসে আৰু সহযোগী পৰিচালনা কৰিছে মিতুপৰ্ণ চক্ৰৱৰ্তীয়ে। সহযোগী পৰিচালনা আৰু সম্পাদনা কৰিছে ৰিতুৰাজ হাতীমুৰীয়াই। গুৱাহাটীৰ বহুকেইটা মনোমোহা লোকেচনত ধাৰাবাহিকখনৰ দৃশ্যগ্ৰহণ কৰিছে তৃথনাথ, মৃন্ময় আৰু বিদ্যুতে। ৰূপসজ্জা-সোণালী আৰু নেহা দাস। ধাৰাবাহিকখনৰ প্ৰযোজক ৰাজীৱ শইকীয়াই ধাৰাবাহিকখন অসমৰ দৰ্শক ৰাইজে আদৰি ল'ব বুলি আশাবাদী।

# ঝুমুৰ নৃত্যৰ ঢোলক সংৰক্ষণৰ প্ৰয়াস নবীন মূড়াৰৰ



অসমৰ চাহ জনগোষ্ঠীৰ আপুৰুগীয়া সংস্কৃতি ঝুমুৰ নৃত্যৰ অপৰিহাৰ্য লোকবাদ্য ঢোলক সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ আজীৱন প্ৰয়াস কৰি অহা এজন যুৱ প্ৰজন্মৰ লোকবাদ্য শিল্পী নবীন মূড়া। গোলাঘাট জিলাৰ ঘিলাধাৰী চাহ বাগিচাৰ শিল্পীজনে অষ্টম শ্ৰেণীৰ পৰাই ঢোল সাৱলীল ৰূপত পৰিৱেশন কৰি স্ব-প্ৰতিভা উদ্ভাসিত কৰি আহিবলৈ সক্ষম হৈছে। প্ৰথম অৱস্থাত বিভিন্ন স্থানৰ ঝুমুৰ সন্মিলনত বজোৱা ঢোলৰ চেও শিকি পাছত তিনিচুকীয়াৰ ইটাখুলি চাহ বাগিচাৰ ঢোলৰ যাদুকৰ কমল তাঁতীক ঢোলৰ গুৰু গ্ৰহণ কৰি এই যাত্ৰাত আৰু থমকি ৰোৱা নাই। তিনিচুকীয়া, যোৰহাট, বোকাখাত, ডিব্ৰুগড়, ঘিলাধাৰী আদি চাহ বাগিচাত অনুষ্ঠিত হোৱা ঝুমুৰ প্ৰতিযোগিতাত সুন্দৰকৈ ঢোল পৰিৱেশন কৰি ৰাইজৰ পৰা সমাদৃত হৈছে। শিল্পীগৰাকী কে'বাবাৰো ঢোলৰ শ্ৰেষ্ঠ বঁটা লাভ কৰি নিজৰ আপোন বাগিচাখনলৈ সুনাম কঢ়িয়াই আনিছে। প্ৰতিভাৱান যুৱশিল্পীজনৰ সাংস্কৃতিক যাত্ৰা ভৱিষ্যতলৈ অব্যাহত থাকক এয়া আমাৰ কামনা।

# ৰংগশালা, অসমৰ জোনাকী কাৰেং নাট উৎসৱৰ সামৰণি

## তৃতীয় লিংগৰ কৰুণ গাঁথা, চৰকাৰী-সামাজিক ব্যৱস্থাক জোকাৰি দুঃস্বপ্ন, এলিচ ইন আচাম, চৰণ দাস চোৰ আৰু মাংস

ৰঙ্গশালা, অসম নলবাৰীৰ এক অপেছাদাৰী নাট্য সংস্থা। কবি প্ৰণৱ কুমাৰ বৰ্মন, নাট্য সংগঠক অলকেশ ভট্ট, চুনু সঞ্জয়, সঞ্জয় তালুকদাৰ, প্ৰিয়ম আদিত্য আদিকে ধৰি কেইজনমানে গঢ়ি তুলিছে এই সংস্থাটো। সংস্থাটোৱে বিগত আঠটা বছৰে নলবাৰীত নাট কৰ্মশালা আৰু নাট উৎসৱ অনুষ্ঠিত কৰি আহিছে। ব্ৰেখ্‌টীয় নীতি অনুসৰি দৰ্শকক আনন্দ দিয়াটোৱেই নাটকৰ মুখ্য উদ্দেশ্য যদিও ইউৰিপাইদিছ, মাৰ্ক্স, হেমাঙ্গ বিশ্বাস, হবীব তনবীৰ আদি নাট্যকাৰ সকলে পৰৱৰ্তী পৰ্যায়ত এটা নতুন নাট্যধাৰা সৃষ্টি কৰিলে, যাক সমালোচক একাংশই প্ৰগতিবাদী বা সামাজিক বাস্তৱবাদ বুলি অভিহিত কৰিছে। এনে নাটকত দৰ্শক নাটকৰ মাজত সম্পূৰ্ণ নিমজ্জিত নহৈ নিজৰ বুদ্ধিক সজাগ, সচেতন কৰিহে নাটক চাব লগা হয়। এই ধৰণৰ নাট সমূহে সামাজিক বাস্তৱৰ প্ৰতিকী প্ৰতিফলন আৰু পৰিৱৰ্তনকামী চেতনা প্ৰবাহৰ মাজেৰেহে দৰ্শকক আনন্দ দিয়ে। এই শ্ৰেণীৰ দৰ্শক, দৰ্শকৰ শ্ৰেণীত বহাৰ পূৰ্বেই সচেতন আৰু বোধ-বুদ্ধি সম্পন্ন হ'ব লাগিব। গতিকে নিঃসন্দেহে এনে ধাৰাৰ নাটক মঞ্চস্থ কৰাটো নাট্য সংস্থা সমূহৰ বাবে বহু কষ্টকৰ আৰু দৰূহ কাম। এনে প্ৰত্যাহ্বান নেওচি নলবাৰীৰ ৰঙ্গশালা, অসমে প্ৰতিবছৰে প্ৰগতি আৰু সামাজিক বাস্তৱবাদ ধৰ্মী নাটকেৰেই নাট কৰ্মশালা আৰু জোনাকী কাৰেং নাট উৎসৱ অনুষ্ঠিত কৰি আহিছে।

কৰোণাকালীন পৰিস্থিতিৰ বাবে মাজত দুটা বছৰৰ অন্তত যোৱা ২৩ ছেপ্তেম্বৰৰ পৰা ২৫ ছেপ্তেম্বৰলৈ তিনিদিন ধৰি ৰঙ্গশালা অসমৰ জোনাকী কাৰেং নাট উৎসৱ-২০২২ অনুষ্ঠিত হয়। হিতেশ ডেকা, বিমলা ভট্ট আৰু নীলিমা ভট্টাচাৰ্য সোঁৱৰণী তিনিও নাট্য সন্ধিয়াত দৰ্শকৰ আশাতীত উপস্থিতিয়ে প্ৰমাণ কৰি দিলে- যিমানেই সামাজক অৱক্ষয় হৈছে তাৰ বিপৰীতে প্ৰগতিবাদী বা সামাজিক বাস্তৱ ৰীতিৰ নাটকৰ বাবে সচেতন দৰ্শকৰ সংখ্যাও যথেষ্ট বৃদ্ধি হৈছে। যাৰ বাবে 'ভাল দিন' অহাৰ আশা সম্পূৰ্ণ বাদ দিব নোৱাৰি।



প্ৰথম দিনা অৰ্থাৎ হিতেশ ডেকা সোঁৱৰণী নাট্য সন্ধিয়াত মঞ্চস্থ কৰা হয় দুখনকৈ নাটক- দুঃস্বপ্ন আৰু এলিচ ইন আচাম। দুঃ স্বপ্নৰ ৰচনা প্ৰয়াত হিতেশ ডেকাৰ আৰু পৰিচালনা কিশোৰ চক্ৰৱৰ্তীৰ। নিবেদন কৰিছে- নাট্য চৰ্চা, নলবাৰী নামৰ নাট্যগোষ্ঠীয়ে। অভিনয় কৰিছে বিজু আহমেদ আৰু ৰঞ্জন শৰ্মাই। তৃতীয় লিংগৰ মানুহখিনিৰ প্ৰেম আৰু সামাজিক সমস্যাক বিষয় হিচাপে লৈ নাটকখন। এৰিষ্ট'টলৰ দ্বিতীয় ট্ৰেজিক সূত্ৰ অনুসৰি (জটিল ট্ৰেজেডি, এৰিষ্টটলৰ ভাষাত- anagnorisis) ইয়াত 'স্বপ্নিল' (পিছলৈ স্বপ্না) চৰিত্ৰ হ'ল ঢাক খাই থকা সত্য, যি দৰ্শকৰ মনত ভাৱৰ খলকনি তুলি নাটকৰ আবেদন গভীৰ কৰি তোলে। নাট্যকাৰৰ বক্তব্যকৌশল আৰু চৰিত্ৰটোত ৰঞ্জন শৰ্মাই কৰা অভিনয় অতি প্ৰশংসনীয়।



একেটি নিশাটেই মঞ্চস্থ হোৱা দ্বিতীয়খন নাটক হ'ল- এলিচ ইন আচাম। মূল-আৰ্টিকল ইন ওণ্ডাৰলেণ্ড এণ্ড থ্ৰ' দ্য লুকিং গ্লাছ ৰ নাট্যৰূপ 'এলিচ ইন আচাম' ৰ নাট্যৰূপ আৰু পৰিচালনা ড০ মৃনালজ্যেতি গোস্বামীৰ। নিবেদন কৰিছে আংক এ ক্ৰিয়েটিভ লাইনে। এলিচ ইন আচামৰ পৰিকল্পনাত নতুনত্ব আছে। নাটখন পৃথিৱীৰ বিভিন্ন ঘটনাৱলীৰ অভিজ্ঞতাৰ সমষ্টি। নাট্য ইতিহাসত এইবিধ ধাৰাৰ সৃষ্টিকাৰী এলবেয়াৰ ক্যেমু, যাক বহুতে 'এবচাৰ্ড' ৰীতি বুলিও অভিহিত কৰিছিল। এলিচ ইন আচামত ক্যেমুৰ এনে ৰীতি সম্পূৰ্ণভাৱে ব্যৱহৃত নহ'লেও আৰম্ভণি বা ব্যক্তব্যৰ কৌশলত তেনে ৰীতিৰ প্ৰভাৱ নথকা নহয়। কিন্তু নাট্যকাৰ-পৰিচালকৰ তেনে কৌশল বৰ নিঃখুত বুলি ক'ব নোৱাৰি। সামগ্ৰিক প্ৰযোজনাত ইয়াৰ দুৰ্ব্বলতা স্পষ্ট। অৱশ্যে এনে নাটকত দৰ্শকৰ মনযোগ সামান্যতম বিচ্ছিন্ন হ'লেও নাট কৰ আনন্দৰ পৰা বঞ্চিত হোৱাটোৱেই খাটাং।

হবীব তনবীৰ ভাৰতবৰ্ষৰ এগৰাকী খ্যাতনামা নাট্যকাৰ। তেওঁৰ বিৰল সৃষ্টি 'চৰণ দাস চোৰ' ইতিমধ্যে ভৰতবৰ্ষৰ প্ৰায় সকলো প্ৰান্ততে মঞ্চস্থ হৈছে। এটা ৰাজস্থানী সাধুকথাক কেন্দ্ৰ কৰি উক্ত নাটকখন ৰচিত হেৱা হেতু নাট্যসংস্থা সকলে ইয়াত নিজা নিজা লোক-কলা ব্যৱহাৰৰ সুযোগ পায়। জোনাকী কাৰেং নাট উৎসৱৰ দ্বিতীয় নাট্য সন্ধিয়াত নলবাৰী নাট্য মন্দিৰত এই নাটখন নিবেদন কৰিলে গুৱাহাটীৰ 'বা' নামৰ নাট্যগোষ্ঠীটোৱে। পৰিচালনা- অনুপ হাজৰিকাৰ। নামঘৰৰ পৰিদৃশ্যৰ আলমত পৰিচালকে যি ধৰণে আৰম্ভনিৰ পৰা শেষ পৰ্যন্ত নাটকখন আগুৱাই নিছে সেয়া এজন নিঃপুন পৰিচালকৰ বাবেহে সম্ভৱ। অকনমানো উজুতি নাই। নাটখন দৰ্শকে বৰ ভালপোৱাৰ আন এক কাৰণ- ইয়াত তাল, বাঁহী, কুৰকুৰি, নাগাৰা আৰু দোতাৰাৰে লাইভ মিউজিক ব্যৱহাৰ কৰা হৈছে। তাকো শিল্পী সকলক মঞ্চৰ এচুকত বহুৱাই লৈ। নাটকখনৰ বক্তব্যৰ বিষয়ে কোৱাটো নিষ্প্ৰয়োজন যদিও পৰিচালকে অভিনৱ কায়দাৰে ইয়াক অসমৰ সাম্প্ৰতিক পৰিস্থিতি সাপেক্ষ কৰি তুলিছে। যাৰ ফলত দৰ্শকে নাট্য মন্দিৰ প্ৰেক্ষাগৃহতে ইয়াৰ ইংগিত প্ৰকাশ কৰিছে যে সাম্প্ৰতিক সময়ত 'সত্যবাদ' আৰু 'স্পষ্টবাদ' অতিশয় বিপদগ্ৰস্ত। চৰন দাস চোৰৰ অভিনয়ত ভাস্কৰ বৰুৱাৰ অভিনয় প্ৰশংসনীয়।

শেহতীয়াভাৱে অসমৰ নাট্যক্ষেত্ৰত হিমাংশু দাসৰ নাম অধিক চৰ্চিত। নাট্যকাৰ-পৰিচালকগৰাকী সাহসী কলাকাৰ বুলি সততে পৰিচিত। জোনাকী কাৰেং নাট্য সন্ধিয়াৰ তৃতীয় নাট্য সন্ধিয়াত তেওঁৰ নাট্য সংস্থা 'গোৰেৰ্ণিকা'ই নিবেদন কৰে 'মাংস'। অপু ভৰদ্বাজৰ গল্পৰ আধাৰত ৰচিত নাটখন পৰিচালনা কৰিছে হিমাংশু দাসে। বিৱৰ্তনৰ আধাৰত এই নাটকখনে সামাজিক বাস্তৱতাক উদঙাই দিছে। ইয়াৰ মূল চৰিত্ৰ এজন আদিম মানৱ, যি বিৱৰ্তন, সভ্যতা আৰু ভোকৰ সাক্ষী। ভোকৰ ওচৰত কোনো ধৰ্ম নাই, জাত-পাত নাই। ভোক-ভোকেই। এই বক্তব্যক মূল চৰিত্ৰ আদিম মানৱেজনে মঞ্চৰ মাজৰ পৰা নামি আহি দৰ্শকৰ মাজলৈ গুছি যায়। অৰ্থাৎ সিদ্ধান্ত দৰ্শকৰ। নাটকখনত পৰিচালকৰ চাতুৰ্য স্বীকাৰ্য। কেৱল হিন্দু বা মুছলমান ধৰ্মৰ কথাৰে ধৰ্মীয় ব্যৱস্থাটোক লৈ ব্যঙ্গ কৰিবলৈ যাওতে পৰিচালকে যিধৰণে পৰিৱেশ সৃষ্টি কৰিছে সেয়া গভীৰ অধ্যয়নপুষ্ট বুলি ক'ব নোৱাৰি। আশা থাকিল, হিমাংশু প্ৰসাদ দাসৰ ওপৰত অসমৰ ৰাইজৰ যি বিশ্বাস গঢ়ি উঠিছে তালৈ লক্ষ্য ৰাখি নাট্যকাৰ-পৰিচালকজনে আগন্তুক দিনত আৰু অধিক অধ্যয়নপুষ্টতাৰে কাম কৰিব।

আব্দুল মজিদ



## ৰাষ্ট্ৰীয় ক্ৰীড়াৰ লন বলত দুটা সোণসহ অসমৰ চাৰিটা পদক



**আহমেদাবাদ, ১ অক্টোবৰ ঃ** চলিত 36 সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি লন বলত অসমে চমক সৃষ্টিৰে দুটা সোণ, এটা ৰূপ আৰু এটা ব্ৰঞ্জ অৰ্জন কৰি প্ৰত্যাশিত সফলতা অৰ্জন কৰে। পুতুল সোণোৱাল, আনন্দ নাৰ্জাৰী আৰু মৃদুল বৰগোহাঁইৰ দ্বাৰা গঠিত অসমৰ তিনিজনীয়া পুৰুষ দলে আজি ফাইনেলত বংগক 25-6 ৰ ব্যৱধানত হেলাৰঙে পৰাস্ত কৰি সোণ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰপূৰ্বে অসমে ছেমিফাইনেলত 26-8 ৰ ব্যৱধানত দিল্লীক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, লন বলত অসমক দ্বিতীয়টো সোণ দিয়ে পুৰুষৰ ডাবলছত মৃদুল বৰা আৰু ৰূপতু গগৈয়ে। ৰোমাঞ্চকৰ ফাইনেলত অসমে দিল্লীক 18-16 ৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, অসমৰ তানিয়া চৌধুৰী, বনগীতা হাজৰিকা, অনন্যা শইকীয়া আৰু অদিনীতা কাকতিৰ দ্বাৰা গঠিত মহিলা দলটোৱে আজি ফাইনেলত ঝাৰখণ্ডৰ মুখামুখি হয় যদিও 11-23 ৰ ব্যৱধানত পৰাজয় স্বীকাৰ কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰপূৰ্বে অসমে ছেমিফাইনেলত 22-8 ৰ ব্যৱধানত দিল্লীক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ইফালে, লন বলৰ মহিলাৰ একক শাখাৰ খেলত কমনৱেলথ গেমছৰ স্বৰ্ণজয় অসম কন্যা নয়নমণি শইকীয়াই কালি ছেমিফাইনেলত ঝাৰখণ্ডৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত আজি ব্ৰঞ্জ পদকৰ বাবে খেলি সফলতা লাভ কৰে আৰু অসমক পদক দিবলৈ সক্ষম হয়। নয়নমণিয়ে 21-10 ৰ ব্যৱধানত পৰাস্ত কৰে বংগৰ প্ৰতিদ্বন্দ্বীক। লন বলত অসমে আৰু পদক পোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।





### অষ্ট্ৰেলিয়া বিশ্বকাপলৈ সাজু হৈছে ভাৰত-দক্ষিণ আফ্ৰিকা

# আজি গুৱাহাটীত দ্বিতীয় টি-২০

**গুৱাহাটী, ১ অক্টোবৰ ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টি-20 শৃংখলাৰ দ্বিতীয়খন মেচ কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে টীম ইণ্ডিয়াই প্ৰথমখন মেচত আঠ উইকেটত হেলাৰঙে জয়লাভ কৰি ইতিমধ্যে শৃংখলাটোত 1-0 ৰ অগ্ৰগতি লৈছে। কাইলৈৰ মেচত জয়ৰে ভাৰতৰ লক্ষ্য শৃংখলা দখল কৰা। উল্লেখ্য যে চলিত মাহতে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া টি-20 বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন টি-20 মেচ খেলিছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-20 মেচ খেলাৰ পাছত এতিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-20 ৰ এক শৃংখলাত অংশ লৈছে টীম ইণ্ডিয়াই। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে শৃংখাল দখল কৰা ভাৰতীয় দলৰ লক্ষ্য দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে এই গৌৰৱ অৰ্জন কৰি দৃঢ়তা আৰু শক্তিশালী মানসিকতাৰে কেংগাৰুৰ দেশলৈ আই চি চি টি-20 বিশ্বকাপ খেলিবলৈ যোৱা। বিপৰীতে কাইলৈৰ শৃংখলাৰ দৃষ্টিৰে মৰণপণ মেচখনত জয় অৰ্জন কৰি প্ৰত্যাৱৰ্তনৰ আশা দক্ষিণ আফ্ৰিকাৰো। কিন্তু প্ৰথম মেচৰ বেটিং ব্যৰ্থতাই দক্ষিণ আফ্ৰিকাক যে কাইলৈ গুৱাহাটীতো চাপৰ মাজত ৰাখিব সেয়া নিশ্চিত। বিপৰীতে ভাৰতীয় দলৰ আত্মবিশ্বাস এতিয়া তুংগত। ৰোহিত শৰ্মা আৰু বিৰাট কোহলিৰ ব্যৰ্থতাৰ পাছতো দলে প্ৰথম মেচত হেলাৰঙে পৰাস্ত কৰিছে শক্তিশালী দক্ষিণ আফ্ৰিকাক। লোকেছ ৰাহুল আৰু সূৰ্যকুমাৰ যাদবৰ ফৰ্ম তথা মধ্যক্ৰমত ঋষভ পণ্ট, দীনেশ কাৰ্তিক তথা শ্ৰেয়াছ আয়াৰৰ প্ৰত্যাৱৰ্তনে টীম ইণ্ডিয়াৰ বেটিং বিভাগত ভাৰসাম্য দিছে। আনহাতে, যশপ্ৰীত বুমৰাহ নাথাকিলেও টীম ইণ্ডিয়াৰ নৱাগত পেচাৰে বিপক্ষক আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰাইছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চলিত শৃংখলাত ভাৰতীয় দলত কিছু সাল-সলনি হৈছে। কৰ'নাৰ বাবে মহম্মদ ছামি দলৰ পৰা ইতিমধ্যে বাহিৰ হোৱাত তেওঁৰ স্থানত উমেশ যাদবেই আছে দলত। আনহাতে, হাৰ্দিক পান্দিয়াৰ স্থানত দলত লোৱা হৈছে শ্বাহবাজ আহমেদক। তদুপৰি দীপক হুদাৰ স্থানত শ্ৰেয়াছ আয়াৰে দললৈ আহিছে। আঘাত পোৱা যশপ্ৰীত বুমৰাহৰ স্থানত মহম্মদ চিৰাজক টীম ইণ্ডিয়াত অন্তভুক্ত কৰা হৈছে।



## ২০০ মিটাৰতো সোণৰ পদক লাভ কৰিব অম্লানে ঃ প্ৰশিক্ষক

**গান্ধীনগৰ, ১ অক্টোবৰ ঃ** চলিত 36 সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি চমকপ্ৰদ প্ৰদৰ্শন কৰি অসমক প্ৰথমটো সোণৰ পদক দিয়ে অম্লান বৰগোহাঁয়ে। পুৰুষৰ 100 মিটাৰ দৌৰৰ ফাইনেলত অম্লানে 10.38 ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি সোণ অৰ্জন কৰিবলৈ সক্ষম হয়। এই সফলতাৰ পাছত অম্লানৰ অন্যতম প্ৰশিক্ষক নিপন দাসে কয় যে 200 মিটাৰতো অসমৰ দৌৰবিদজনে সোণ লাভ কৰাটো নিশ্চিত। উল্লেখ্য যে অম্লানৰ নামতে আছে 100 আৰু 200 মিটাৰৰ ৰাষ্ট্ৰীয় অভিলেখ। 10.25 ছেকেণ্ডৰে 100 মিটাৰত অভিলেখ গঢ়া অম্লানৰ 200 মিটাৰৰ সময় হ'ল 20.52 ছেকেণ্ড। সেয়ে এথলীটগৰাকীক লৈ আশাবাদী প্ৰশিক্ষক। উল্লেখ্য যে অহা তিনি অক্টোবৰত হ'ব 200 মিটাৰ দৌৰৰ হিটছ। জীৱনৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াতে সোণ অৰ্জন কৰি চমক দিয়া অম্লানৰ পৰবৰ্তী লক্ষ্য 200 মিটাৰত অসমক সোণ দিয়া।



## বালিসত্ৰ ফুটবলত চামতা আঞ্চলিক ফাইনেলত

**অগ্ৰদূত বাৰ্তা, ৰঙিয়া, ১ অক্টোবৰ ঃ** ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ স্বীকৃতিপ্ৰাপ্ত বালিসত্ৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত বালিসত্ৰত চলি থকা শ্বহীদ টংকেশ্বৰ ডেকা আৰু বুলুপ্ৰভা দাস সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজি দ্বিতীয়খন ছেমিফাইনেল খেল অনুষ্ঠিত হয়। তীব্ৰ উত্তেজনাপূৰ্ণ খেলত চামতা আঞ্চলিক ক্ৰীড়া সন্থাই কলমণি ফুটবল একাদশক 1-0 গলৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। জয়ন্ত মাধৱ দাসে পৰিচালনা কৰা খেলখনৰ সহযোগী পৰিচালক সকল আছিল আনোৱাৰ হুছেইন মজুমদাৰ আৰু হাৰেজুৰ ৰহমান।

## চাইক্লিংত চয়নিকা গগৈ-ভাৰোত্তোলনত পপী হাজৰিকাৰ ৰূপৰ পদক অৰ্জন

**আহমেদাবাদ, ১ অক্টোবৰ ঃ** গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি অসমে চমকপ্ৰদ প্ৰদৰ্শন কৰি তিনিটা সোণ, তিনিটা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ সাতটা পদক লাভ কৰিছে। আজি ভাৰোত্তোলনত অসমক ৰূপৰ পদক দিয়ে ৰাজ্যৰ আন এগৰাকী তাৰকা খেলুৱৈ পপী হাজৰিকাই। মহিলাৰ 59 কিলোগ্ৰাম শাখাত খেলা পপীয়ে স্নেছত 85 কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত 108 কিলোগ্ৰাম উত্তোলন কৰি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। পপীয়ে মুঠ 193 কিলোগ্ৰাম ওজন উত্তোলন কৰে যদিও সামগ্ৰীকভাবে এক কিলোগ্ৰাম কম হোৱাৰ বাবেই সোণৰ পৰা বঞ্চিত হয়। উল্লেখ্য যে বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় ভাৰোত্তোলন দলক প্ৰতিনিধিত্ব কৰা অসম কন্যা পপীয়ে ইংলণ্ডত ব্যৰ্থ হোৱাৰ পাছত নতুন আশাৰে অংশ লৈছিল চলিত গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত। লক্ষ্য সোণ আছিল যদিও ভাগ্যই সংগ নিদিয়াত ৰূপৰ পদকতে সন্তুষ্ট থাকিব লগা হ'ল। উল্লেখ্য যে পপীৰ লগতে অসমৰ ছজনীয়া দলে চলিত ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ভাৰোত্তোলনত অংশ লৈছে। ইফালে, চলিত 36 সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি অসমক ৰূপৰ পদক দিয়ে দেশৰ নৱাগত চাইক্লিষ্ট চয়নিকা গগৈয়ে। এছিয়ান চাইক্লিং প্ৰতিযোগিতাত পদক জয়ৰে ঐতিহাসিক সফলতা লাভ কৰা চয়নিকাই মহিলাৰ 10 কিলোমিটাৰ স্কেট ৰেছত ৰূপ জয় কৰি অসমৰ পদক তালিকাত সংখ্যা বৃদ্ধি কৰে। অসমৰ ক্ৰীড়াবিদৰ এই সফলতাৰ বাবে অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱাল আৰু সম্পাদক লক্ষ্য কোঁৱৰে সকলো পদকজয়ী খেলুৱৈক অভিনন্দন জনোৱাৰ লগতে যিসকল খেলুৱৈয়ে নিজৰ মেচ খেলিবলৈ বাকী আছে তেওঁলোকক সুন্দৰ প্ৰদৰ্শনৰ বাবে শুভেচ্ছা জনাইছে।





## লাভলীনা বৰগোহাঁই বক্সিং একাডেমী মুকলি

**অগ্ৰদূত বাৰ্তা, বৰপথাৰ, ১ অক্টোবৰ ঃ** ক্ৰীড়াৰ প্ৰাণকেন্দ্ৰলৈ পৰিণত হোৱা ধনশিৰি মহকুমাত আজি লাভলীনা বৰগোহাঁইৰ নামেৰে এখন বক্সিং একাডেমীৰ শুভ উদ্বোধন কৰা হয়। মহকুমাটোৰ বৰপথাৰ নগৰত অ' এন জি চিৰ অৰ্থ সাহায্যৰে নিৰ্মাণ কৰা হৈছে বক্সিং একাডেমীটো। আজি উদ্বোধনী অনুষ্ঠানত স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনৰ লগতে উপস্থিত থাকে অ' এন জি চিৰ অসম তথা অসম আৰাকান বেচিনৰ কাৰ্যবাহী সঞ্চালক আৰু বেচিন মেনেজাৰ সুষমা ৰাৱট। ইপিনে ধনশিৰি জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত উদ্ধোধনী অনুষ্ঠানত ধনশিৰি মহকুমাধিপতি দিনছেংফা বৰুৱা , মহকুমা আৰক্ষী বিষয়া ত্ৰিণয়ন ভূএঃা আৰু বক্সাৰ গৰাকীৰ পিতৃ টিকেন বৰগোঁহাইও উপস্থিত থাকে।



## ডিগবৈ প্ৰিমিয়াৰ লীগ ক্ৰিকেটত চেম্পিয়ন হাৰকিউলিচ একাদশ

**ডিগবৈ,১ অক্টোবৰ ঃ** ডিগবৈ সমন্বয় সংঘ আৰু ডিগবৈ ক্ৰিকেট কোচিং চেণ্টাৰৰ উদ্যোগত অনুষ্ঠিত স্বৰ্গীয় পংকজ তামুলি সোঁৱৰণী ডিগবৈ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাখনি আজি সামৰণি পৰে। ডিগবৈ মুলীয়াবাৰী খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত হাৰকিউলিচ দলে ডিবিচি 11ক চাৰি উইকেটত পৰাস্ত কৰি বিজয়ীৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাৰ অন্তত আয়োজন কৰা বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি ৰূপে থাকে ডিগবৈ আই অ চিৰ মানৱ সম্পদ বিভাগৰ মহাপ্ৰৱন্ধক কমল বসুমতাৰী, বিশিষ্ট অতিথি ৰূপে বিশিষ্ট সাহিত্যিক পুণ্য শইকীয়া, ইণ্ডিয়া ক্লাৱৰ সম্পাদক সুৰজ গোঁহাই, প্ৰাক্তন ক্ৰিকেটৰ নাজিবুৰ ৰহমান, ডিব্ৰুগড় সঞ্জিৱনী নাৰ্চিং হোমৰ ডাঃ ৰাণা বৰুৱা, এন আই এছ প্ৰশিক্ষক সুশান্ত দত্তগুপ্ত, সাংবাদিক বিনন্দ কোঁৱৰ, প্ৰয়াত পংকজ তামুলিৰ সহধৰ্মিণী ৰুমি তামুলি আদি। প্ৰতিযোগিতাৰ চেম্পিয়ন দলক ট্ৰফীসহ নগদ 50 হেজাৰ টকা আৰু ৰাণাৰ্ছআপ দলক নগদÃ 35 হেজাৰ টকা প্ৰদান কৰা হয়। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ আৰু শ্ৰেষ্ঠ বলাৰৰ বঁটা লাভ কৰে ৰজত খানে। আজিৰ চুড়ান্ত খেলখনৰ শ্ৰেষ্ঠ বঁটা লাভ কৰিবলৈ সক্ষম হয় পংকজ কোঁৱৰে।



## মহেশ্বৰ ব্ৰহ্ম ফুটবল সমাপ্ত



**অগ্ৰদূত ব্যুৰ, বঙাইগাঁও, ১ অক্টোবৰ ঃ** ভিৰহানগাঁৱৰ পাইয়ক্সনিয়াৰ ক্লাবে চিৰাং জিলাৰ গৰুভাষা জে এছ বি ক্ৰীড়াক্ষেত্ৰত আয়োজন কৰা প্ৰয়াত মহেশ্বৰ ব্ৰহ্ম স্মৃতি ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ খিতাপ দখল কৰিবলৈ সক্ষম হৈছে। চিৰাং জিলাৰ গৰুভাষা এবছু ইউনিটৰ উদ্যোগত অনুষ্ঠিত উক্ত প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত চূড়ান্ত খেলখনত পাইয়নিয়াৰ ক্লাবে ইয়ং চিটি এফ চি, গৰুভাষাক টাইব্ৰেকাৰৰ সহায়ত 6-5 গ'লত পৰাস্ত কৰে। ফাইনেল খেলখন পৰিচালনা কৰে প্ৰেম নাৰ্জাৰীয়ে। পাইয়নিয়াৰ ক্লাবৰ গ'লৰক্ষক খাজিম কুমাৰ দৈমাৰীয়ে প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। খেলৰ শেষত বিজয়ী দলক নগদ 30 হেজাৰ টকাৰ সৈতে ট্ৰফী আৰু বিজিত দলটোক নগদ 20 হেজাৰ টকাৰ সৈতে ট্ৰফী প্ৰদান কৰে বিটিচিৰ পাৰিষদ মাধৱ ছেত্ৰী আৰু প্ৰাক্তন পাৰিষদ লবেন বসুমতাৰীয়ে।

## মহেন্দ্ৰ-ৰীতেন্দ্ৰ ফুটবলত কোকৰাঝাৰ ছাইৰ খিতাপ

**অগ্ৰদূত ব্যুৰ, বঙাইগাঁও, ১ অক্টোবৰ ঃ** বঙাইগাঁও চহৰৰ নিকটৱৰ্তী পুৰণি বঙাইগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় দেউৰীপাৰাৰ নৰনাৰায়ণ খেল পথাৰত অনুস্থিত হোৱা প্ৰয়াত মহেন্দ্ৰ চন্দ্ৰ পাঠক আৰু ৰীতেন্দ্ৰ চন্দ্ৰ ৰায় সোঁৱৰণী এককালীন প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি সামৰণি পৰে । আজি হোৱা চূড়ান্ত খেলত কোকৰাঝাৰ ছাই দলে 1-0 গ'লত জনতা ক্লাব দলক পৰাজিত কৰি বিজয়ীৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয় । খেলৰ অন্তত বিজয়ী, আৰু বিজিত আৰু শ্ৰেষ্ঠ খেলুৱৈক প্ৰাইজমানি সহ ট্ৰফী প্ৰদান কৰা হয়।



## উইকেট ভাল, জয়ৰ আশা পাৰ্ণিলৰ

**গুৱাহাটী, ১ অক্টোবৰ ঃ** প্ৰথম মেচত পৰাস্ত হোৱাৰ পাছত কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত খেলিব লগা দ্বিতীয়খন টি-20 ত জয়ৰ আশা কৰিছে দক্ষিণ আফ্ৰিকাই। আজি সংবাদমেলত এই কথা ব্যক্ত কৰি আলহী দলৰ অভিজ্ঞ পেচাৰ ৱেইন পাৰ্ণিলে কয় যে বৰ্ষাপাৰা ষ্টেডিয়ামৰ উইকেট প্ৰথম মেচৰ উইকেটতকৈ পৃথক। গতিকে দলে প্ৰথম মেচখনত বেটিঙৰ সময়ত ভাৰতীয় বলাৰৰ সন্মুখত যি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল, কাইলৈ সেয়া নহ'ব। 'আমাৰ বেটাৰসকলে যোৱা ছমাহ ধৰি সুন্দৰ বেটিং কৰি আছে। সেয়ে এখন মেচৰ বিফলতাই এয়া নুবুজাই যে আমি বেটিঙত দুৰ্বল। প্ৰথম মেচৰ উইকেট বেটিং সহায়ক নাছিল। যাৰবাবে আমি প্ৰথমে বেটিং কৰাৰ পৰিনাম ভুগিব লগা হৈছিল। কিন্তু বৰ্ষাপাৰাৰ উইকেট সম্পূৰ্ণ পৃথক। উইকেটত ঘাঁহ আছে। এয়া আমাৰ বাবে অনুকুল। গতিকে আশা কৰিছো আমি কাইলৈৰ মেচত জয়ৰে সমতা স্থাপন কৰিব পাৰিম।' পাৰ্ণিলে ব্যক্ত কৰে। ইফালে, আসন্ন আই চি চি টি-20 বিশ্বকাপলৈ দক্ষিণ আফ্ৰিকা কিদৰে সাজু হৈছে বুলি প্ৰশ্ন কৰাত অভিজ্ঞ পেচাৰজনে কয় 'টি-20 বিশ্বকাপৰ প্ৰস্তুতি দক্ষিণ আফ্ৰিকাই ইতিমধ্যে আৰম্ভ কৰিছে। ভাৰতত শৃংখলা খেলাৰ পূৰ্বে ইংলণ্ড আৰু অষ্ট্ৰেলিয়াতো টি-20 শৃংখলাত অংশ লৈছে। এয়া আমাৰ অন্তিম প্ৰস্তুতি। আমি আত্মবিশ্বাসী হৈ অষ্ট্ৰেলিয়ালৈ যাম।' ইফালে, কাইলৈৰ মৰণ মেচখনত দক্ষিণ আফ্ৰিকা দলত সাল-সলনি হ'ব নে নহয় সেই বিষয় লৈ আজিয়েই সিদ্ধান্ত লোৱা নাই আলহী দলটোৱে। উল্লেখ্য যে চলিত তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথমখন মেচত আঠ উইকেটত পৰাস্ত হৈছে দক্ষিণ আফ্ৰিকা। তিৰুৱন্তপুৰমত হোৱা মেচত পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই 20 অভাৰত আঠ উইকেট হেৰুৱাই মাত্ৰ 106 ৰাণতে ইনিংছ সামৰে। আলহী দলৰ চাৰিজন বেটাৰ শূণ্যতে আউট হয়। কিন্তু কেশৱ মহাৰাজে 41, মাৰ্কৰামে 25 আৰু পাৰ্ণিলে 24 ৰাণ কৰি দক্ষিণ আফ্ৰিকাৰ দলীয় স্ক'ৰ শতক পাৰ কৰায়। ভাৰতৰ হৈ অৰ্শ্বদ্বীপ সিঙে তিনিটা তথা দীপক চাহাৰ আৰু হাৰ্ষল পেটেলে দুটাকৈ উইকেট পায়। অভিজ্ঞ অশ্বিনে উইকেট নাপালেও চাৰি অভাৰত মাত্ৰ আঠ ৰাণহে খৰছ কৰে। প্ৰত্যুত্তৰত, ভাৰতে 16.4 অভাৰত দুটা উইকেট হেৰুৱাই 110 ৰাণ কৰি জয় অৰ্জন কৰে আৰু তিনিখনীয়া টি-20 শৃংখলাটোত 1-0 ত অগ্ৰগতি লয়। ভাৰতৰ ৰোহিত আৰু বিৰাট ব্যৰ্থ হয় যদিও লোকেছ ৰাহুল আৰু সূৰ্যকুমাৰ যাদবে অপৰাজিত অৰ্ধশতকৰে দলক বিজয়লক্ষ্যত উপনিত কৰায়।

## অম্বা মেধি ফুটবলত অসম ৰেজিমেণ্টেল চেণ্টাৰ চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, মঙলদৈ, ১ অক্টোবৰ ঃ** শ্বিলঙৰ অসম ৰেজিমেণ্টেল চেণ্টাৰে মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত 41 সংখ্যক অম্বামেধি সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাত চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিছে। মঙলদৈ ষ্টেডিয়ামত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ আজি হোৱা ফাইনেলত ৰেজিমেণ্টেল চেণ্টাৰে বিদ্যুৎ পৰিষদক 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ৰেজিমেণ্টেল চেণ্টাৰৰ হৈ মেইটচাফৰাং নেংনেঙে এটা আৰু এল ৰবাৰ্টে দটা গ'ল দিয়াৰ বিপৰীতে বিদ্যুৎ পৰিষদৰ হৈ আশিষ লাংঠোচা আৰু জিজ্ঞাস ডেকাই এটাকৈ গ'ল দিয়ে। খেলখন পৰিচালনা কৰে ক্ৰমে আব্দুল হান্নান, মোবাৰক হুছেইন, ওৱাহিদুৰ ৰহমান আৰু হিতেশ কলিতাই। খেলৰ অন্তত বিজয়ী দলক অম্বামেধি সোঁৱৰণী ট্ৰফীসহ নগদ 50 হেজাৰ টকা আৰু বিজিত দলক 25 হেজাৰ টকা প্ৰদান কৰে। খেল উদ্বোধন কৰে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। উদ্বোধনী অনুষ্ঠানত দৰঙৰ আৰক্ষী অধীক্ষক প্ৰশান্ত শইকীয়া বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ইফালে, বিৰতিত অম্বামেধি পৰিয়ালৰ সদস্য তথা অসম ফুটবল সন্থাৰ এক দীঘলীয়া সময়ৰ কোষাধ্যক্ষ, প্ৰবীণ খেলুৱৈ তথা ফুটবল ৰেফাৰী বিৰেন মেধিক দৰং জিলা ফুটবল ৰেফাৰী কল্যাণ সংস্থাই সম্বৰ্ধনা জনায়।





# নতুন আশাৰে পুনৰ মুকলি ওৰাং ৰাষ্ট্ৰীয় উদ্যান

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১ অক্টোবৰ ঃ** ব্যতিক্ৰমী ইতিহাসেৰে সমৃদ্ধ তথা মানৱসৃষ্ট বুলি ১৯০০লৈ মানৱৰ বসতিস্থল, ১৯১৫ত সংৰক্ষিত মৃগয়া ভূমি, ১৯৯৮ত বন্যপ্ৰাণী অভয়াৰণ্য, ১৯৯৯ত ৰাষ্ট্ৰীয় উদ্যান আৰু ২০১৬ত ব্যাঘ্ৰ প্ৰকল্প হিচাপে স্বীকৃতি লাভ কৰা ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্প আজিৰে পৰা পৰ্যটক আৰু দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হয়। কোনো বিশেষ অতিথিৰ পৰিৱৰ্তে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই উদ্যানখনৰ সুৰক্ষাৰ বাবে ১৯৮৭ৰে পৰাই ঘাহি হিচাপে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই সম্প্ৰতি বনৰক্ষী হিচাপে পদোন্নতি লাভ কৰা ৰামুল বড়োৰ দ্বাৰা ৰাষ্ট্ৰীয় উদ্যানখনৰ দ্বাৰ মুকলি কৰে। এই অনুষ্ঠানতেই সাংবাদিক ভাৰ্গৱ কুমাৰ দাস আৰু সমাজকৰ্মী দিলীপ কুমাৰ নাথে মঙলদৈ বন্যপ্ৰাণী সংমণ্ডলৰ তৰফৰ পৰা প্ৰকাশ কৰা ৰাষ্ট্ৰীয় উদ্যানখনৰ তথ্য সমৃদ্ধ ৰঙীন প্ৰচাৰ পত্ৰিকা এখনো উন্মোচন কৰে। অনুষ্ঠানত মঙলদৈৰ বন্যপ্ৰাণী সংমণ্ডল বিষয়া প্ৰদীপ্ত বৰুৱা, সহকাৰী বন সংৰক্ষক ৰাজীৱ হাজৰিকা, উদ্যানৰ ৰেঞ্জাৰ দিব্যজ্যোতি দেউৰী, সাংবাদিক ভাৰ্গৱ কুমাৰ দাস, শ্ৰাৱণ ঝা, প্ৰদীপ ঘোষ প্ৰমুখ্যে স্থানীয় প্ৰকৃতিপ্ৰেমী আৰু ছাত্ৰ-ছাত্ৰীসকলেও অংশগ্ৰহণ কৰে। পুনৰ মুকলি অনুষ্ঠানতে উদ্যান কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজন কৰা জীপ ছাফাৰী বন্যপ্ৰাণী সংমণ্ডল বিষয়া প্ৰদীপ্ত বৰুৱাই পতাকা জোকাৰি আৰম্ভ কৰে। উল্লেখ্য যে ৭৮.৮২ বৰ্গ কিলোমিটাৰ অঞ্চলৰে সমৃদ্ধ ব্ৰহ্মপুত্ৰ নদৰ উত্তৰপাৰৰ এশিঙীয়া গঁড়ৰ বিচৰণ ভূমি হিচাপে খ্যাতি লাভ কৰা এই ৰাষ্ট্ৰীয় উদ্যানখনৰ দ্বিতীয় সংযোজন হিচাপে ৰাজ্য চৰকাৰে শোণিতপুৰ আৰু দৰং জিলাৰ মুঠ ২০০.৩২ বৰ্গ কিলোমিটাৰ অঞ্চল ৰাষ্ট্ৰীয় উদ্যানখনত সংলগ্ন কৰাত ৰাষ্ট্ৰীয় উদ্যানখনৰ সীমা পূবে ঢেকিয়াজুলিৰ শিঙৰী আৰু পশ্চিমে দৰঙৰ শ্যামপুৰলৈ বিস্তৃত হৈছে। আনহাতে, দ্বিতীয় সংযোজনত সংলগ্ন হোৱা ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা তেজপুৰৰ বুঢ়া চাপৰি বন্যপ্ৰাণী অভয়াৰণ্য আৰু বিশ্বনাথৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজন সংযোগী ১২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এক সুদীৰ্ঘ নদী পথেৰে বিলুপ্তপ্ৰায় শিহু আৰু ঘঁৰিয়ালৰ আদৰ্শ বসতিস্থল নতুনকৈ সৃষ্টি কৰাৰ এক প্ৰশংসনীয় পদক্ষেপ ৰাজ্য চৰকাৰে হাতত লৈছে। সম্প্ৰতি মুঠ ১২৫টা এশিঙীয়া গঁড় ২৪টা ঢেঁকীয়াপতীয়া বাঘ, বিলুপ্তপ্ৰায়

## সুখবৰ পাঁচ বছৰে হোৱা নাই কোনো ধৰণৰ চোৰাং চিকাৰ

১২০টা নল গাহৰি, ৩৪টা প্ৰজাতিৰ স্তন্যপায়ী, তিনিশ প্ৰজাতিৰ পক্ষীকুল, ৩৭টা প্ৰজাতিৰ সৰীসৃপ, ৩২টা প্ৰজাতিৰ মৎস্যকুল, ১৯টা প্ৰজাতিৰ উভচৰ আৰু ২৮টা প্ৰজাতিৰ পখিলাসহ আৰু বিস্তীৰ্ণ উলুৱনি-ঘাঁহনিৰে সমৃদ্ধ ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পত বিগত পাঁচ বছৰে কোনো ধৰণৰ চোৰাং চিকাৰ সংঘটিত হ'ব নোৱাৰাটো উদ্যান কৰ্তৃপক্ষৰ সফলতাৰ এক উজ্জ্বল উদাহৰণ হিচাপে বিবেচিত হৈছে।







**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com